# ◌ঃনাৰায়ণপুৰ অন্‌চলৰ তিনি খন সত্ৰৰ চমু অৱলোকনঃ

শ্ৰী প্ৰিয়ংকা শৰ্মা

গাওঁঃধলপুৰ (কচুৱা)

জিলাঃ লখিমপুৰ, অসম

পিন নংঃ ৭৮৪১৬৫

পোষ্ট অফিচঃ কচুৱা

### *০.০১ ঐতিহাসিক খেত্র হিচাপে বৰ নাৰায়ণপুৰঃ*

ত্রয়োদশ শতিকাৰ পৰা আৰম্ভ কৰি ভাৰত বৰ্ষই বিদেশীৰ কবলৰ পৰা মুক্তি পোৱা সময় খিনি লৈকে অসমৰ বিভিন্ন কাহিনী, ইতিহাস, বুৰঞ্জীৰ নানা তথ্য এই সকলোবোৰ বুৰঞ্জী আৰু চৰিত পুথিৰ প্‌াঠত খোদিত আছে। আহোমৰ ৰাজত্ব কালৰে পৰা অ্‌সমৰ এটুকুৰা বুৰঞ্জী প্রসিদ্ধ ঠাই হিচাপে খ্যাত আছিল 'নাৰায়্‌ণপুৰ'। বিভিন্ন বুৰঞ্জীবিদে নাৰায়ণপুৰ নামৰ উৎপত্‌ত্‌িৰ বিষয়ে ভিন্ন ধৰণে বাখ্যা কৰিছে। ৰাজা ৰাম **মোহন ৰায়ে তেওঁৰ গ্রন্থ** "The background of Assamese culture" ত নাৰায়্‌ণপুৰ কলিতা ৰজা সত্যনাৰায়ণৰ অস্থায়ী ৰ্‌াজধানী আছিল বুলি উ্‌ল্লেখ কৰিছে।

আন কিছুমান বুৰঞ্জীবিদে নাৰায়্‌ণপুৰত কোচ ৰজা নৰনাৰায়্‌ণৰ সেনা চাউনি আছিল যাৰ বাবে ঠাই খনৰ নাম পাছত 'নাৰায়্‌ণপুৰ' হ'ল বুলি মন্তব্য কৰিছিল।

বৰ নাৰায়্‌ণপুৰ বুলিলে এসময়্‌ত বুৰৈৰ পৰা লালুক পৰ্যন্ত গোটেই অঞ্চলটোকে বুজোৱা হৈছিল। পূৰ্বতে প্রতাপ পুৰৰ পৰা পিছ্‌লা নৈ লৈকে দৰঙীয়া ৰজা সকলৰ ৰাজত্ব কালৰ কাহিনীও বৰনাৰায়্‌ণপুৰৰ ইতিহাস আছিল। সেই সময়ৰ সমাজ খন হিংসা, অন্যায়, অধৰ্ম, বলি-বিধান ইত্যাদিয়ে ছানি ধৰিছিল। ইতিহাস প্‌ৰসিদ্ধ আৰু গুৰু চৰিত পুথিত বৰ্ণিত এসময়ৰ বৰ-নাৰায়্‌ণপুৰ অ্‌ঞ্চলটো প্লাৱিত কৰি অতীতৰে পৰা বৈ আছিল ডিক্‌ৰ্‌ং, কা্‌ছিকটা, দ্রোপাং, দিহিৰী আৰু পিছলা নদী। এই পি্‌ছ্‌লা নদী খনেই বৰ নাৰায়্‌ণপুৰৰ ৰাইজক সমন্বয়ৰ এনাজৰীৰে বান্ধি ৰাখিছিল।

বৰ নাৰায়্‌ণপুৰ অ্‌ঞ্চলত বাৰ(১২) জন বৈষ্ণৱ গুৰুৰ জন্ম হৈছিল বুলি উল্লেখ পোৱা যায়। ১৪২৬ খ্রীঃ ত এই ঐতিহ্যপূৰ্ণ বৰ

নাৰায়ণপুৰতে হৰি দেৱৰ জন্ম হৈছিল। হৰিশিঙা বৰা অৰ্থাত হৰি সিং উজীৰ টোলত অৰ্থাত নাৰায়ণ পুৰৰ 'লেটেকু পুখুৰী থান'ত গোবিন্দ গিৰিৰ ঔৰষত ১৪৮৯ খ্ৰীঃ ত মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱৰ জন্ম হয়।

১৮৩৮ খ্ৰীঃ ত লখিমপুৰ জিলা স্বৰ্গদেউ পুৰন্দৰ সিংহৰ অধীনত আছিল যদিও কৰ পৰিশোধ কৰিব নোৱাৰাত এই জিলা ব্ৰিটিছৰ দখললৈ যায়। ১৮৪৩ চনত ব্ৰিটিছৰ বিৰুদ্ধে বিদ্ৰোহ কৰা শদিয়াখোৱা গোঁহাইৰ নেতৃত্বত ৫০০ জন খামটি লোক নাৰায়ণপুৰলৈ আহিছিল আৰু এই নাৰায়ণপুৰতে বসবাস কৰিবলৈ লৈছিল। বৰ্তমান নাৰায়ণপুৰত এখন বৰ খামটি গাঁও আছে। শদিয়া অঞ্চলৰ পৰাই দেউৰী লোক কিছুমানো ১৮৪৩ শতিকাতে নাৰায়ণপুৰলৈ আহে । বৰ্তমান নাৰায়ণপুৰত বৰ দেউৰী গাঁও এখন পোৱা যায়। নাৰায়ণপুৰৰ বিভিন্ন স্থানত পুৰণি হিন্দু দেৱ দেৱীৰ প্ৰতিমা, মন্দিৰ আৰু বিভিন্ন ধৰণৰ ভাস্কৰ্য্য বিভিন্ন সময়ত আৱিস্কৃত হৈছে। নাৰায়ণপুৰত কোনো এক সভ্য সংস্কৃতিৰ অৱস্থিতিৰ প্ৰমান এই সমূহেই অতীতৰে পৰা বহন কৰি আহিছে।

১৫৫৩ খ্ৰীঃ ত অৰ্থাত ১৪৭৫ শকৰ ১৫ ব'হাগ ত বৰ্তমান ধলপুৰ মৌজাৰ দকুৱা গাৱঁত মায়ামৰা সম্প্ৰদায়ৰ প্ৰচাৰক শ্ৰী শ্ৰী অনিৰুদ্ধ দেৱৰ জন্ম হৈছিল।

এই নাৰায়ণপুৰতে বদলা পদ্ম আতা আৰু কেশৱ আতাৰ দৰে সিদ্ধ পুৰুষৰো জন্ম হৈছিল। ১৪৯৮ শক অৰ্থাত ১৫৭৬ খ্ৰীঃ ত বৰ্তমানৰ 'কলাবাৰী' আৰু পূৰ্বৰ 'ৰম্ভাবাৰীত' বনমালী দেৱৰ জন্ম হৈছিল।

বংশীগোপাল দেৱৰ শিষ্য বনমালী দেৱ দক্ষিনপাট সত্ৰৰ প্ৰতিষ্ঠাপক আছিল। পূৰ্বতে বনমালী দেৱে ৰাইদঙীয়াৰ ওচৰৰ লুইতৰ পাৰৰ "দেৱেৰাপাৰত" সত্ৰ পাতিছিল যদিও ৰাজৰোষত পৰাত স্বৰ্গদেউ প্ৰতাপ

সিংহই সত্ৰখন লণ্ড–ভণ্ড কৰি পেলালে আৰু বৰ্তমান এই সত্ৰখনৰ অস্তিত্বৰ নামত সৰুকৈ এটা নামঘৰহে পোৱা যায়।

শ্ৰী শ্ৰী গোপাল দেৱৰো জন্ম এই বৰ নাৰায়ণপুৰতে হৈছিল। বৰ নাৰায়ণপুৰৰ অন্তৰ্গত কলাবাৰীৰ 'কামদেৱাল' নামৰ গাৱঁত "শ্ৰী শ্ৰী কামদেৱ সত্ৰ" প্ৰতিষ্ঠা কৰা হৈছিল। প্ৰবাদ আছে যে – বনমালী দেৱৰ নামেৰেই এই সত্ৰ খনৰ নামাকৰণ কৰোৱা হৈছিল।

পূৰ্বতে বৰ নাৰায়ণপুৰ অঞ্চল মোৱামৰীয়া বিদ্ৰোহ, মানৰ আক্ৰমণ, ডফলাৰ উপদ্ৰৱ আদিৰে ভৰি পৰিছিল। এই বিদ্ৰোহৰ ফলশ্ৰুতিত বহুতো মানুহ এই ঠাই এৰি দক্ষিনপাৰলৈ উঠি গৈছিল।

বৰ নাৰায়ণপুৰৰ ঐতিহ্য বহন কৰে ইয়াত থকা থান, সত্ৰ, দ'ল আদিৰ দৰে ধৰ্মীয় সাংস্কৃতিক ক্ষেত্ৰই। তলত বৰ নাৰায়ণপুৰৰ কেইখন মান থান, সত্ৰ আৰু দ'ল, দেৱালয়ৰ উল্লেখ কৰা হ'ল-----------

## *লেটেকু পুখুৰী থানঃ*

লেটেকু পুখুৰী থানলৈ যাব পৰা প্ৰধান পথ দুটি। এটি হ'ল ভোগপুৰেৰে সোমাই বৰবালি, পোৰাবিল পাৰহৈ এই থান আৰু আনটি নাৰায়ণপুৰ কাছিকটাৰ পৰা তিনি কিল'মিটাৰ মান উত্তৰলৈ গ'লেই এই থান পোৱা যায়। এই সত্ৰলৈ যোৱাৰ বহুতো উপপথ আছে। এই থানৰ কাষতে উজীৰ হৰিশিঙা বৰাৰ ঘৰ। কছাৰীৰ সৈতে সংঘাট লগাত ভূঞা সকল পলোৱাৰ লগে লগে গোবিন্দ গিৰিয়ে ভাৰ্যা মনোৰমাৰ সৈতে উজাই আহি লেটেকু পুখুৰীৰ হৰিশিঙা বৰাৰ ঘৰতে আশ্ৰয় লয়হি। পিছত লেটেকু পুখুৰীৰ পাৰতে এটা ঘৰ সাজি গোবিন্দ গিৰিক হৰিশিঙা বৰাই থাকিবলৈ যো–জা কৰি

দিয়ে। তাতেই ১৪৮৯ শকৰ জেঠ মাহৰ কৃষ্ণা প্ৰতিপদ তিথিত মহাপুৰুষ শ্ৰী শ্ৰী মাধৱ দেৱৰ জন্ম হয়। সেয়েহে মাধৱ দেৱৰ জন্ম স্থানক ''লেটেকু'' পুখুৰী বুলি কোৱা হয়।

## *বেলগুৰি থানঃ*

১৬১৮ শকত "বেলগুৰি সত্ৰ" মাজুলীত স্থাপিত হৈছিল। এই সত্ৰ খনতেই শ্ৰী শ্ৰী শংকৰ দেৱ আৰু শ্ৰী শ্ৰী মাধৱদেৱৰ "মণি-কাঞ্চন" স্ংযোগ হৈছিল। আহোম ৰজাঘৰীয়াৰ উপদ্ৰৱত শ্ংকৰ-মাধৱ কামৰূপলৈ ভটিয়াই যায়। ১৮৩৭ শকত বাৰিষা ব্ৰহ্মপুত্ৰই ৰুদ্ৰ ৰূপ ধাৰণ কৰি এই সত্ৰ ভাগ খহাই নি্বলৈ ধৰিলে। অৱশেষত উপায়হীন হৈ সত্ৰ খনৰ ভকত সকল নাৰায়্ণ পুৰলৈ উঠি আহি ইয়াৰ কিছু উত্তৰত অৰ্থাত ম্যাকোৱাৰী অঞ্চললৈ সত্ৰ ভাগ স্থানান্তৰিত কৰি সত্ৰৰ নামঘৰ, সত্ৰৰ বহা সমূহ সুন্দৰ ভাৱে নিৰ্মাণ কৰি পূৰ্বৰ 'বেলগুৰি সত্ৰৰ' মৰ্যাদা অক্ষুন্ন ৰাখিছে। এই সত্ৰ খন নিকা সংহতিৰ সত্ৰ। এই সত্ৰ খনত বৰ্তমান শংকৰ দেৱৰ পাদুকা এপাত, লাখুঁটি আদি স্ংৰক্ষিত হৈ আছে বুলি সত্ৰৰ বিষয়ববীয়া সকলে জানিবলৈ দিয়ে।

## *মাঘনোৱা দ' লঃ*

প্ৰাচীন অসমত যেতিয়া শাক্ত ধৰ্মৰ প্ৰাৰ্দুভাৱ হৈছিল সেইসময়ত বৰ্তমানৰ নাৰায়্ণপুৰৰ খেৰাজখাট মৌজাৰ পিছলা নৈৰ পাৰত "ফুলবাৰী দেৱালয়" নামৰ এখন বিখ্যাত তীৰ্থস্থান আছিল। প্ৰবাদ আছে স্বৰ্গদেউ ৰুদ্ৰ

সিংহই ১৭০৫ চনত 'ফুলবাৰী দ'ল' অৰ্থাত 'মাঘনোৱা দ'ল' সজাইছিল। এই দ'লটো যদিও নাৰায়ণপুৰৰ খেৰাজখাট মৌজাত অৱস্থিত ইয়াৰ মাটিৰ অ্ংশ ধলপুৰ মৌজাৰো অন্তৰ্গত। মানৰ আক্ৰমণৰ সময়ত এই দ'লৰ ধন সম্পত্তি লুটি মান সৈন্যই ইয়াতে শিবিৰ পাতি থাকোতেই মন্দিৰত গো–হত্যা কৰি পিছলা নৈত এই গো মাংস ধুইছিল। ফলস্বৰূপে মন্দিৰ আৰু নৈ দুয়ো অশুচি হোৱাত মন্দিৰৰ দেউৰী বিলাকে মন্দ্িৰৰ বিগ্ৰহ ভাগ লৈ কলাবাৰীত সেই বিগ্ৰহ ভাগ লুকুৱাই ৰাখিছিল। মান যোৱাৰ পিছতো মাঘনোৱা দ'ললৈ বিগ্ৰহ ভাগ ঘুৰাই নানি কলাবাৰীত ৰাখিলে। বৰ্তমান কলাবাৰী–হাৱাজানৰ মাজৰ দেউৰী গাঁৱত 'বৰ কালিকা গোঁসানী থা্ন' হিচাপে এখন থান দেখা যায়। এই থানতে বৰ্তমানেও বিগ্ৰহ ভাগ আছে কিন্ত্তু এই বিগ্ৰহ ভাগৰ 'কালিকা' তথা 'শক্তি' খিনি বৰঙাবাৰীত অৱস্থিত কৈল্যাণী থানৰ লগত মিলি যায় বুলি কথিত আছে।

## *খামটি গাঁও আৰু বুদ্ধ বাপুচাংঃ*

১৮৪৩ চনত ব্ৰিটিছ সকলে অসমত ৰা্জত্ব কৰোঁতে এই ব্ৰিটিছৰ বিৰোদ্ধে বিদ্ৰোহ ঘোষণা কৰা শদিয়া খোৱা গোঁহাইৰ নেতৃত্বত শদিয়া অঞ্চলৰ পৰা ৫০০ ঘৰ খামটি লোক নাৰায়্ণপুৰলৈ আহিছিল। তেওঁলোক বাস কৰা ঠাই খিনি বৰ্তমান 'বৰখামটি' গাঁও হিচাপে পৰিচিত। তেওঁলোক বৌদ্ধ সম্প্ৰদায়ৰ। বৌদ্ধ স্ংস্কৃতিৰ ক্ষেত্ৰত তেওঁলোক চহকী। এই বৰ খামটি গাঁৱতে 'বৌদ্ধ বাপুচাং' অৱস্থিত। এই বৰ খামটি গাঁৱৰ বিৰুদ্ধে কোনো গোচৰ আজিলৈকে পুলিচ থানাত ৰুজু হোৱা নাই বুলি জানিব পাৰি। বিশ্বৰ তিনি খন নিকা গাঁৱৰ ভিতৰত নাৰায়্ণপুৰৰ বৰ খামটি গাঁও ও পৰিছে।

## *পেটুৱা গোঁসাক্ৰি থানঃ*

এই থান নাৰায়ণপুৰৰ ধলপুৰ মৌজাৰ 'গণক দলনিত' অৱস্থিত। এই থানখন ব্ৰিটিছ ৰ দিনতে স্থাপিত হৈছিল। এই থান খনৰ বিগ্ৰহ ভাগৰ মতানৈক্য পোৱা যায়। কোনো কোনো স্থানীয় লোকে কয় এই থানত 'মা-কালী'ক আৰাধনা কৰা হয়। কোনোৱে কয় এই বিগ্ৰহ ভাগ- 'কুবেৰৰ', কোনো লোকে কয়-'গণেশৰ', কোনো লোকে কয় এই ভাগ- 'শিৱৰ'। গতিকে বিগ্ৰহ ভাগ কাৰ তাৰ আচল প্ৰমাণ পোৱা নাযায়। এই থানত সকলো লোক আহি আনন্দেৰে ভোজ-ভাত খায়। বৰ্তমান এই থানত দূৰ্গা পুজা এভাগ কৰাও দেখা যায়। বলি বিধান প্ৰথা এই থানত বৰ্তমানলৈকে প্ৰচলিত হোৱা নাই।

## *ৰাধা পুখুৰীঃ*

এই পুখুৰী বৰ্তমান নাৰায়ণপুৰৰ সাউকুছি গাঁৱত অৱস্থিত। প্ৰবাদ আছে যে- এই পুখুৰী ৰজা লক্ষ্মীনাৰায়ণে পত্নী 'ৰাধাৰ' নামত ১৪০০-১৫০০ খ্ৰীঃ ত খন্দোৱাইছিল। আন কিছু লোকে ক'ব খোজে যে –'ৰাণী সৰ্বেশ্বৰী' ৰ দিনত এই পুখুৰী খন্দোৱা হৈছিল। এই পুখুৰীটো আধা খন্দোৱা হোৱা বাবে ইয়াক পূৰ্বতে 'আধা-পুখুৰী' বুলি কোৱা হৈছিল। পিছলৈ ই "ৰাধা-পুখুৰী" লৈ পৰ্য্যবসিত হ'ল।

বৰ্তমান এই পুখুৰীটো মৎস্য পালনৰ বাবে অসম চৰকাৰে ব্যৱহাৰ কৰি আহিছে। না না পক্ষীয়ে এই পুখুৰীৰ সৌন্দৰ্য বৰ্ধন কৰি সোণত শুৱগা চৰাইছে ।

## *একাদহীয়া পুখুৰীঃ*

নাৰায়ণপুৰৰ ধলপুৰ মৌজাৰ অন্তৰ্গত কচুৱা অঞ্চলৰ নিচেই ওচৰতে একাদহীয়া পুখুৰী অৱস্থিত। প্ৰবাদ আছে যে– এজন ব্ৰাহ্মণ গুৰু তেওঁৰ নাম 'একাদশী'। তেওঁ ধলপুৰ মহকুমাৰ মাজগাঁও অঞ্চলত বসবাস কৰিছিল আৰু তেওঁৰ নামেৰেই এই পুখুৰীৰ নামাকৰণ কৰা হয়। এই পুখুৰীটো 'বৰ পুখুৰী' নামেৰেও প্ৰসিদ্ধ। জনশ্ৰুতি অনুসৰি, পূৰ্বতে এই পুখুৰীটোৰ মহিমা অদ্ভুত আছিল। সেই অনচলৰ মানুহৰ ঘৰত যদি সবাহ বা বিয়া থাকে, তেন্তে আগদিনা এই পুখুৰীটোৰ ওচৰলৈ গৈ কৈ আহিলেই হয়। পিছৰ দিনা সবাহ বা বিয়াত লগা লাগতিয়াল সামগ্ৰী যেনে– বাচন–বৰ্তন সমূহ এই পুখুৰীৰ পাৰত দেখা যায়। কোনো লোকে এই সামগ্ৰী সমূহ নি ঘূৰাই নিদিয়াত ইয়াৰ কালিকা বৰ্তমান নোহোৱা হৈ গৈছে।

নাৰায়ণপুৰ অঞ্চলৰ ঐতিহ্য ইতিহাসৰ বুকুত সদায় জিলিকি থাকিব তাক কোনোৱে নুই কৰিব নোৱাৰে।

## *0.0২ নৱবৈষ্ণৱ ধৰ্মৰ মূল সুঁতি 'নামঘৰ' আৰু 'সত্ৰ'ঃ*

শব্দৰ বুৎপত্তিৰ পৰা চাবলৈ গ'লে 'সৎ' শব্দৰ পৰাই 'সত্ৰ' শব্দৰ উৎপত্তি হৈছে। অসমীয়া অভিধান হেমকোষৰ মতে– সত্ৰ হৈছে নৱ বৈষ্ণৱ কালৰ পণ্ডিত সকলৰ লগতে ভকত, মহন্ত, গোঁসাই প্ৰভু সকলৰ উপাসনাৰ স্থান। কোনো কোনো পণ্ডিতৰ মতে, সত্ৰ বা নামঘৰ এনে এটি

অনুষ্ঠান যিয়ে অসমীয়া সমাজক নৱ ৰূপ আৰু পুনৰ অভ্যুত্থান হোৱাত সহায় কৰিছে। মহাপুৰুষ শ্ৰী শ্ৰী শংকৰ দেৱৰ ধৰ্ম প্ৰচাৰৰ আদি কালত সত্ৰৰ উৎপত্তি হয়। বৈষ্ণৱ আন্দোলনৰ সময়ত এই সত্ৰ সমূহ এটি ধৰ্মীয় অনুষ্ঠান স্বৰূপহে আছিল, য'ত ভাগৱত চৰ্চা আৰু বাখ্যা হৈছিল। সময় পৰিৱৰ্তনশীল! সময়ৰ পৰিৱৰ্তনৰ সোঁতত এই ধৰ্মীয় অনুষ্ঠান সমূহেই নামঘৰ আৰু মণিকূট গঠন প্ৰক্ৰিয়ালৈ পৰ্য্যবসিত হৈছিল। শংকৰদেৱে তেওঁৰ জন্ম স্থান বৰদোৱাত প্ৰথম খন সত্ৰ স্থাপন কৰিছিল। নতুনকৈ ধৰ্ম প্ৰচাৰ কৰা ঠাইত তেওঁ 'প্ৰাৰ্থনা গৃহ' অৰ্থাত 'হৰি গৃহ' স্থাপন কৰিছিল, যি পিছলৈ সাংস্কৃতিক কেন্দ্ৰৰ ৰূপ লৈছিল। ইয়াক থান বুলি কোৱা হয়। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ধৰ্ম প্ৰচাৰ কৰোঁতে তেওঁ ঠায়ে ঠায়ে 'থান' স্থাপন কৰিছিল। মহাপুৰুষ শংকৰ দেৱৰ প্ৰধান শিষ্য শ্ৰী শ্ৰী মাধৱ দেৱে বৰপেটাত স্থাপন কৰা 'থান' খনেই আছিল সৰ্ব বৃহৎ। মাধৱদেৱে একশৰণ নাম ধৰ্ম প্ৰচা্ৰৰ দায়িত্ব ন্যস্ত কৰা বাৰ(১২)জন মুখ্য শিষ্যইও অসমৰ ভিন ভিন ঠাইত 'থান' স্থাপন কৰে। এই 'থান' বোৰেই কালক্ৰমত বৈষ্ণৱ ধৰ্মৰ প্ৰাণ কেন্দ্ৰ স্বৰূপ 'সত্ৰ' নামেৰে প্ৰসিদ্ধ হয়।

শংকৰী স্ংস্কৃতিৰ মূল সুঁতি বা উপাদান হ'ল –'নামঘৰ' আৰু 'সত্ৰ'। শংকৰদেৱৰ আগৰ সময়ছোৱা অৰ্থাত প্ৰাক শংকৰী যুগত অসমত বাস কৰা বৌদ্ধ সকলৰ বৌদ্ধ বিহাৰৰ অস্তিত্ব আছিল। এই বৌদ্ধ বিহাৰ সমূহৰ দৰে নামঘৰ বোৰ দেখাত প্ৰায়ে একে। শংকৰ দেৱে এই 'নামঘৰ' সমূহক বহুমুখী অনুস্থানলৈ পৰিণত কৰিছিল। নামঘৰত বিশেষকৈ ধৰ্মীয় উপাসনাৰ উপৰিও গাঁৱৰ সকলো সমস্যাৰ বিষয়ে আলোচনা কৰা হয়। একোটা নামঘৰক কেন্দ্ৰ কৰি গঠিত হয় একোখন সমাজৰ। অসমৰ প্ৰতিখন গাঁৱতে প্ৰা্য়েই একোটা নামঘৰ দেখা যায়। কিন্ত্তু বৰ্তমান একে

খন গাঁৱতে দুটা নামঘৰ পৰ্য্যন্তও পৰিলক্ষিত হয়। ইয়াৰ কাৰণ হৈছে মানুহৰ মাজত সৃষ্টি হোৱা ১১ দিনীয়া, ১৫দিনীয়া খেল। নামঘৰ সমূহ যিহেতু সৃষ্টিৰ কঠিয়াতলী সেয়েহে ইয়াত ভাওনা অনুষ্ঠিত হোৱা দেখা যায় আৰু লগতে গায়ন বায়নেৰে মুখৰিত এটি পৰিৱেশ বিৰাজমান।

ভাৰতীয় সংস্কৃতিত 'সত্ৰ' শব্দটো নতুন নহয়। শ্ৰীমদ্ভাগৱততে 'ব্ৰহ্ম-সত্ৰ' আৰু 'কৰ্ম-সত্ৰ' নামৰ দুবিধ সত্ৰৰ উল্লেখ আছে। বৌদ্ধ বিহাৰ সমূহৰ কৰ্ম পদ্ধতিৰ লগত অসমৰ 'সত্ৰ' সমূহৰ উদ্দেশ্যৰ কিছু সামঞ্জস্য আছে। 'ব্ৰহ্মসত্ৰ'ত ৰজা আৰু শ্ৰোতা সমানে বহি 'ব্ৰহ্ম' সম্পৰ্কে আলোচনা কৰে। গুৰু-শিষ্যৰ ভিন্নতা এই সত্ৰ সমূহত দেখা পোৱা নাযায়। শংকৰদেৱে অসমত সত্ৰৰ ধাৰণা স্থাপন কৰিবৰ সময়ত ভাগৱতৰ এই 'ব্ৰহ্ম সত্ৰ'ৰ নিদৰ্শন প্ৰধান ভাৱে গ্ৰহণ কৰিছিল। সেয়েহে শংকৰ গুৰু জনাই সকলো জাতি জন জাতিক একলগ কৰি সত্ৰ সমূহত ধৰ্মৰ দীক্ষা দিছিল। তেওঁৰ ধৰ্মৰ পৰা মুছলমানৰ চান্দসাই আৰু গাৰোৰ গোবিন্দও বাদ পৰা নাছিল।

## ***'সত্ৰ' নামৰ উৎপত্তিঃ***

"সত্ৰ" শব্দটো প্ৰথমে 'শতপথ ব্ৰাহ্মণত আহুতি' বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল। অসমৰ নৱ বৈষ্ণৱ ধৰ্মৰ ক্ষেত্ৰত শংকৰ দেৱে ধৰ্ম প্ৰচাৰৰ অৰ্থে কিছুকাল থকা স্থান সমূহকেই 'সত্ৰ' বুলি জনা যায়। শংকৰ দেৱৰ পিছৰ যুগত আন আন বৈষ্ণৱ গুৰু সকলে বৰদোৱা, বেলগুৰি, বৰপেটা, আদিক 'সত্ৰ'ৰ সলনি 'থান' বুলি অভিহিত কৰিলে। গদ্য সাহিত্যৰ জনক বৈকুণ্ঠ নাথ ভাগৱত ভটাচাৰ্য্য অৰ্থাৎ ভট্ট দেৱৰ মতে, সত্ৰ হৈছে এনেকুৱা এডোখৰ উচ্চ স্থান য'ত সাধু-সন্ত বা ভক্ত সকলে ধৰ্মীয় আলোচনা কৰে বা ভগৱানক সন্তুষ্ট কৰাৰ বাবে কাৰ্য্য সম্পাদন

কৰে আৰু নৰধা ভক্তিৰ দ্বাৰা আপ্লুত হৈ সকলোৱে হৰি নামত ডুব গৈ থাকে। শ্ৰী মহেন্দ্ৰ নাথ শৰ্মা শাস্ত্ৰীয়ে "শ্ৰী শ্ৰী দামোদৰ দেৱ আৰু তোমাৰ ধৰ্ম প্ৰচাৰ" নামৰ গ্ৰন্থত সত্ৰ শব্দৰ অৰ্থ এইদৰে উল্লেখ কৰিছে যে- সত্ৰৰ অৰ্থ 'সতঃ(ভক্তান) ত্ৰায়তে' অত্ৰ ইতি সত্ৰঃ। অৰ্থাৎ যি স্থানত সংসাৰ ভয়ৰ পৰা ভগৱদ ভক্ত, সাধু সন্তক ত্ৰাণ কৰে সেই স্থানেই সত্ৰ।

যি সময়ত অসমত নৱবৈষ্ণৱ ধৰ্মৰ ধৰ্মাচাৰ্য্য শংকৰ দেৱ আৰু মাধৱ দেৱে অধিপত্য প্ৰ্তিষ্ঠা কৰিছিল একে সময়তে ভাৰতবৰ্ষৰ প্ৰায় বোৰ স্থানতে বিভিন্ন জন ধৰ্ম গুৰুৱে ধৰ্ম প্ৰচাৰ কৰি সেই সময়ৰ ভাৰত বৰ্ষৰ নাগৰিক সকলক ধৰ্মৰ প্ৰ্তি জাগৃত কৰি তুলিছিল। এখন একশৰণ ভাগৱতী ধৰ্ম প্ৰচাৰৰ অৰ্থেই সত্ৰ সমূহ স্থাপন কৰা হৈছ্লি। এই সত্ৰ সমূহত বিভিন্ন পদবী বিৰাজমান। এই পদবী সমূহ ক্ৰ্মান্বয়ে তলত উল্লেখ কৰা হ'ল------

এখন সত্ৰৰ কাম কাজ পৰিচালনা কৰে সত্ৰাধিকাৰ আৰু তেওঁৰ সহকাৰী সকলে।

***সত্ৰাধিকাৰঃ*** সত্ৰাধিকাৰ হ'ল সত্ৰ এখনৰ ধাৰ্মিক আৰু আধ্যাত্মিক দিশৰ মুৰব্বী। দী্ক্ষা গ্ৰহণৰ অনুষ্ঠান 'শৰণ' আৰু 'ভজন' এওঁৰ প্ৰত্যক্ষ তত্ত্বাৱধানত অনুষ্ঠিত হয়। এওঁক "সতৰীয়া" বা "মহন্ত" বুলি কোৱা হয়।

***ডেকা অধিকাৰঃ*** ক্ষমতা আৰু সন্মানৰ ক্ষেত্ৰত সত্ৰাধিকাৰৰ পিছতে ডেকা অধিকাৰৰ স্থান। অধিকাৰৰ মৃত্যু নাইবা অধিকাৰৰ অনুপস্থিতিত ডেকা অধিকাৰেই সত্ৰৰ দায়িত্বভাৰ গ্ৰহণ কৰে।

***ভকতঃ*** সত্ৰৰ কাম-কাজ পৰিচালনাত সহযোগ কৰা বা সত্ৰৰ চৌহদত বসবাস কৰা ভকত সকলক সম্পূৰ্ণ অৰ্থত 'ভকত' বুলি কোৱা

হয়। এই ভকত সকল অবিবাহিত সেয়েহে এওঁ লোকক "কেৱলীয়া ভকত" বুলি কোৱা হয়।

***শিষ্যঃ*** সত্ৰৰ আন আন ভকত সকলক শিষ্য বুলি কোৱা হয়।

এই সমূহৰ উপৰিও ডাঙৰ ডাঙৰ সত্ৰত আৰু কিছুমান পদবী আছে। সেই সমূহ হ'ল---

১) বৰ ভাগতী

২) বৰ শৰাৱণী

৩) বৰ পাঠক

৪) বৰ নাম লগোৱা

৫) বৰ গায়ন

৬) বৰ বায়ন

৭) বৰ ভাণ্ডাৰী

৮) চাউল-ভঁৰালী

৯) গুৱা-ভাণ্ডাৰ

১০) বৰ আলধৰা

১১) বৰ কাকতী

১২) বৰ মেধি

১৩) বৰ খাটনিয়াৰ

এই সত্ৰ সমূহত যদিও পিতৃৰ পিছতে পুত্ৰৰ স্থান তথাপি নিজৰ পুত্ৰৰ বিপৰীতে গুণী-জ্ঞানী মাধৱদেৱকহে শংকৰ দেৱে ধৰ্মৰ দায়িত্ব অৰ্পন

কৰিছিল। অসমৰ সত্ৰ সমূহত নিয়মীয়াকৈ নামপ্ৰসংগ কৰা হয় আৰু লগতে ধৰ্ম–চৰ্চা, নাট–ভাওনা আদিও অনুষ্ঠিত হয়। শংকৰদেৱ, মাধৱদেৱ আৰু তেওঁলোকৰ শিষ্য সকলে অসমৰ প্ৰৱিত্ৰ ভূমিত বহুতো সত্ৰ গঢ়ি তুলিছিল। কিছুমান সত্ৰ আকৌ পাবতে গজি উঠিছিল। এই পাবতে গজি উ্ঠা সত্ৰ সমূহেও মহাপুৰুষীয়া পৰম্পৰা্ৰ ধাৰাটো অক্ষুন্ন্ ৰখাৰ চেষ্টা কৰিছে। মহাপুৰুষ শংকৰদেৱৰ তিৰোভা্ৱৰ আগলৈকে নৱ বৈষ্ণৱ ধৰ্মৰ ভিতৰত কোনো সংহতি বা সম্প্ৰদায়ৰ আৱিৰ্ভাৱ হোৱা নাছিল। কিন্ত্তু মহাপুৰুষৰ তিৰোভাৱৰ পিছ্তহে নৱ বৈষ্ণৱ ধৰ্মত চাৰিটা সংহতিৰ আৱিৰ্ভাৱ হ'ল। এই চাৰিটা সংহতি ক্ৰমে– ব্ৰহ্ম সংহতি, নিকা সংহতি, পুৰুষ সংহতি, আৰু কাল সংহতি। এই স্ংহতি সমূহ সৃষ্টি কৰিছিল শংকৰোত্তৰ কালৰ ভকত সকলে ।বৰ্তমান সত্ৰ সমূহৰ প্ৰত্যেক খনেই একোটা সংহতিৰ অন্তৰ্ভুক্ত।

## ০.০৩ বদলা সত্ৰৰ ভৌগোলিক অৱস্থিতি, চাৰিসীমা, আৰু মাটিকালিঃ

শ্ৰী শ্ৰী বদলা সত্ৰ নাৰায়্ণপুৰ অঞ্চলত অৱস্থিত। নাৰায়্ণপুৰৰ ভৌগোলিক স্থানাংক ২৬ ৫৯ ৪৭ উত্তৰ আৰু ৯৩ ৫৩ ৪৯ পূব। নাৰায়ণপুৰৰ অক্ষাংশ ২৬.৯৯৬৩৯ উত্তৰ আৰু দ্ৰাঘিমাংশ ৯৩.৮৯৬৯৪ পূব। এই নাৰায়্ণপুৰ জিলা সদৰ উত্তৰ লখিমপুৰৰ পৰা প্ৰায় ৫৪ কিঃ মিঃ পশ্চিমে অৱস্থিত। নাৰায়্ণপুৰৰ পূবে বিহপুৰীয়া, উত্তৰে বান্দৰ দেৱা, পশ্চিমে গহপুৰ, আৰু দক্ষিণে মহাবাহু ব্ৰহ্মপুত্ৰ। বদলা সত্ৰ খন ১৫ নং ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা ১ কিঃ মিঃ উত্তৰ–পশ্চিমত অৱস্থিত।

বৰ্তমান সত্ৰখন অৱস্থিত হৈ থকা মাটিকালি ১৩ বিঘা । সত্ৰৰ ৪৮ বিঘা মাটি মাধৱদেৱ কলাক্ষেত্ৰলৈ দান কৰা হয় আৰু ১১ বিঘা মাটিত খেতি-বাতি কৰা হয়। এই খেতিৰ ধানেৰে ভকত সকলে খোৱা-বোৱা কৰে।

### *যোগাযোগঃ*

নাৰায়ণপুৰৰ মাজেৰে যোৱা ১৫ নং ৰাষ্ট্ৰীয় ঘাই পথেৰে জিলা সদৰ লখিমপুৰ ৫৪ কিঃ মিঃ। ৰাজ্যিক সদৰ গুৱাহাটী ৩৩৭ কিঃ মিঃ। কাষৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ ৰাজধানী ইটানগৰ প্ৰায় ৫০ কিঃ মিঃ । উত্তৰ লখিমপুৰ আৰু গুৱাহাটী উত্তৰ-পূব সীমান্ত ৰে্লৱেৰেও সংযুক্ত। তাতিবাহাৰ ইয়াৰ নিকটৱৰ্তী ৰেল আস্থান। লীলাবাৰী বিমান বন্দৰ ইয়াৰ পৰা প্ৰায় ৫৮ কিঃ মিঃ দূৰত্বত।

### *০.০৪ বদলা সত্ৰৰ চমু ইতিহাস আৰু বদলা পদ্ম আতাৰ চমু পৰিচয়ঃ*

শ্ৰী শ্ৰী পদ্ম আতাৰ পূৰ্ব পুৰুষ সকল শদিয়াৰ বিষুত পুৰুষ আছিল। অৰ্থাত  তেওঁলোক অতি আঢ্যৱন্ত লোক আৰু সৎ তথা প্ৰৱিত্ৰৱান মনৰ অধিকাৰী আছিল। তেওঁলোক  কেৱল ৰূপ-গুণৰ ফালৰ পৰাই নহয়, বিদ্যা-বুদ্ধি, সৎ-সাহসী, বাহুবলী আৰু যুদ্ধ-বিদ্যাত পাৰ্গত আছিল। তেওঁলোকৰ আদি পুৰুষ জনাৰ নাম আছিল 'লৱ'। 'লৱ' ৰ দুই পুত্ৰ ক্ৰমে - 'তিতা-চোমদাৰ' আৰু 'চম্পাচোমদাৰ' । তেওঁলোক সুদূৰ শদিয়াৰ পৰা আহি বৰ্তমানৰ লখিমপুৰ জিলাৰ নাৰায়ণপুৰ অঞ্চলৰ 'শক্ৰাহী' অঞ্চলত বসবা্স কৰিছিল। সেই সময়ত 'শক্ৰাহী' অ্ঞ্চলৰ নাম

'সাউকুছী' আছিল। এই তিতাচোমদাৰৰ ঔৰষত মাতৃ সত্যাৰ গৰ্ভত ১৪৬৮ শকৰ শুক্লা একাদশী তিথি শুকুৰবাৰে শ্ৰী শ্ৰী পদ্ম আতাৰ জন্ম হয়। এওঁৰ জন্মৰ বৃত্তান্ত দীননাথ বেজবৰুৱাৰ বৰচৰিতত এনেদৰে আছে–

"চৈধ্যশ আঠষষ্ঠি শক জেষ্ঠ মাসৰ ।
শুক্লা একাদশী তিথি শুকুৰবাৰৰ।।
নানা সুমংগল ভৈল পূৰ্ণ দশমাস।
সেহি সময়ত আতা ভৈলন্ত প্ৰকাশ।।"

শ্ৰী শ্ৰী পদ্ম আতাৰ দহটা নাম পোৱা যায়। সেই সমূহ হৈছে--- লৱনাতি, হৰিৰপো, কমলাকান্ত, উজনীয়া বাপু, বাপুধৰ, বদলা পদ্ম, আতা, গৃহস্থ, বুপাই আৰু আমুকাই।

মধ্যযুগৰ নাৰায়ণপুৰক এখন "দেশ' বুলি অভিহিত কৰা হৈছিল। মহাপুৰুষ মাধৱদেৱ, বদলা পদ্ম আতা, ৰুচীনাথ কন্দলী, অনিৰুদ্ধ, আদিৰ উক্তিৰ পৰা এই কথা প্ৰমাণিত হৈছে। শদিয়াৰ পৰা যি সকল ভূঞা গংগাৰ পাৰ, টেম্বুৱানী আদিত বাস কৰি শেষত নাৰায়্ণপুৰত পদাপৰ্ণ কৰিছিল তেওঁলোকৰ ১২ ঘৰ প্ৰধান ভূঞা হ'ল------ আতৈ ভূঞা, শকাই, উজীৰ, লস্কৰ, চোমদাৰ, সনাতন, কেহোঁ, ৰামভট্ট, ভকত, তমাই, ৰায়, আৰু কৌশিক। এওঁ লোকৰ উপৰিও বহুতো 'সৰুমূৰীয়া ভূঞা' নাৰায়্ণপুৰলৈ অহাৰ কথা ইতিহাসত সন্নিৱিষ্ট হৈ আছে। এই ভূঞা সকলৰ প্ৰায় খিনিয়েই 'সাউকুছী' অঞ্চলত বসবাস কৰিছিল। এওঁ লোকৰ ভিতৰত শকৰাই ভূঞাৰ ভেঁটিটো কালক্ৰমত ''শক্ৰাহী ভেঁটি" আৰু ক্ৰমে "শক্ৰাহী গাওঁ" বুলি পৰিচিত হয় [শকৰায় শকৰায়ী শকৰাহী

শক্রাহী] বদলা পদ্ম আতাৰ সময়ত গাওঁ খনৰ নাম 'সাউকুছী' বুলি চৰিত পুথিত আছে। মাধৱদেৱে যেতিয়া তেওঁক প্ৰথম পৰিচয় সুধিছিল আতাই তেতিয়া নিজস্ব পৰিচয় এনেদৰে দিছিল বুলি উত্তৰ কমলাবাৰী সত্ৰৰ ইতিবৃত্তত উল্লেখ আছে----

" শুনিয়া গুৰুৰ আগে আতা কহিলন্ত।
আমাৰ উপৰি তিতা চোমদাৰ বোলন্ত।।
নাৰায়ণপুৰ দেশ সাউকুছী গ্ৰাম।
গুৰুৰ আগত হেন কহিলন্ত নাম।।"

আতাৰ জীৱন কালত ঠাইখনে 'শক্ৰাহী' নাম পালে আৰু আতা পুৰুষৰ পিতৃ ভেঁটিটো শক্ৰাহী গাঁৱৰ কেন্দ্ৰ বিন্দুত পৰিণত হ'ল।

শ্ৰী শ্ৰী পদ্ম আতা সৰু কালৰ পৰা ভাগৱত প্ৰেমত আপ্লুত আৰু একনিষ্ঠ হৈ পৰিছিল। ভগৱত প্ৰেমৰ অফুৰন্ত নিৰ্দশন দাঙি ধৰাৰ বাবেই তেওঁৰ জেষ্ঠ্য ভ্ৰাতৃ শংকৰ দাসে তেওঁক নানা দুখ-কষ্ট দি আলৈ-আথানি নোহোৱা কৰিছিল। নিজৰ ঘৰতে এনে দুখ-কষ্ট দেখা পাই তেওঁৰ মনৰ ভাৱৰ কিন্তু পৰিৱৰ্ত নহ'ল। পাৰিবাৰিক জীৱনৰ সুখ-দুখ ত্যাগী ধ্যানমগ্ন যোগীৰ দৰে লগৰ সমনীয়া সাতজন বালকক লগত লৈ হৰিৰ লীলা শ্ৰৱণ-কীৰ্তন কৰি 'স্থিতপ্ৰজ্ঞ' হোৱাৰ প্ৰয়াস কৰিছিল।

শ্ৰী শ্ৰী পদ্ম আতা ঈশ্বৰ প্ৰদত্ত । তেওঁ ধ্ৰুৱ বুদ্ধৰ দৰে ত্যাগী। ককায়েকৰ কটু কথা আৰু ব্যৱহাৰে তেওঁৰ অন্তৰাত্মাত আঘাত হানিছিল। শৰ বিদ্ধ পখীৰ দৰে তেওঁৰ হৃদয়ে অসহ্য বেদনাত চটফটাবলৈ ধৰিছিল।

সেয়েহে তেওঁ শক্রাহী ত্যাগ কৰি মকালগুৰি, হাঠীয়াল, হৰি পুখুৰী, ফুলনি, ৰিহানী, চেচুকা, কৰদৈগুৰি, কেছেৰুগুৰি, দেবেৰাপাৰ, ৰঘুগুৰি, হমৰা, কলানি, পচতীয়া, আদি ২৪ ঠাইত বসতি কৰি ধৰ্ম চৰ্চা কৰিব লগা হৈছিল। তেওঁ এই ২৪ খন সত্ৰ স্থাপন কৰি ২৪ খন বৈকুণ্ঠৰো সৃষ্টি কৰিছিল। এই সমূহৰ বিষয়ে বদলা সত্ৰৰ পৰা ওলোৱা স্মৃতি গ্ৰন্থত উল্লেখ পোৱা গৈছে। তলত ক্ৰমে এই সত্ৰ সমূহৰ উল্লেখ কৰা হ'ল---

শ্ৰী শ্ৰী ফুলনি থান-------------- সত্য বিলাস বৈকুণ্ঠ

শ্ৰী শ্ৰী শক্ৰাহী জন্মস্থান----------- ব্ৰহ্ম বিলাস বৈকুণ্ঠ

শ্ৰী শ্ৰী বদলা সত্ৰ--------------- নাম পংকজ বৈকুণ্ঠ

শ্ৰী শ্ৰী কলাণী ভেঁটি------------- অম্বৰ বিলাস বৈকুণ্ঠ

শ্ৰী শ্ৰী হুমৰা থান-------------- কনক বিলাস বৈকুণ্ঠ

শ্ৰী শ্ৰী হৰি পুখুৰী-------------- শান্তনু বিলাস বৈকুণ্ঠ

শ্ৰী শ্ৰী পচতিয়া ভেঁটি------------ ঈশা বিলাস বৈকুণ্ঠ

শ্ৰী শ্ৰী মকালগুৰি থান ---------- পদ্ম বিলাস বৈকুণ্ঠ

শ্ৰী শ্ৰী ৰঘুগুৰি ভেঁটি------------ মুকুট বিলাস বৈকুণ্ঠ

শ্ৰী শ্ৰী কেচেৰু তল-------------- নীল বিলাস বৈকুণ্ঠ

শ্ৰী শ্ৰী দেবেৰাপাৰ ভেঁটি----------- নামধ্বজ বিলাস বৈকুণ্ঠ

শ্ৰী শ্ৰী চেচুকা ভেঁটি-------------- নিৰাকাৰ বিলাস বৈকুণ্ঠ

শ্ৰী শ্ৰী হাতীশাল ভেঁটি------------- ৰত্ন বিলাস বৈকুণ্ঠ

শ্ৰী শ্ৰী সাধুৰ ভেঁটি--------------- নিৰ্গুণ বিলাস বৈকুণ্ঠ

শ্ৰী শ্ৰী চুখানি বাসুদেৱৰ ভেঁটি--------- প্ৰেয়স বিলাস বৈকুণ্ঠ

শ্ৰী শ্ৰী কৰুণাময় ভেঁটি-------------- মৰকত বিলাস বৈকুণ্ঠ

শ্ৰী শ্ৰী চকলা ভেঁটি--------------- চন্দ্ৰ বিলাস বৈকুণ্ঠ

শ্ৰী শ্ৰী বালি নাৰায়্ণ ভেঁটি----------- শ্বেত বিলাস বৈকুণ্ঠ

শ্ৰী শ্ৰী পোতোকা খোৱা ভেঁটি---------- পুষ্প বিলাস বৈকুণ্ঠ

শ্ৰী শ্ৰী ধলপুৰ ভেঁটি---------------- নিত্যানন্দ বিলাস বৈকুণ্ঠ

শ্ৰী শ্ৰী মুদৰী ভেঁটি-------------- ৰণ্জন বিলাস বৈকুণ্ঠ

শ্ৰী শ্ৰী বিলাহী ভেঁটি------------- চিদানন্দ বিলাস বৈকুণ্ঠ

শ্ৰী শ্ৰী কমলাবাৰী ভেঁটি----------- নামপূৰ্ণ বৈকুণ্ঠ।

শ্ৰী শ্ৰী পদ্ম আতাই নাৰায়্ণপুৰৰ হৰি পুখুৰী পাৰত বসবা্স কৰোঁতে 'জয়ভাৰতী' টোলত শাস্ত্ৰ অধ্যয়্ণ কৰিছিল। প্ৰবাদ আছে যে, পদ্ম আতাই 'ভক্তি ৰত্নাৱলী' শাস্ত্ৰ ভাগ পঢ়ি সম্পূৰ্ণ কৰি শাস্ত্ৰ খনৰ এটা আৰ্হি লিখি থোৱাৰ মানসেৰে সাঁচিপাতত মহিৰে মাত্ৰ আঢ়েটি পদ লিখোতেই মহাপুৰুষ মাধৱদেৱৰ আজ্ঞা মতে কেশৱ আতা আহি তেওঁৰ কাষত উপস্থিত হৈ আতাই কি শাস্ত্ৰ লিখিছে সুধিলে? তাৰ উত্তৰত পদ্ম আতাই ৰত্নাৱলী শাস্ত্ৰভাগ লিখা বুলি ক'লে। তেতিয়া ভাটৌকুছিৰ কেশৱচৰণ আতাই আৰ্হি ভাগ শুদ্ধ নোহোৱাৰ কথা কোৱাৰ লগতে পদ কিছু ভূল হোৱাৰ কথাও ব্যক্ত কৰিলে। তেতিয়া পদ্ম আতাই শুদ্ধ আৰ্হি ক'ত পোৱা যাব বুলি প্ৰশ্ন সোধাত কেশৱ আতাই উত্তৰত- যিজনে ৰত্নাৱলী পুথি ভাগ প্ৰণয়ন কৰিছে তেৱেঁই পদ্ম আতাক নিবলৈ পঠিয়াইছে বুলি ক'লে। এই

কথা শুনি পদ্ম আতাই হাততে স্বৰ্গ ঢুকি পোৱাৰ দৰে হ'ল আৰু লিখা সামৰি গুৰু জনাৰ চৰণ চিন্তিলে।

সেই সময়ত নাৰায়ণপুৰৰ বৰমূৰীয়া সকল যেনে- পুৰুষোত্তম বৰুৱা, তমাই ৰাজখোৱা, কেঁহো হাজৰিকা, আদি লোক সকলক পদ্ম আতাৰ পথ প্ৰদৰ্শন কৰিবলৈ আৰু আতাৰ গুৰু দৰ্শনৰ ভাৱ ব্যক্ত কৰিবলৈ মাতি অনা হ'ল। তেওঁলোকৰ বুদ্ধি আৰু পৰামৰ্শ অনুযায়ী পদ্ম আতা গুৰু জনাৰ ওচৰলৈ যাবলৈ ওলাল। কেশৱ চৰণ আতা, বনমালী কটকী, পদ্ম আতা, পদ্ম আতাৰ ভতিজাক জগন্নাথচৰণ, যদুমণি আতৈ, লোগুটি দামোদৰ আতৈৰ সৈতে ড়িব্ৰুং নৈৰ ঘাটেৰে বনমালী কটকীৰ নাঁৱেৰে যাত্ৰা আৰম্ভ কৰিলে।

এনেদৰে গৈ গৈ তেওঁলোকে 'ৰামদিয়া' [হাজো] পালে। 'ৰামদি্য়া' পাই জানিব পাৰিলে যে – মাধৱদেৱ গুৰুজন 'ভেলা' [মধুপুৰ] থানতহে আছে। তেওঁলোকে তাত অলপো পলম নকৰি 'ভেলা' থানলৈ গতি কৰিলে। তেওঁলোকৰ নাওঁ 'চৌকি ঘাট' ত ৰখালে আৰু জগন্ন্াথচৰণক লগত লৈ কেশৱ আতা গুৰু জনৰ ওচৰলৈ গ'ল। পদ্ম আতা অহাৰ কথা জানি গুৰু জনাই কেই খোজ মান আগুৱাই আহি পদ্ম আতাক আগবঢ়াই নিলে আৰু কীৰ্তন ঘৰত বহিবলৈ দি পদ্ম আতাৰ বংশ পৰিচয় জানিব বিচাৰিলে। বৰ বেছি বাহুল্য নকৰি পদ্ম আতাই মাধৱদেৱক ক'লে- "আমাৰ কেও কিছু নাই আমি অকলেহে মাত্ৰ"।

পদ্ম আতাৰ অন্তৰত লুকাই থকা ঘৰুৱা সমস্যা তথা দুখ বোৰ তেওঁ কেতিয়াও প্ৰকাশ কৰা নাছিল। গুৰু জনাৰ চৰণ সেৱা লাভ কৰাই পদ্ম আতাৰ একমাত্ৰ উদ্দেশ্য আছিল। মাধৱ দেৱে পদ্ম আতাক ভেলা থানতে থকাৰ দিহা কৰি দিছিল। গুৰুজনাই প্ৰথমেই তেওঁক এভাগ

গুৰু দায়িত্ব অৰ্পন কৰিছিল। শংকৰদেৱৰ অস্থি গংগাত অৰ্পণ কৰিবলৈ পদ্ম আতাক দায়িত্বভাৰ দিয়া হৈছিল। শংকৰ দেৱৰ অস্থি গংগাত অৰ্পণ কৰি উভতি আহোতে মাধৱদেৱে পদ্ম আতাক নিৰীক্ষণ কৰি তেওঁৰ শৰীৰত মহৎ পুৰুষৰ লক্ষণ সমূহ দেখা পাইছিল। মাধৱদেৱৰ ওচৰত পদ্ম আতাই শৰণ ভিক্ষা খুজিলে। মাধৱ দেৱে উপযুক্ত পুৰুষ পদ্ম আতাক শৰণ দি ধৰ্ম বস্তুতু প্ৰদান কৰিছিল। পদ্ম আতা মাধৱদেৱৰ ওচৰত মাত্ৰ সাত দিনহে আছিল। এই সাত দিনতে ধৰ্মৰ সকলো শিক্ষা গুৰুজনাই তেওঁক দিছিল।

সাতদিনৰ পিছত পদ্ম আতাক উজনিলৈ গৈ ধৰ্ম প্ৰচাৰ কৰিবলৈ মাধৱদেৱ গুৰু জনাই আজ্ঞা দিছিল। আতা উজনিলৈ গ'লে লোক সকলৰ নিস্তাৰ হোৱাৰ কথাও গুৰুজনাই ব্যক্ত কৰিছিল। মাধৱ দেৱৰ বদলেৰে অৰ্থাত সলনি হৈ উজনিলৈ যোৱাৰ বাবে পদ্ম আতাৰ নাম বদলা "পদ্ম আতা'' হ'ল। উত্তৰ কমলাবাৰী সত্ৰৰ ইতিবৃত্ত ত এনেদৰে উল্লেখ আছে----

"মাধৱ বদতি তুমি শুনা পদ্মকান্ত।
তুমিসে মোহোৰ জানা ভকত একান্ত।।
তুমি গুৰু হৈয়ে লাগে জীৱ তাৰিবাক।
সেহিসে কাৰণে আমি আনিলো তোমাক।।
সেহি হেতু তুমি আমাৰ গাঁৱৰ বদলা।
ধৰ্ম প্ৰকাশিতে লাগি উজানক চলা।।"

এই খিনি কথা কোৱাৰ পিছতে গুৰুজনাই বদলা আতাক শংকৰদেৱ গুৰুজনাই দি যোৱা এযোৰ মঞ্জিৰা তাল, এধাৰি তুলসীৰ মালা অৰ্পণ কৰিছিল। মাধৱদেৱে বদলা আতাক শংকৰদেৱ

গুৰুজনাৰ ধৰ্ম ৰাজ্য ভাগ তিনিটি খণ্ডত বিভক্ত হোৱাৰ কথাও কৈছিল। প্ৰথম ভাগত বৰনদীৰ পৰা ব্ৰহ্মকুণ্ডলৈ এই উজান ৰাজ্যৰ ধৰ্মাচাৰ্য্য পতা হৈছিল পদ্ম আতাক, আকৌ সোণকোষৰ পৰা বৰনদীলৈ মাজৰ খণ্ড মঠুৰা দাস বুঢ়া আতাক ধৰ্মাচাৰ্য্য পতা হৈছিল, কৰতীয়াৰ পৰা সোণকোষলৈ এই পশ্চিম অঞ্চল মাধৱ দেৱৰ এই কথা খিনিও পদ্ম আতাক গুৰুজনাই ব্যক্ত কৰিছিল। মাধৱদেৱে দশম, কীৰ্তন, ঘোষা, ৰত্নাৱলী, এই চাৰিখন শাস্ত্ৰক পদ্ম আতাৰ লগৰীয়া কৰি দিছিল আৰু লগতে 'নামমালিকা' ভাগো তেওঁক অৰ্পণ কৰিছিল।

মাধৱদেৱে পদ্ম আতাক মথুৰা দাস বুঢ়া আতাৰ পৰা "নেওৰা তলৰ সুখ", নাৰায়ণ দাস ঠাকুৰ আতাৰ পৰা "মই জেলি সুখৰ কথা", বৰ বিষ্ণু আতাৰ পৰা "চৈৰ তলৰ সুখ", আৰু ভৱানী পুৰীয়া গোপাল আতাৰ পৰা "কয়লা সুখৰ" কথা বুজি ল'ব কৈছিল।

শ্ৰী শ্ৰী শংকৰদেৱ আৰু শ্ৰী শ্ৰী মাধৱদেৱ গুৰুজনা ভটিয়াই আহোতে টুনী নদীৰ পাৰত সাত দিন ৰ'ব লগীয়া হৈছিল। এই ঠাই খিনিক সাদিনীয়া থান ৰূপে প্ৰতিষ্ঠা কৰিবলৈ মাধৱদেৱ গুৰুজনাই পদ্ম আতাক আজ্ঞা কৰিছিল।

প্ৰবাদ আছে যে- পূৰ্বতে সেই স্থানত ৰুক্মিণীক শ্ৰীকৃষ্ণই হৰণ কৰি নিওঁতে ৰুক্মিণীৰ মূৰৰ কমল ফুলপাহ খহি পৰিছিল। সেয়েহে সেই ঠাই মহান আৰু পৱিত্ৰ ৰূপে পৰিচিত । মাধৱদেৱে পদ্ম আতাক এই ঠাই খিনি চিনি পোৱাৰ বাবে তিনিটা প্ৰমাণ চাব দিছিল----

প্ৰথমটো হ'ল– এহাত দ' কৰি এটা গাঁত খান্দিলে পুনৰ মাটিৰে সেই গাঁতটো পোটোতে আগতকৈও সৰহ মাটি পাৰত থাকিব।

দ্বিতীয়টো হ'ল--সাপে ভেকুলী খেদে কিন্ত্তু তাত ভেকুলীয়েহে সাপ খেদি থাকিব।

তৃতীয়টো হ'ল – শেন চৰায়ে কপৌ খেদে, তাত কপৌ চৰায়েহে শেন চৰাইক খেদা দে্খা যাব।

-এই প্ৰমাণ কেইটাৰ পৰাই সাদিনীয়া স্থান চিনি পাব বুলি মাধৱদেৱে পদ্ম আতাক কৈছিল।

পদ্ম আতা উজাই আহি প্ৰথমে 'শক্ৰাহী' গাঁৱত অলপ দিন থাকি ১৫৫৫ শকত শ্ৰী শ্ৰী ফুলনি থান প্ৰতিষ্ঠা কৰি তাতে তিনি বছৰ দিন কটাইছিল। মাধৱ দেৱৰ বদলেৰে নাৰায়ণপুৰলৈ বদলি হৈ অহাৰ বাবে পদ্ম আতাৰ নাম বদলা পদ্ম আতা হ'ল। ফুলনি থানৰ পৰা আঁতৰি আহি পিছত কলানী ভেঁটিত থাকিবলৈ লৈছিল। বদলা আতাই মাধৱ দেৱ গুৰু জনাৰ ওচৰত ধৰ্ম গ্ৰহণ কৰি উজনীৰ ধৰ্মাচাৰ্য্য পদত অধিস্থিত হোৱাৰ কথা জানিব পাৰি সেই সময়ৰ নাৰায়্ণপুৰৰ বৰ মুৰীয়া সকল আহি আতাক সাক্ষাত কৰিলে আৰু বহুতে তেওঁৰ ওচৰত শৰণ ল'লে। পদ্ম আতাই এখন সত্ৰ নিৰ্মাণ কৰাৰ মানসেৰে 'জমদগ্নী' ব্ৰাহ্মণৰ পৰা এটোপোলা সোণৰ বিনিময়ত মাটি কিনি মাধৱদেৱৰ ভক্তি শিৰত লৈ শ্ৰী শ্ৰী বদলা সত্ৰ প্ৰতিষ্ঠা কৰিছিল। ভাটৌকুছিৰ কেশৱ চৰণ আতাও এই সত্ৰতে আছিল। এই সত্ৰত থাকোতেই কেশৱ আতা অসুস্থ হৈ পৰিল আৰু জীৱনৰ শেষ সময় ছোৱাত পদ্ম আতাক মাতি আনি ক'লে – "শুনা হৰিৰ পো, মোৰ শৰীৰ পৰিল। মোৰ বাৰ জন ভকত আছে, তেওঁলোকক তোমাত সমৰ্পণ কৰিলোঁ, তুমি প্ৰতিপাল কৰিবা। তোমাক মোৰ ঘোষা, ৰত্নাৱলী শাস্ত্ৰ দুখন দিলোঁ। সাতটকি সুবৰ্ণ আছিল, তাকো তোমাক দিলোঁ।" এই খিনি কোৱাৰ পিছতে কেশৱ আতা বৈকুণ্ঠী হয়।

শ্ৰী শ্ৰী বদলা সত্ৰৰ নামঘৰৰ পূবত পদ্ম আতাৰ বহা অৱস্থিত। বৰ্তমান এই বহা সংৰক্ষণৰ অভাৱত উৱলি যোৱা অৱ্স্থা পৰিলক্ষিত হৈছে। নামঘৰৰ পশ্চিমত পচতিয়া হৰি গুৰু আতৈৰ বহা্টি অৱস্থিত। সত্ৰৰ হাটী, পুখুৰী, ভকত, সেৱক, সকলোৰে সৈতে বদলা সত্ৰত পদ্ম আতা সাত বছৰ ছয় মাহ থাকি গুৰুজনাৰ ধৰ্মৰ ভেঁটিটো অধিক সুদৃঢ় কৰি তুলি্ছিল। দফলাৰ উপদ্ৰৱত মন অসন্তুষ্ট হোৱাত তেওঁ নাৱেৰে যাত্ৰা কৰি দুবছৰ ৰামগুৰুৰ ঘৰত কটাই পৰশুৰাম মুদৈৰ বাৰীলৈ আহি তাত ছমাহ দিন কটাইছিল। এনেদৰেই অ’ত ত’ত ভ্ৰমি থাকি গুৰুজনাৰ ভক্তি ধৰ্ম প্ৰচাৰ কৰিছিল। এদিন হৰি আতৈয়ে পদ্ম আতাক ভাল মাটি এডোখৰ চাই বেলেগে এখন সত্ৰ প্ৰ্তিষ্ঠা কৰাৰ কথা কৈছিল। পদ্ম আতাই হৰি আতৈক সত্ৰৰ বাবে কোনে মাটি দিব বুলি সোধাত হৰি আতৈয়ে পুৰ্ুষোত্তম বৰুৱাৰ সুন্দৰ কমলাটেঙাৰ বাৰী এখন আছে আৰু এই বাৰীখন তেওঁক ৰজাই পুৰ্বতে দান দি্ছিল বুলি আতাক কৈছিল। সেই বাৰী খন সত্ৰৰ বাবে খুজিলে পুৰুষোত্তম বৰুৱাই নিশ্চয় মানা নকৰে বুলি হৰি আতৈয়ে আতাক ব্যক্ত কৰিছি্ল। এই কথা শুনি পদ্ম আতাই পুৰুষোত্তম বৰুৱাৰ ওচৰলৈ মানুহ অৰ্থাত ‘ভকত’ পঠাবলৈ হৰি আতৈক নিৰ্দেশ দিছিল। আতাৰ কথামতে হৰি আতৈয়ে পুৰুষোত্তম বৰুৱাৰ ওচৰলৈ ভকত পঠালে আৰু আতাৰ বাৰ্তা পুৰুষোত্তম বৰুৱাক অৱগত কৰালে। আতাৰ বাৰ্তা শুনি আনন্দ মনেৰে পুৰুষোত্তম বৰুৱাই নিজৰ কমলাটেঙাৰ বাৰীখন সত্ৰ পাতিবলৈ পদ্ম আতাক দি্ছিল। তাতে নামঘৰ, মণিকূট, ভকতৰ হাটীবহা, পুখুৰী আদি পাতি সোণত সুৱগা চৰাই সত্ৰ নিৰ্মাণ কৰি্ছিল। এই সত্ৰ খনেই "কমলাবাৰী সত্ৰ" নামেৰে প্ৰসিদ্ধ যি খন বৰ্তমান মাজুলীত অৱস্থিত। কমলা বাৰীত সত্ৰ প্ৰতিষ্ঠা কৰাৰ বাবেই বদলা পদ্ম আতাৰ নাম ‘কমলাকান্ত’ আতা হ’ল।

এই সত্ৰ খনৰ উৎপত্তি সম্পৰ্কে কেইবাটাও কিংবদন্তি পোৱা যায়। পৰম্পৰা গত ভাৱে চলি অহা মত সমূহ হ'ল---

১) বদলা পদ্ম আতাৰ দহটি(১০) নামৰ ভিতৰত এটি নাম হ'ল কমলাকান্ত। সেই নাম অনুসৰি সত্ৰখনৰ নাম কমলাবাৰী হৈছে।

২) বদলা পদ্ম আতাই সত্ৰ প্ৰতিষ্ঠা কৰাৰ স্থানতে পূৰ্বতে এখন ডাঙৰ কমলা টেঙাৰ বাৰী আছিল। যি খন বাৰীৰ গৰাকীৰ নাম কমলা মুদৈ আছিল। সেয়ে এই সত্ৰৰ নাম কমলাবাৰী সত্ৰ হৈছিল।

৩) প্ৰচলিত আন এক জনশ্ৰুতি অনুসৰি, দ্বাৰকাৰ অধিপতি শ্ৰী কৃষ্ণই কুণ্ডিলৰ পৰা ৰুক্মিণীক হৰণ কৰি আনোতে ৰুক্মিণী দেৱীৰ মুৰৰ কমল ফুল পাহ এই স্থানতে খহি পৰিছিল। এই স্থানতে সত্ৰ খন প্ৰতিষ্ঠা হোৱা বাবে ইয়াৰ নাম কমলাবাৰী সত্ৰ হ'ল।

এই সত্ৰ সংস্থাপন কৰাৰ তৈয়ে শান্তনা প্ৰদান কৰিছিল।"কমলাবাৰী সত্ৰ" প্ৰতিষ্ঠা কৰাৰ পিছত ২ বছৰ ৯ মাপৰা ছয়মাহৰ ভিতৰত অৰ্থাত ১৫৯৬ শকৰ ব'হাগ মাহৰ শুক্লা একাদশী তিথিৰ দিনা হৰিচৰণ আতৈৰ বৈকুণ্ঠী হয়। তেৰাৰ কাঠ সংস্কাৰ চাৰি জন ভ্ৰাতৃয়ে সমাপন কৰিছিল। বদলা পদ্ম আতাই হৰিচৰণ আতৈৰ বিয়োগত শোকাকুল হৈ পৰাত আলধৰা গোবিন্দ আতা এই সত্ৰত থাকি অৱশেষত পদ্ম আতাইও মৃত্যু কামনা কৰিলে। কিছুদিন পিছতে কমলাকান্ত আতাও অসুস্থ হৈ পৰিল। আতা অসুস্থ হোৱাত ভকত সমাজৰ মাজত উত্তৰাধিকাৰক লৈ হুৱাদুৱা লাগিছিল। তেনেতে আতাক ভকত সকলে বদলা আতাৰ ভ্ৰাতৃৰ পুত্ৰ কৰুণাময়ক উত্তৰাধিকাৰৰ দ্বায়িত্ব দিয়াৰ কথা কৈছিল। এই কথাৰ উত্তৰত কৰুণাময় এই কাৰ্য্যৰ বাবে যে উপযোগী নহয় আৰু মাধৱদেৱৰ আগত আতাৰ কোনো নাই বুলি কোৱাৰ পিছত কৰুণাময়ক উত্তৰাধিকাৰ পাতিব নোৱাৰাৰ কথাও

ভকত সকলৰ আগত আতাই ব্যক্ত কৰিছিল। ভকত সকলে হৰিচৰণ আতৈৰ কণিষ্ঠ ভ্ৰাতৃ 'শ্ৰী ৰামৰ' কথা ক'লে। কমলাকান্ত আতাই ভকতৰ সিদ্ধান্তক নুই কৰিব নোৱাৰি শ্ৰী ৰাম আতাক এই দায়িত্ব ভাৰ অৰ্পণ কৰিলে। কমলাকান্ত আতাৰ পিণ্ড জলাঞ্জলি কোনে দিব সোধাত আতাই আলধৰা 'জয়হৰিয়ে' এই কাৰ্য্য কৰিব বুলি কৈছিল।

ৰাতিপুৱা কীৰ্তন ঘৰত গায়ন-বায়ন সমন্বিতে প্ৰস্ংগ কৰি থাকোতেই হঠাৎ আতাৰ গা-বেয়া হোৱাত গায়ন-বায়ন এৰি সকলোৱে আতাক বেঢ়ি ধৰিলে। আতাক বাহিৰলৈ উলিয়াই অনা হ'ল আৰু মা্ধৱদেৱে দিয়া "মালা ধাৰি" হাতত লৈ ৰাম নাম উচ্চাৰণ কৰি ভাদ মাহৰ শুক্লা একাদশী তিথিত তেখেতে বৈকুণ্ঠ গমণ কৰিলে। টুনি নৈৰ পাৰত আতাৰ শৱ-দাহ, সৎকাৰ আদি কৰা হ'ল।

বদলা পদ্ম আতাৰ পিছত শ্ৰী ৰাম গুৰু 'কমলাবাৰী সত্ৰ' ৰ অধিকাৰ হ'ল। কিন্ত্তু 'বদলা সত্ৰ' ৰ গুৰু দায়িত্ব ভাৰ তেৰাৰ পিছত কোনে গ্ৰহণ কৰে তাৰ তথ্য বৰ্তমান সত্ৰ খনত মজুত নথকাত তেওঁলোকৰ বংশলতিকাৰ বিষয়ে জনা নাযায়। কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ অৰ্থাত সতৰীয়া পদত নিযুক্ত হৈ ভকত সকলক ভাগে ভাগে গায়ন-বায়ন, নামলগোৱা, পাঠক, ঘোষা-কীৰ্তনৰ সুৰ-গীত, নৃত্য, কলা-সংস্কৃতিৰ সকলো দিশৰ শিক্ষাৰে সত্ৰখন উজ্জ্বলাই তুলিছিল। এই শ্ৰী ৰাম গুৰু সতৰীয়া বৰ নাৰায়্ণপুৰৰ নিবাসী বাসুদেৱ গুৰুৰ পুত্ৰ। এওঁলোকৰ বংশধৰ সকলেই কমলাবাৰী তথা উত্তৰ-কমলাবাৰী সত্ৰৰ ক্ৰমান্বয়ে সতৰীয়া পদত অধিস্থিত হৈ আহিছে। উত্তৰ কমলাবাৰী সত্ৰৰ ইতিবৃত্তত তলত উল্লেখ কৰা সত্ৰাধিকাৰ বা সতৰীয়া সকলৰ উল্লেখ পোৱা যায়–

১) শ্ৰী শ্ৰী ৰাম গুৰু সতৰীয়া

২) শ্ৰী শ্ৰী উদ্ধৱ সতৰীয়া

৩) শ্ৰী শ্ৰী পৰমানন্দ গুৰু ভগতী ওজা সতৰীয়া

৪) শ্ৰী শ্ৰী কৃষ্ণ গুৰু ওজা সতৰীয়া

৫) শ্ৰী শ্ৰী কমল লোচন দেৱ ওজা সতৰীয়া

৬) শ্ৰী শ্ৰী কৃষ্ণ হৰি গুৰু সতৰীয়া

৭) শ্ৰী শ্ৰী নাৰায়ণ দেৱ গুৰু সতৰীয়া

৮) শ্ৰী শ্ৰী ৰাম কৃষ্ণ গুৰু সতৰীয়া

৯) শ্ৰী শ্ৰী কৃষ্ণ গোপাল গুৰু সতৰীয়া

১০) শ্ৰী শ্ৰী মুকুণ্ড দেৱ গুৰু সতৰীয়া

১১) শ্ৰী শ্ৰী ৰঘু গুৰু সতৰীয়া

১২) শ্ৰী শ্ৰী সহজানন্দ দেৱ সতৰীয়া

১৩) শ্ৰী শ্ৰী ভূষণ দেৱ সতৰীয়া

১৪) শ্ৰী শ্ৰী শম্ভূনাথ দেৱ সতৰীয়া

১৫) শ্ৰী শ্ৰী বিষ্ণু দেৱ সতৰীয়া

১৬) শ্ৰী শ্ৰী বিশ্বনাথ দেৱ সতৰীয়া

১৭) শ্ৰী শ্ৰী মুহিকান্ত দেৱ সতৰীয়া

১৮) শ্ৰী শ্ৰী গৌৰীকান্ত দেৱ সতৰীয়া

১৯) শ্ৰী শ্ৰী কমলাকান্ত দেৱ সতৰীয়া

এই সত্রত দুটা ফাল আছিল– এটা বুঢ়া ফলীয়া সত্রাধিকাৰ আৰু আনটো ডেকাফলীয়া সত্রাধিকাৰ। ওপৰত উল্লে্খ কৰা সকলো সত্রাধিকাৰ বুঢ়াফলীয়া। ডেকাফলীয়া সত্রাধিকাৰৰ ভিতৰত----

১) শ্রী শ্রী কৃষ্ণকান্ত মহন্ত চর্দাৰী অধিকাৰ বা সতৰীয়া

২) শ্রী শ্রী লক্ষীকান্ত মহন্ত দেৱ অধিকাৰ বা সতৰীয়া

৩) শ্রী শ্রী চন্দ্রকান্ত মহন্ত দেৱ অধিকাৰ বা সতৰীয়া

৪) শ্রী শ্রী চন্দ্রহাস অধিকাৰ বা সতৰীয়া

৫) শ্রী শ্রী ভৱকান্ত অধিকাৰ বা সতৰীয়া

শ্রী শ্রী চন্দ্রহাস দেৱৰ সত্রাধিকাৰ পদ প্রাপ্তিৰ পিছত সত্রাধিকাৰ আৰু ভকত সকলৰ মাজত কোনো বিষয়ত মনোমালিন্য হৈ বেছি ভাগ ভকত ওলাই গৈ "নতুন কমলাবাৰী" নামেৰে এখন সুকীয়া সত্র স্থাপন কৰে। বর্তমান এই সত্র খন মাজুলিতে আছে আৰু এই সত্র খন "নতুন কমলাবাৰী" বা "উত্তৰ কমলাবাৰী" সত্র নামেৰে পৰিচিত।

## *০.০৫ বদলা সত্রৰ উপাসনা পদ্ধতি আৰু ৰীতি-নীতিঃ*

শ্রী শ্রী বদলা সত্র 'নিকা সংহতিৰ' অন্তর্ভুক্ত সত্র। এই সত্রক উদাসীন সত্র বুলিও কোৱা হয়। 'নিকা সংহতি' ৰ অন্তর্ভুক্ত বদলা সত্রত ৰাতিপুৱা, দুপৰীয়া আৰু গধুলি ১৪ প্রসংগ কৰা হয়। বদলা সত্রত

ভাত বনাবলৈ থোৱা খৰিও পানীৰে শুদ্ধি কৰিহে ভাত বনোৱা হয়। সত্ৰ খনৰ বুঢ়া ভকতৰ পৰা জানিব পৰা

মতে ইয়াৰ এটাই মাত্ৰ কাৰণ- "গছৰ ডালত কাউৰী পৰি নিজৰ চুৱা মুখখন হয়তো ডালত নঘহোৱাকৈ নাথাকে। ফলত খৰি খিনি অশুদ্ধি হয়। সেয়েহে পানী ঢালি শুদ্ধ কৰি লোৱা হয়"। বদলা সত্ৰত বহা বিলাকলৈ সোমোৱা নিষিদ্ধ। তাতে গাপা ধুই শুদ্ধি হৈ তেওঁলোকৰ সত্ৰৰ কাপোৰ পৰিধান কৰিহে ভকত সকলক চুব পাৰিব। এই সংহতি অনুসৰি এক ঈশ্বৰ অৰ্থাত 'বিষ্ণুৱেই' হৈছে তেওঁলোকৰ উপাস্য দেৱতা। বিষ্ণুৰ বাদে অন্য দেৱতাক পুজা কৰাৰ ৰীতি এই সত্ৰত নাই। পূজা পাতলৰ কোনো ব্যৱস্থা এই সত্ৰত নাই। সত্ৰৰ ভকত সকল হৰিৰ একান্ত চিন্তাত নিমগ্ন।

এই সত্ৰত ৰাতিপুৱা ৪ বজাৰ লগে লগে ডবা বজোৱা হয়। কীৰ্তন ঘৰৰ দায়িত্বত থকা দেউৰী, নাম লগোৱা, পাঠক সকল প্ৰস্ত্তুত হয়। নাম লগোৱা জনে পুৱা ৰ গীত গোৱাৰ উপৰিও ভকত সকলৰ সৈতে নাম প্ৰস্ংগও কৰে। দীঘলীয়া দিনত ১.৩০-২.০০ বজাত তিনিপৰ ডবা বজাৰ লগে লগে নামলগোৱা জন কীৰ্তন ঘৰলৈ গৈ বিয়লি প্ৰসংগ আৰম্ভ কৰে। এই সত্ৰৰ বুঢ়া ভকত শ্ৰী যুত ৰূপৰাম দেৱে জনোৱা মতে গুৰু ভটিমাৰ দ্বাৰা গুৰু সেৱা কৰি গধূলি প্ৰসংগ সম্পন্ন্ কৰা হয়। সত্ৰীয়া নৃত্য, গীত-বাদ্য, শংকৰদেৱ গুৰু জনাৰ অংকী্য়া নাট, মাধৱদেৱৰ সৃষ্ট ঝুমুৰা, চালি, নাদুভংগী, প্ৰৱেশ নৃত্য আদি সংস্কৃতি পৰম্পৰাই সত্ৰ খনৰ ঐতিহ্য বহন কৰি আহিছে। ইয়াৰ উপৰিও এই সত্ৰ খনত শ্ৰী শ্ৰী শংকৰ দেৱ আৰু মাধৱ দেৱৰ জন্ম আৰু তিৰোভাৱ তিথি, শ্ৰী বদলা পদ্ম আতাৰো জন্ম আৰু তিৰোভাৱ তিথি অনুস্থিত কৰা হয়। শ্ৰী কৃষ্ণৰ জন্মাষ্টমী, দৌল

উৎসৱ, ফাকুৱা, আদিও এই সত্ৰত সমান্তৰাল ভাৱেই পালন কৰা হয়। অসমীয়াৰ বাপতি সাহোন "তিনিটি বিহু" এই সত্ৰত সুচাৰু ৰুপে পালন কৰাৰ পৰম্পৰা ৰক্ষিত হৈ আহিছে।

এই সত্ৰত ভকতক শৰণ দিয়া পৰম্পৰা অতীতৰে পৰা চলি আহিছে। এই সত্ৰত ভকতক নিৰ্মালী দিয়াৰ বিপৰীতে সিদ্ধ দিয়াৰ নিয়মহে প্ৰচলিত। মাধৱদেৱ গুৰু জনাৰ আদৰ্শ শিৰোধাৰ্য্য কৰি নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ ঘটাই জন সমাজক এক শৰণ ভাগৱতী ধৰ্মত গত গত হ'বলৈ এই সত্ৰই সদাই অনুপ্ৰে্ৰণা যোগাই আহিছে।

বদলা সত্ৰত পূৰ্বৰে পৰা চলি অহা কঠোৰ নীতি-নিয়ম কালৰ গতিত  কিছু পৰিৱৰ্তন হোৱা দেখা গৈছে। পূৰ্বতে ভকত কৰি অনা ল'ৰা সমূহক কেৱল বৰ্ণ পৰিচয়হে কৰোৱা হৈছিল। বৰ্তমান তেওঁলোকক উচ্চ শিক্ষা দিয়াটো বাধ্যতামূলক হৈ পৰিছে।

পূৰ্বতে 'বদলা সত্ৰ' ত মহিলা সকলক ৰাস উৎসৱত ভাও লোৱাৰ   অনুমতি দিয়া হোৱা নাছিল। সত্ৰাধিকাৰ শ্ৰী কান্ত গোস্বামী দেৱে জনোৱা মতে স্থানীয় লোকৰ দাবী্ৰ প্ৰতি লক্ষ্য ৰাখি মহিলা সকলক ৰাস উৎসৱত ভাও লোৱাৰ বাবে অনুমতি প্ৰদান কৰা হয়। সত্ৰ খনত ভকতৰ সংখ্যা যথেষ্ট কম হোৱাৰ বাবে দৌল উৎসৱত গোঁসাই ফুৰোৱা নিয়ম পৰিহাৰ কৰা হয়। পূৰ্বতে সত্ৰ খনত পৰম্পৰাগত আলোক ব্যৱস্থা আছিল কিন্ত্তু বৰ্তমান বিদ্যুত সংযোগ কৰা হয়। বৰ্তমান এখন পৰিচালনা সমিতি আছে। এই পৰিচালনা সমিতি খনৰ সভাপতি শ্ৰী যুত যোগেন্দ্ৰ নাথ শইকীয়া, সম্পাদক শ্ৰী যুত ভূপেন বৰুৱা, সদস্য সংখ্যা ২১ জন। বৰ্তমান সত্ৰাধিকাৰ শ্ৰী কান্ত গোস্বামী দেৱে সত্ৰ খনত পালন কৰা গুৰু দুজনাৰ

তিথি, বদলা আতাৰ তিথি, উৎসৱ – পাৰ্বণত খৰছ হোৱা অৰ্থ দিয়ে বুলি শ্ৰী যুত ৰূপৰাম বুঢ়া ভকত ডাঙৰীয়াই জানিবলৈ দিয়ে।

## ০.০৬ বদলা সত্ৰ খনৰ স্থানৰ-অস্থাৱৰ সম্পত্তি আৰু এই সত্ৰলৈ চৰকাৰী অৱদান আৰু সত্ৰ খনত সংৰক্ষিত বস্তুৰ পৰিমাণঃ

শ্ৰী শ্ৰী বদলা সত্ৰত স্থাৱৰ-অস্থাৱৰ সম্পত্তি যথেষ্ট তাকৰ। যদিও এই সত্ৰত সত্ৰীয়া পৌৰাণিক সম্পদ নাই, তথাপি সাঁচিপতীয়া পুথি এই সত্ৰত সংৰক্ষিত অৱস্থাত আছে। কীৰ্তনঘোষা, দশম, ভক্তি প্ৰদীপ, ৰত্নাৱলী, এই সাঁচিপতীয়া পুথি সমূহ বৰ্তমানেও সংৰক্ষিত হৈ আছে। সত্ৰখনত অৱস্থিত পুখুৰীটোৱে ৬ কঠা মাটি আগুৰি আছে। প্ৰবাদ আছে যে–এই পুখুৰীটো বদলা পদ্ম আতাৰ দিনৰে। জন সমাজত এই বিশ্বাস বিদ্যমান যে–এই পুখুৰী টোৰ পানী নুশুকায়। বদলা পদ্ম আতাই নিজ হাতেৰে ৰোপন কৰা এজোপা কৰ্দ্দৈ গছ আৰু এজোপা বকুল গছ বৰ্তমানেও আছে বুলি বুঢ়া ভকত দেৱে জানিবলৈ দিয়ে। তেওঁৰ বক্তব্য অনুযায়ী এই গছ দুজোপাই প্ৰায় চাৰে তিনিশৰো অধিক বছৰ অতিক্ৰম কৰিছে। এই সত্ৰৰ বুঢ়া ভকত ৰূপৰাম দেৱে কোৱা অনুসৰি যি সময়ত দফলা উপদ্ৰৱত মানুহৰ তথৈবচ অৱস্থা হৈছিল সেই দৃশ্য বদলা আতাই নিজ চকুৰে প্ৰত্যক্ষ কৰিছিল। জনসাধাৰণৰ দুৰৱস্থা দেখি মনত কষ্ট অনুভৱ কৰি পদ্ম আতাই বদলা সত্ৰত নথকাৰ সিদ্ধান্তলৈ মাজুলীলৈ গৈ ‘‘কমলাবাৰী সত্ৰ” প্ৰতিষ্ঠা কৰিছিল। সেয়েহে বদলা পদ্ম আতাৰ কোনো সম্পত্তি বৰ্তমান বদলা সত্ৰত সংৰক্ষিত হৈ থকা নাই। কমলাবাৰী সত্ৰত শ্ৰী শ্ৰী শংকৰদেৱ, শ্ৰী শ্ৰী মাধৱদেৱ আৰু বদলা পদ্ম আতাৰ ভোজনৰ বাতি,

দীননাথ বেজবৰুৱাই দিয়া তাম, আৰু ৰূপ খটোৱা শৰাই(৪৮ ছে.মি উচ্চ), ৰূপৰ কৰণী(৫.২ ছে.মি উচ্চ), পিতলৰ টৌ(৪২ ছে.মি উচ্চ), মহাপুৰুষ শংকৰ দেৱৰ মালা আৰু মাধৱদেৱে দিয়া মঞ্জৰী তাল বৰ্তমানেও সংৰক্ষিত অৱস্থাত আছে বুলি বুঢ়া ভকত ডাঙৰীয়াই জানিবলৈ দিয়ে। পঞ্চাছৰো অধিক বছৰ পুৰণি সাঁচিপাতৰ পুথি স্ংৰক্ষিত হৈ আছে।

২০০৬ চনত শ্ৰী যুত তৰুণ গগৈ ডাঙৰীয়াই এই বদলা সত্ৰত মাধৱদেৱ কলাক্ষেত্ৰ নিৰ্মাণৰ ঘোষণা কৰিছিল। বৰ্তমান এই সত্ৰত কলাক্ষেত্ৰ ভাগ নিৰ্মাণৰ কাম চলি আছে।

## ০.০৭ ঢলপুৰৰ ইতিবৃত্তঃ

বুৰঞ্জীৰ পাত লুটিয়ালে ইয়াৰ কোনোবা ঠাইত লিপিবদ্ধ হৈ ৰোৱা "পিছলা নদীৰ" উল্লেখ পোৱা যায়। এই পিছলাৰ পাৰত চতুৰ্থ-পঞ্চম শতিকাৰ পৰাই শাক্ত, শৈৱ, আৰু বৈষ্ণৱ ধৰ্মৰ উকমুকণি দেখিবলৈ পোৱা গৈছিল। পোন্ধৰ শতিকাৰ শেষৰ ফালে পিছলা নৈৰ দক্ষিণ- পশ্চিম অঞ্চলত কোনো স্থানীয় সামন্ত ৰজাই শাসন কৰাৰ উল্লেখ ইতিহাসত খোদিত আছে। সেই সময়চোৱাত পিছলা নৈৰ দখিণ-পশ্চিম অন্চলত দুখন গাঁৱৰ অৱস্থিতিৰ উমান পোৱা গৈছিল। এখনৰ নাম 'ফুলবাৰী' আৰু আন খনৰ নাম 'কচুৱা'। সেই সময়ত কচুৱা গাঁওখনে দক্ষিণে ব্ৰহ্মপুত্ৰ আৰু উত্তৰে ধলপুৰ অঞ্চল সামৰি লৈছিল।

ষোড়শ শতিকাৰ আগভাগত ঢলপুৰ অঞ্চলটোত আৰু দুখন গাঁৱৰ উল্লেখ পোৱা গৈছিল। এখনৰ নাম আছিল 'বালিগ্ৰাম' আৰু আন খনৰ নাম 'ভাটৌকুছি'। বৰ্তমান "বালিগ্ৰাম" নামৰ সলনি "বালিকুণ্চি" নামটো ব্যৱহাৰ হ'ল। সোতৰশ শতিকাৰ তৃতীয় দশক মানত ধলপুৰ অঞ্চলত আৰু দুখন গাঁৱৰ উল্লেখ পোৱা গৈছিল। এখন "হৰিদাস" আৰু আনখন "বঠাখানা"। বৰ্তমান এই দুয়োখন গাঁৱৰ অস্তিত্ব আছে।

প্ৰথম, জনশ্ৰুতি অনুসৰি সোতৰ শতিকাৰ শেষৰ ভাগত ডিক্ৰুং নৈ খনে পিছলা নৈ খনৰ লগত মিলিত হৈছিল। ডিক্ৰুং পিছলাৰ লগত মিলিত হোৱাত বৰ্তমানৰ ধলপুৰ অ্ঞ্চলত সকলো ফালৰ পৰা পানীৰ 'ঢল' বৈছিল। ফলত বহুতো সৰু সৰু জান-জুৰি সৃষ্টি হৈছিল। এই ঢলৰ লগত "ঢলপুৰ" শব্দটো জড়িত হোৱাৰ ইংগিত পোৱা যায় অৰ্থাত এনেদৰে 'ঢলপুৰ' শব্দটোৰ সৃষ্টি হ'ল।

দ্বিতীয়, জনশ্ৰুতি অনুসৰি ডিক্ৰুং নৈ আৰু পিছলা নৈ লগ হৈ থকাৰ সময়ত ঢলপুৰৰ চুতীয়া গাঁৱৰ আগফালে নদীৰ এটা চাকনৈয়া

সৃষ্টি হৈছিল। ভিতৰ দলনি গাঁও খন এই চাকনৈয়াৰ ফলতে গঢ়ি উঠিছিল। ঢলপুৰৰ উত্তৰ কাঠনি ৰেল আলিৰ দক্ষিণ পাৰে 'গামটৌ'ৰ পৰা 'খাৰৈ' নদীলৈকে এই বৃহৎ অঞ্চলটো বালি আৰু পানীৰে ভৰপূৰ আছিল। ঢল, পানী আৰু বালিৰে ভৰপূৰ হৈ থকাৰ কাৰণে অ্ঞ্চলটোৰ নাম 'ঢলপুৰ' হ'ল।

তৃতীয়, জনশ্ৰুতি অনুসৰি এই বৃহ্ৎ অঞ্চলটো পানী আৰু বালিময় হোৱাৰ বাবে ডাঙৰ গছ-গছনি নাছিল। সেয়েহে এই অঞ্চলত থিয় হৈ হিমালয়ৰ ফালে চালে হিমে ঢকা হিমালয় খন বগাকৈ দেখা যায়। সেয়েহে এই অন্চলৰ নাম "ধৱলপুৰ" বা "ধলপুৰ" হ'ল।

অৱশেষত 'ধলপুৰ' নামাকৰণ হৈছ্গৈ প্ৰায় সোতৰ শতিকাৰ শেষৰ ভাগত। এই অঞ্চলত শাক্ত প্ৰভাৱ যথেষ্ট আছিল। পিছত বৈষ্ণৱ প্ৰভাৱৰ ফলত শাক্ত প্ৰভাৱ ম্লান হৈ পৰিল।

ধলপুৰ মৌজাৰ "বালিকুঞ্চি" গাঁও খন বৰ্তমান দকুৱা গাঁৱত অৱস্থিত। এই বিষ্ণু-বালিকুঞ্চি গাঁৱতে ১৬০১ চনত ''বিষ্ণু-বালিকুঞ্চি সত্ৰ'' প্ৰতি্ষ্ঠিত হৈছিল। বৰ্তম্ান এই সত্ৰ খন দকুৱাতে অৱস্থিত হৈ আছে । শ্ৰী শ্ৰী অনিৰুদ্ধ দেৱৰ এই 'বিষ্ণু-বালিকুছি' গাঁৱতে জন্ম হৈছিল। পিছত দফলাৰ উপদ্ৰৱত থাকিব নোৱাৰি ডিক্ৰং নদীৰ পাৰত শাৰী শাৰী নাহৰ গছ ৰুই পুখুৰী খন্দাই ১৬০৬ খ্ৰীঃ ত "নাহৰ আটি" নামে এখনি সত্ৰ স্থাপন কৰে।

১৪৬৫ শকত ভাটৌকুছি গাঁৱত কেশৱ চৰণ আতাৰ জন্ম হয়। শ্ৰী শ্ৰী মাধৱদেৱ গুৰুজনাৰ সহযোগী আছিল এই কেশৱ চৰণ আতা।

শ্ৰী ৰাম আতা বা 'ভাটিৰ আতা' ৰো জন্ম হৈছিল ঢলপুৰ মৌজাৰ বালি গাঁৱত।

ঢলপুৰৰ ইতিহাস এনেদৰেই বুৰঞ্জীৰ পাতত সন্নিৱিষ্ট হৈ আছিল। বৈষ্ণৱ ধৰ্মৰ সুঁতি এটি এই ধলপুৰৰ মাজেৰেই নিৰ্গৰিত হৈ ওলাইছিল। ইতিহাস প্ৰসিদ্ধ এনেবোৰ ধাৰণাৰ বাবেই নৱবৈষ্ণৱ ধৰ্মৰ প্ৰসাৰত ভূমিকা লোৱা 'ঢলপুৰ' অ্ঞ্চল সকলোৰে বাবে পৰিচিত হৈ পৰে।

## *কেশৱ চৰণ আতা সত্ৰঃ*

## *০.০৮ কেশৱ চৰণ সত্ৰৰ ভৌগোলিক অৱস্থিতি, চাৰিসীমা আৰু মাটিকালিঃ*

শ্ৰী শ্ৰী কেশৱ চৰণ সত্ৰ ধলপুৰ মৌজাৰ ভাটৌকুছি গাঁৱত অৱস্থিত। ধলপুৰৰ ভৌগোলিক স্থানাংক অৰ্থাত অক্ষাংশ ২৬.৯১৫০১ উত্তৰ আৰু দ্ৰাঘিমাংশ ৯৩.৭৬৮৫৫ পূব । এই সত্ৰ খন জিলা সদৰ উত্তৰ লখিমপুৰৰ পৰা প্ৰায় ৬৩কিঃ মিঃ দূৰত্বত। "ভাটৌকুছি সত্ৰ" খন অৱস্থিত গাঁও খন ধলপুৰ মৌজাৰ জামুগুৰি গাঁও পন্চায়ত অন্তৰ্গত বৰ কাঠনি ওৰ্ৱাডৰ ভিতৰোৱা। এই সত্ৰ খন ১৫ নং ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা প্ৰায় ১ কিঃ মিঃ দক্ষিণে অৱস্থিত।

নাৰায়ণপুৰ ৰাজহ চক্ৰৰ তথ্য মতে বৰ্তমান প্ৰায় ১৮ বিঘা মাটি এই সত্ৰত আছে। জনশ্ৰুতি অনুসৰি এই সত্ৰত ১২৫ বিঘা মাটি আছিল। ইয়াৰে ১০৭ বিঘা মাটি কোনে এই সত্ৰৰ পৰা কাঢ়ি নিলে তাৰ সম্পৰ্কে কোনো তথ্য পোৱা বৰ্তমান পোৱা নাযায়।

## ০.১০ কেশৱ চৰণ সত্ৰৰ চমু ইতিহাস আৰু কেশৱ আতাৰ চমু পৰিচয়ঃ

কেশৱ চৰণ আতাৰ বাবেই 'ভাটৌকুছি' ঠাই খনে বুৰঞ্জীৰ পাতত নিজৰ নাম সোণালী আখৰেৰে খোদিত কৰিলে। কেৱল বুৰঞ্জীয়েই কেশৱ আতাৰ সাক্ষ্য বহন নকৰে চৰিত পুথি সমূহো ইয়াৰ পৰিপুৰক। কেশৱ আতা মহাপুৰুষ শংকৰ দেৱৰ ভ্ৰাতৃ বনগঞা গিৰিৰ নাতি বুলি জনা যায়। কেশৱ আতাই নিজৰ ৰচনা সমূহত আত্মপৰিচয় এনেদৰে দাঙি ধৰিছে----

" শ্ৰী মন্ত শংকৰ যিটো নামৰ কায়ষ্ঠ সিটো

পৰম পণ্ডিত গুণশীল ।

নানা যত্নে দীৰ্ঘ ছন্দে ভাগৱত পদ বন্ধে

মহাযত্নে ৰচনা কৰিলে।।

তাহাৰ ভ্ৰাতৃৰ নাতি যদিবা আমাক বোলে

তথাপিতো তাহান কিংকৰ।

কায় বাক্য মনে মন্থ তাহান দাসৰো দাস

বুলিলোহো বাক্য দূৰত্বৰ।।" [স্মৃতি গ্ৰন্থঃ কেশৱ চৰণ সত্ৰ]

অৰ্থাত ১৪৬৫ শকত জয় চৰণ কায়স্থৰ ঔৰষত পত্নী চিত্ৰমালাৰ গৰ্ভত ভাটৌকুছি গাঁৱত কেশৱ চৰণ আতাৰ জন্ম হয়। শংকৰ দেৱৰ পিতৃ কুসুম্বৰ ভূঞাৰ ভাৰ্য্যা সত্য সন্ধা আৰু অনুধৃতি। সত্য সন্ধাৰ গৰ্ভত শংকৰ দেৱৰ আৰু অনুধৃতিৰ গৰ্ভত বনগঞা গিৰিৰ জন্ম হয়।

এই বনগঞা গিৰিৰ পুত্ৰৰ নাম লুপ্ত হৈছে যদিও কোনো ঠাইত টেপাই কায়স্থ আৰু কোনো ঠাইত জয়চৰণ কায়স্থ বুলি উল্লেখ আছে। এই টেপাই কায়স্থ বা জয়চৰণ কায়স্থৰ পুত্ৰই হৈছে কেশৱ চৰণ আতা। কেশৱ চৰণ আতা সৰু কালৰে পৰা ধৰ্ম পৰায়ণ আছিল। যদিও গৃহস্থী ধৰ্মত তেওঁ অনাসক্ত তথাপি তেওঁ পিতৃ-মাতৃৰ কথামতে বিবাহ পাশত আৱদ্ধ হ'ল। পিতৃ-মাতৃৰ বিয়োগৰ পিছত তেওঁ ভাৰ্য্যাক জঞ্জাল হিচাপে জ্ঞান কৰিলে। পিতৃ-মাতৃৰ শ্ৰাৰ্দ্ধ বিধিমতে সম্পন্ন কৰি বিষয় সুখত বিমুখ হৈ পৰিল। এদিন তেওঁ ধানেৰে ভৰপুৰ নাও এখনত উঠি গাঁৱৰ ইমূৰলৈ গৈছিল। গাঁৱৰ আনটো মূৰ নৌ-পাওতেই গৰখীয়া ল'ৰা এটাই তেওঁক পত্নী বিয়োগৰ খবৰ দিলে। এই খবৰ শুনাৰ লগে লগে পানীত জাপ মাৰি স্নান কৰি কাপোৰ ধুই শুকুৱাই পিন্ধি ঘৰমূৱা হ'ল। তেওঁৰ জঞ্জাল ঈশ্বৰে আঁতৰ কৰিলে বুলি ঈশ্বৰক ধন্যবাদ দিলে। কিছুদিন এনেদৰে কটোৱাৰ পাছত কেশৱ আতাই মাধৱ দেৱৰ চৰণ চিন্তি তেওঁৰ ওচৰলৈ যোৱাৰ দিহা কৰিলে। চণ্ডীবৰ কটকী নামে এজন লোক ভটিয়াই যাব বুলি শুনি তেওঁৰ লগতে গুৰুজনাৰ ওচৰলৈ যোৱাৰ সিদ্ধান্ত কৰিলে। চণ্ডীবৰৰ নাঁওখন বৰবিষ্ণু আতাৰ ঘাটত উপস্থিত হোৱাত বৰবিষ্ণু আতাৰ ওচৰলৈ গৈ কেশৱ আতাই নিজৰ অভিপ্ৰায় ব্যক্ত কৰিলে। বৰবিষ্ণু আতাৰ মুখেৰে মাধৱদেৱ গুৰু জনাৰ যশ-গুণ শুনি তেওঁৰ দৰ্শন পাবলৈ কেশৱ আতাৰ অন্তৰাত্মা উদ্যত হৈ উঠিল। সেইদিনা বৰবিষ্ণু আতাৰ ওচৰতে ৰাতিটো কটাই পিছদিনা বৰবিষ্ণু আতাৰ লগত কেশৱ চৰণ আতা মাধৱদেৱ গুৰু জনাৰ ওচৰ পালেগৈ। যি দিনা মাধৱদেৱৰ ওচৰত কেশৱ চৰণ আতা উপস্থিত হৈছিলগৈ সেইদিনা শংকৰদেৱ গুৰুজনাৰ মৃত্যু তিথি আছিল। সেই সময়ত শ্ৰী শ্ৰী মাধৱ দেৱ গুৰুজনা কীৰ্তন ঘৰতে বহি আছিল । তেনেতে কেশৱ চৰণ আতাৰ সহিতে বৰবিষ্ণু আতা মাধৱদেৱ গুৰুজনাৰ কাষলৈ গ'ল। কেশৱ আতাই এখনি

ঠগি আগবঢ়াই মাধৱ দেৱ গুৰুজনাক সেৱা আগবঢ়ালে। বৰবিষ্ণু আতাক মাধৱদেৱ গুৰুজনাই কেশৱ আতালৈ চাই কোন বুলি প্ৰশ্ন সুধিলে? বৰবিষ্ণু আতাই কেশৱ আতাৰ বিষয়ে সকলো কথা বিৱৰি ক'লে। এই কথা শুনি মাধৱদেৱে কেশৱ আতা থাকিবলৈ এটি বহাৰ ব্যৱস্থা কৰি দিলে আৰু অলপ দিনৰ পিছত শৰণ দি ধৰ্মৰ গুৰুভাৰ তেওঁক অৰ্পণ কৰিলে।

শ্ৰী শ্ৰী মাধৱদেৱ গুৰু জনাক এদিন কোচ ৰজা ৰঘুদেৱে কটকী পঠিয়াই মাতি নিয়ালে। এজন বিদ্বেষী ব্ৰাহ্মণৰ কথা শুনি বিনা দোষত ধৰাই নিয়াৰ বাবে গুৰু জনা ৰজাৰ ওপৰত বিতুষ্ট হৈ পৰিল আৰু মনত খেদ অনুভৱ কৰি কেশৱ আতাক উজনিৰ বংশী গোপালৰ পৰা এখন নাও আনিবৰ বাবে আ্জ্ঞা কৰিলে। অৰ্থাত মাধৱদেৱ গুৰু জনাৰ কোচ ৰজা ৰঘুৰ ৰাজ্যত এখন্তেক থাকিবৰো ইচ্ছা নগ'ল। গুৰুজনাই কেশৱ আতাক উজনিৰ শলখলৈ যোৱাৰো নিৰ্দেশ দিলে আৰু লগতে তাৰ পৰা এজন পুৰুষ গুৰু জনাৰ ওচৰলৈ আহিবলৈ ওলাব তেওঁকো লগত লৈ আহিবৰ বাবে আজ্ঞা কৰিলে। গুৰু বাক্য শিৰোধাৰ্য্য কৰি কেশৱ আতাই উজনিৰ অভিমুখে নৌকা যাত্ৰা আৰম্ভ কৰিলে। কিন্ত্তু এই যাত্ৰা পথত মাধৱদেৱৰ বিঘিনিৰ কথা ভাবি ''কুমাৰ গিৰি" নামে ঠাইত খন্তেক ৰৈ ভোজন কৰাৰ উদ্দেশ্যৰে চাউল সিজোৱা আৰম্ভ কৰিছিলহে মাত্ৰ তেনে সময়তে এগৰাকী স্ত্ৰীয়ে মাধৱদেৱ আহি সেই ঘাটতে ৰৈ থকা বুলি খবৰ দিয়াত ৰন্ধা ভাতৰ চৰু তাতে উবুৰিয়াই কেশৱ আতা মাধৱদেৱ গুৰু জনাৰ ওচৰ পালেগৈ। মাধৱদেৱে কেশৱ আতাক সেই ঠাইত দেখা পাই আশ্চৰ্য্য প্ৰকাশ কৰিলে আৰু অতি শী্ঘ্ৰে উজনিলৈ যোৱাৰ নিৰ্দেশ দিলে আৰু লগতে উজনিলৈ যাওঁতে কেশৱ আতাই তিনিটা ভয় পোৱাৰ কথাও ব্যক্ত কৰিলে। কেশৱ আতাই গুৰুৰ আজ্ঞা অনুষাৰে পুনৰ উজনিলৈ যাত্ৰা কৰিলে।

কেশৱ আতা উজনিলৈ আহি প্ৰথমে "বংশী গোপাল" দেৱৰ থান পালেহি। বাটত আহোতে কেশৱ চৰণ আতাই তিনিটা ভয় পাইছিল–এটা খটৰ পৰা, এটা হাতীৰ পৰা আৰু আনটো এটা ম'হৰ পৰা। কেশৱ আতাই বংশী গোপাল দেৱক মাধৱ গুৰুৱে নিৰ্দেশ কৰা আজ্ঞা শুনালে। অৰ্থাত মাধৱদেৱৰ নিমিত্তে এখন নাঁও ভাটীলৈ পঠিয়াবলৈ ব্ংশী গোপাল দেৱক ক'লে। প্ৰথমে এই কথা শুনি বংশী গোপাল দেৱে মাধৱদেৱ গুৰুজনাৰ নিমিত্তে নাঁও দিয়াৰ সিদ্ধান্ত কৰিলে। সেইদিনা বংশী গোপালৰ নামঘৰতে কেশৱ আতাই ৰাত্িটো কটোৱাৰ সিদ্ধান্ত কৰিলে। ৰাতি ভোজন কৰাৰ বাবে কেশৱ আতাই চাউল সিজোৱাত ব্যস্ত হৈ আছে, তেনেতে বংশী গোপাল আৰু ভকত সকলৰ কথোপকথন আতাই নিজ কাণেৰে শুনিবলৈ পালে। ভকত সকলে বংশী গোপাল দেৱক 'মাধৱদেৱ যদি বংশী গোপালৰ ওচৰলৈ আহে তেতিয়া বংশী গোপালক কোনেও নোপোজা হ'ব' অৰ্থাত বংশী গোপাল নিজে ধৰ্ম প্ৰচাৰক হৈও ভিক্ষাৰীৰ জীৱন যাপন কৰিব লাগিব এই কথাষাৰ বিন্ধাইছিল। ভকতৰ কথা শুনি বংশী গোপাল দেৱে নিজে কোনো বিবেচনা আৰু বিশ্লেষণ নকৰাকৈ মাধৱদেৱ গুৰুজনাক নাঁও দিবলৈ অমান্তি হ'ল। এই কথোপকথন শুনাৰ পিছত কেশৱ আতাই অন্তৰাত্মাত আঘাত অনুভৱ কৰি ৰাতি অন্ন গ্ৰহণ নকৰি লঘোণে–ভোকে শুই থাকি পিছৰ দিনা ৰাতিপুৱা হৰি পুখুৰী অভিমুখে ৰাওনা হ'ল। সেই সময়তে মাধৱদেৱৰ 'ৰত্নাৱলী' শাস্ত্ৰ ভাগ পদ্ম আতাই হৰি পুখুৰীৰ পাৰত বহি সাঁচি পাতত মহীৰে মাত্ৰ আঢ়ৈটি পদ লিখিছে হে মাথো তেনেতে কেশৱ চৰণ আতাই আহি তেওঁৰ কাষত উপস্থিত হৈ কি শাস্ত্ৰ লিখিছে বুলি প্ৰশ্ন কৰিছিল। এই প্ৰশ্নৰ উত্তৰত পদ্ম আতাই 'ৰত্নাৱলী' শাস্ত্ৰভাগ লিখিবলৈ লৈছে বুলি কোৱাত কেশৱ আতাই শাস্ত্ৰভাগ শুদ্ধ হোৱা নাই আৰু পদো যথেষ্ট ভুল হোৱাৰ কথা ক'লে। তেতিয়া পদ্ম আতাই শুদ্ধ আৰ্হি ক'ত

পোৱা যাব বুলি পুনৰ প্ৰশ্ন কৰাত ইয়াৰ উত্তৰত কেশৱ আতাই ক'লে যে- এই ৰত্নাৱলী পুথি ভাগ যি জন মহাপুৰুষে প্ৰণয়ন কৰিছে তেঁৱেই পদ্ম আতাক নিবলৈ পঠাইছে। এই কথা শুনি হাততে সৰগ ঢুকি পোৱাৰ দৰে অনুভৱ কৰি কেশৱ আতাৰ লগত পদ্ম আতা গুৰু জনাৰ ওচৰলৈ যাবলৈ ওলাল। গুৰুৰ আজ্ঞা অনুসৰি কেশৱ চৰণ আতা 'শলখ' লৈও গ'ল।

এবছৰৰ পিছত কেশৱ আতা 'শলখৰ' পৰা ঘুৰি আহি পদ্ম আতাক 'কলানী' ভেঁটিত লগ পাই বনমালী কটকী সহিতে ভাটীলৈ যাবলৈ সাজু হ'ল। তেওঁলোকৰ সহযাত্ৰী হ'ল- জগন্নাথ চৰণ [পদ্ম আতাৰ ভাগিন], যদুমণি, লো-গুটি দামোদৰ, মাধৱচৰণ, আৰু বলোভদ্ৰ নামে লোক কেইজন। নাঁৱেৰে তেওঁলোকে যাত্ৰা আৰম্ভ কৰি গৈ বৰ্তমান ধলপুৰ পাৰ হৈ 'কাঠনি' নামে ঠাই পোৱাত কেশৱ আতা নামি 'বৰ-বিষ্ণু আতা' ক লগ কৰি শলখৰ এজনে তেওঁলৈ দি পঠোৱা এতোলা সুৱৰ্ণ [সোণ] তেওঁক দি পুনৰ নাঁৱলৈ উভতি আহে। বৰবিষ্ণু আতা্ক লগ কৰিবলৈ পদ্ম আতাক কিয় নিনিলে সোধাত কেশৱ আতাই পদ্ম আতাক আগত গুৰি চাই আহি পিছত আগ চাবলৈ ক'লে। তেওঁলোকে পুনৰ নাৱেৰে যাত্ৰা আৰম্ভ কৰিলে। এই যাত্ৰাৰ অন্তত 'চৌখুটি ঘাট' পাই নাঁও ৰখালে আৰু জগন্নাথ চৰণক লগত লৈ গৈ কেশৱ আতাই গুৰুজনাৰ সৈতে জগন্নাথ চৰণক চিনাকি কৰি দিয়ে। ইয়াৰ পিছত পদ্ম আতা অহাৰ গুৰুজনাৰ চৰণলৈ অহাৰ বাৰ্তা মাধৱ দেৱক জনায়। পদ্ম আতা অহাৰ বাৰ্তা পাই তেওঁক আনিবলৈ গুৰুজনা নিজেই আগুৱাই আহে। পদ্ম আতাক গুৰু জনে বংশ পৰিচয় সোধাত আতাই তেওঁৰ কেউ কিছু নাই বুলি ক'লে। গুৰুজ্নাই আতাক তেওঁৰ গৃহতে বহা দি ৰাখিলে আৰু শৰণ দিলে। সাত দিন গুৰুৰ

ভক্তি সেৱা পাণ কৰি পদ্ম আতাই ধৰ্ম বস্তুতু লৈ নাৰায়ণপুৰলৈ উজাই আহে।

পদ্মআতা অহাৰ পিছত কেশৱ চৰণ আতাই এদিন মাধৱদেৱ গুৰুজনাক হৰিহৰ আতাৰ কথা সুধিলে। মাধৱদেৱে কেশৱ আতাক হৰিহৰ আতাই বিলৰ ঘৰ সাজি বৈৰাগ্যধৰ্ম গ্ৰহণ কৰি থকাৰ কথা ক'লে। তেতিয়া কেশৱ আতাই হৰিহৰ আতাৰ ওচৰলৈ যোৱাৰ বাবে মাধৱদেৱ গুৰুজনাৰ অনুমতি বিচাৰিলে। মাধৱদেৱৰ অজ্না অনুসৰি কেশৱ আতা হৰিহৰ আতাৰ ওচৰলৈ গ'ল আৰু চেপেটীয়া বিলৰ পাৰত বহি হৰিহৰ আতাক ৰিংিয়াই মাতিলে। সৰু ল'ৰা এটাৰ মুখেৰে ৰিঙিয়াই মতাৰ কথা শুনি হৰিহৰ আতাই কেশৱ আতাক নিবলৈ তেওঁৰ ওচৰত উপস্থিত হ'লহি। হৰিহৰ আতাই নাৱেৰে কেশৱ আতাক লৈ যাওঁতে হৰিহৰ আতাক তেওঁ গুৰু্জনাৰ কাষৰ পৰা আঁতৰি এই বিলৰ পাৰত থকাৰ কাৰণ সুধিলে। তেতিয়া হৰিহৰ আতাই উত্তৰ দিলে যে – গুৰুজনৰ কাষৰ পৰা তেওঁ নিজকে কেতিয়াও আঁতৰাই ৰখা নাই । অৰ্থাত এই বিলৰ পাৰত বহি হৰিহৰ আতা আৰু গুৰুজনাই কৃষ্ণ কথাৰ আলাপ কৰে। সেইদিনা হৰিহৰ আতাৰ সৈতে ৰাতিটো কটালে আৰু পিছৰ দিনা যা ব লৈও লোৱাৰ পৰত পুনৰ গুৰুজনাৰ সংগলৈ হৰিহৰ আতাক যোৱাৰ কথা ক'লে। কিন্তু হৰিহৰ আতাই আগৰবাৰৰ দৰেই কেশৱ আতাক উত্তৰ দিলে। কেশৱ আতাই তেওঁৰ পৰা বিদাই লৈ গুৰু জনৰ কাষ পাই তেওঁৰ অপাৰ মহিমাৰ সলাগ ল'লে। এনেদৰেই অলপ দিন কটোৱাৰ পিছত ১৫১৮ শকৰ ভাদ মাহৰ কৃষ্ণ পক্ষৰ পঞ্চমী তিথিত মাধৱদেৱ গুৰুজনাই মানৱী লীলা সম্বৰণ কৰি পৰমাত্মাৰ লগত বিলীন হৈ পৰে।

শ্ৰী শ্ৰী মাধৱদেৱ গুৰুজনাৰ অস্থি কেশৱ আতাই গংগাত বিসৰ্জন দিছিল। অস্থি বিসৰ্জন দি আহি ঠাকুৰ আতাৰ ওচৰত বদলা আতাক বহি থকা দেখা পালে। ঠাকুৰ আতাই বদলা আতাক তেওঁৰ সৈতে কেশৱ আতাক উজনিলৈ লৈ যোৱাৰ কথা ক'লে। লগতে অনেক আদৰ আৰু শুশ্ৰূষা কৰি ৰাখিবৰ বাবেও বদলা আতাক ঠাকুৰ আতাই ক'লে। কেশৱ চৰণ আতাক লগত লৈ বদলা আতা উজনিলৈ আহি কলানি ভেঁটি পালেহি। ওঠৰ বছৰ বদলা আতা কলানি ভেঁটিত সুখেৰে বাস কৰি আছিল। কিছুদিন পিছত বলোভদ্ৰ নামে মহন্ত এজনে ৰজাৰ্ চাওঁত উঠি ৰজাৰ মাদৈক শৰণ দিলে। এই কথা শুনি ৰজাই খং কৰি সকলো বোৰ মহন্তক ধৰি আনিবলৈ অনুমতি দিলে। বদলা আতা আৰু কেশৱ আতা পলাই গৈ কৌশিকৰ আহুতলিত লুকাই আছিল। জয়কৃষ্ণ নামে এজন লোকে এই কথা গম পাই দুয়োকো আনি নিজৰ ঘৰত আশ্ৰয় দি ৰাখিলে। জয়কৃষ্ণৰ ঘৰত আশ্ৰয়ী হৈ থাকোতে না না লোকৰ মুখত বিচিত্ৰ কথা বাৰ্তা শুনি কেশৱ আতাই ভয় খাই বদলা আতাক অৱগত কৰিলে। বদলা আতাই চিন্তাৰ কোনো কাৰণ নাই বুলি কোৱাৰ পিছতো কেশৱ আতা পলাই গৈ এদিন এৰাতি বাঁহনিত সোমাই থাকিল। নোখোৱা নোবোৱাকৈ সোমাই থকাত কেশৱ আতাৰ অৱস্থা তথৈবচ হ'ল। তাকে দেখি বদলা আতাই কেশৱ আতাক বিচাৰি অনাই, গাপা-ধুৱাই, খুৱাই বোৱাই তনকিয়াল কৰিলে। অলপ দিনৰ পিছত বদলা আতাৰ পৰা বিদাই লৈ কেশৱ আতাই 'যাদৱিৰ' ঘৰত আশ্ৰয় ল'লেগৈ। বদলা আতা প্ৰথমে আশ্ৰয় লৈ থকা জয়কৃষ্ণৰ ঘৰতে পুনৰ আশ্ৰয় লৈ থাকিল।

কিছুদিন এনেদৰে কটোৱাৰ পিছত বদলা আতা পছতীয়া ভেঁটিলৈ আহি ধৰ্মৰ ভাগ ধৰিলে। পছতীয়া ভেঁটি একে বাৰেই ত্যাগ কৰাৰ

মানস কৰি এটোলা সোণৰ বিনিময়ত এডোখৰ মাটি 'জমদগ্নি' ব্ৰাহ্মণৰ পৰা কিনি তাতে সত্ৰ স্থাপন কৰিলে। এই সত্ৰৰ নামেই হ'ল "বদলা সত্ৰ"। এই সত্ৰতে কেশৱ চৰণ আতাও আহি থাকিবলৈ ল'লে। এই সত্ৰত অলপ দিন কটোৱাৰ পিছত কেশৱ আতা নৰিয়াত পৰিল। কেশৱ আতাই বদলা আতাক নিজৰ শাৰীৰিক অৱনতিৰ কথা ব্যক্ত কৰিলে। কেশৱ আতাৰ "বাৰ জন" ভকতক বদুলা আতাক সমৰ্পিলে আৰু লগতে তেওঁৰ ওচৰত থকা ঘোষা আৰু 'ৰত্নাৱলী' শাস্ত্ৰ দুভাগো বদলা আতাক অৰ্পন কৰিলে। ইয়াৰোপৰি কেশৱ আতাৰ হাতত থকা 'সাটতকি স্বৰ্ণ" সেয়াও বদলা আতাক দিলে। এই কথা খিনি বদলা আতাক কৈ থকাৰ খন্তেক সময়ৰ পিছতে অৰ্থাত "কথাগুৰু চৰিত" অনুসৰি ১৬৬৫ খ্ৰীঃ ত কেশৱ আতাৰ পৰলোক প্ৰাপ্তি হৈছিল। কেশৱ আতাৰ শ্ৰাৰ্দ্ধ বিধি মতে ব্‌দলা আতাই পালন কৰিছিল। হৰি নাৰায়ণ দত্ত বৰুৱাৰ সম্পাদিত "ভাগৱতৰ" পাতনিৰ মতে, কেশৱ চৰণ আতাই শ্ৰী মদ্ভাগৱতৰ অষ্টম স্কন্ধৰ ২৪টা অধ্যায় আৰু নৱম স্কন্ধৰো সম্পূৰ্ণকৈ অসমীয়াত পদ ৰচনা কৰিছিল। এই কে্শৱ চৰণ আতা বিশেষকৈ "ভাটৌকুছি আতা" ৰূপেও পৰিচিত। "বৰ চৰিত" পুথিৰ মতে কেশৱ চৰণ আতাই "ভাটৌকুছি সত্ৰ" আৰু নগাঁৱৰ "বৰজহা সত্ৰ" প্ৰতিষ্ঠা কৰিছিল।

## ***০.১১ কেশৱ চৰণ সত্ৰৰ উপাসনা পদ্ধতি আৰু ৰীতি-নীতিঃ***

উজনি অসমৰ বৈষ্ণৱ পীঠ সমূহৰ ভিতৰত "ভাটৌকুছি সত্ৰ" ৰ আৰম্ভণিতে অতি শক্তিশালী ভূমিকা আছিল। এই সত্ৰ খনত মুঠ ১২ জন প্ৰধান শিষ্য আছিল। মোৱামৰীয়া বিদ্ৰোহ, ডফলাৰ উপদ্ৰৱ, দ্ৰোপাং আৰু ডিক্ৰং নদীৰ সঘন গতিপথ সলনিয়ে কেশৱ চৰণ আতাৰ সমকালীন বৰনাৰায়ণপুৰ অঞ্চলৰ সমাজ গাঁঠনি অস্থিৰ কৰি তুলিছিল। ১৮০০ শতিকাৰ আদি ছোৱাত মানৰ আক্ৰমণে ভাটৌকুছি অঞ্চলৰ অৱশিষ্ট জন গাঁঠনি প্ৰায় শেষ কৰি পেলাইছিল। ভাটৌকুছি সত্ৰ খনত ১৬১০ চন মানত ডফলাৰ আক্ৰমণ চলিছিল। ইয়াৰ ফলত সত্ৰ খন ধ্বংসৰ গৰাহলৈ গতি কৰিছ্লি । জনশ্ৰুতি অনুসৰি ১৯০০ চন মানলৈকে ভাটৌকুছি সত্ৰৰ পশ্চিম সীমাৰ কাঠনি, খলিহামাৰী, গাঁও বোৰ ডফলাৰ 'কৰতলীয়া' বা 'বহতীয়া' আছিল বুলি জনা যায়।

১৮৯৫ চনৰ ৰ পৰা ১৮৯৮ চনলৈকে ভাটৌকুছি সত্ৰৰ বন্তি গছি ধৰি ৰাখিছিল সত্ৰাধিকাৰ শ্ৰী শ্ৰী গোবিন্দ গোঁসায়ে। সেই সময় ছোৱাত সত্ৰ খনৰ চৌদিশ গভীৰ অৰণ্যই ঢাকি ৰাখিছিল। ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে থকা 'জাঁজী জৰাবাৰীৰ' পৰা কেইঘৰমান মানুহ আহি হাবি-জংঘল কাটি ইয়াতেই স্থায়ীভাৱে থাকিবলৈ লৈছিল। লাহে লাহে জনসংখ্যা বাঢ়ি এখন গাঁৱৰ সৃষ্টি হ'ল। জাঁজীৰ পৰা অহা বাবে "জাঁজীৱলীয়া গাওঁ" বুলি কোৱা হৈছিল যদিও ই পিছলৈ "ভাটৌকুছি" নামেৰেহে প্ৰসিদ্ধ হ'ল।

১৯০০চনৰ আদিতে শ্ৰী শ্ৰী গোবিন্দ গোঁসাই দেৱৰ দেহাৱসান হোৱাত তেৰাৰ কেৱলীয়া শিষ্য 'বিস্মৃৰণে' উক্ত তিনিটা পৰিয়ালৰ ৰসৰাম, জুৰাম, আৰু ক'লাই পাঠকৰ সহযোগত সত্ৰৰ নিত্য নৈমিত্তিক কাম কাজ পৰিচালনা কৰিছিল। এই বিস্মৃৰণৰ দেহাৱসান হোৱাৰ পিছত বেলগুৰি সত্ৰৰ তত্বাৱধানত ভাটৌকুছিৰ ৰাইজে সত্ৰ খন ৰাজহুৱা ব্যৱস্থাৰে পৰম্পৰাগত

ভাৱে পালন কৰি আহিছে। বৰ্তমান শ্ৰী যুত নিৰ্মল বৰা নামৰ এজন কায়স্থ লোকে সত্ৰ খনৰ মণিকূটৰ বন্তিগছি জ্বলাই আহিছে।

কেশৱ চৰণ আতাৰ এই সত্ৰ খনৰ কাম-কাজ নিয়ন্ত্ৰণ কৰি আহি্ছে ক্ৰ্মান্বয়ে নাৰায়ণপুৰৰ বেলগুৰি সত্ৰৰ সত্ৰাধিকাৰ সকলে। কেশৱ চৰণ সত্ৰৰ ভকত সকলক তেওঁলোকেই শৰণ দিয়াৰ ব্যৱস্থা কৰে। শ্ৰী নিৰ্মল বৰা নামৰ লোক জনে পুৱা-গধুলি সত্ৰ ভাগৰ মণিকূট চাফা চিকুণ কৰি তেল-শলিতাৰে নুমাই যাব খোজা সত্ৰ খনৰ পৰম্পৰা অখুন্ন ৰাখিছে। সন্ধ্যা্ৰ আগমণত সত্ৰখনত ডবা-কাঁহৰে মুখৰিত মংগলময় এটি পৰিৱেশ বিৰাজ কৰাৰ লগতে্ গুৰুজনা আৰু ভগৱানৰ চৰণ সেৱা কৰা হয়।

## ***০.১২ কেশৱ চৰণ সত্ৰৰ সমাজ- সংস্কৃতিলৈ অৱদানঃ***

ভাটৌকুছি নামটোৰ নামাকৰণত বহুতো মতানৈক্য দেখা যায়। জনশ্ৰুতি অনুসৰি, আহোম শাসনৰ পূৰ্বৰে পৰা ঢলপুৰ, নাৰায়ণপুৰ আদি লখিমপুৰ জিলাৰ নামনি অন্চল ভূঞা সকলৰ বসতিস্থল আছিল। তেওঁলোকৰ শাসন কালতে ভূঞা সকলৰ ৰাজদূত, কটকী, আদিক 'ভাট' বুলি কোৱা হৈছিল আৰু 'কুছি' মানে হৈছে বসতি কৰা স্থান অৰ্থাৎ ভাট সকলে বসবাস কৰা স্থানক 'ভাটৌকুছি' নামেৰে জনা যায়। ভাটৌকুছি গাওঁৰ কাষেৰে ভাটৌকুছি নদী খন পাৰ হৈ গৈছে। এই নদীৰ দুয়োপাৰে ভালে সংখ্যক প্ৰাচীন পুখুৰী আছে। এই পুখুৰী বোৰৰ পাৰত আৰু কিছুমান পুখুৰী খনন কৰোঁতে মাটিৰ খোলাকটী, মাটিৰ পোৰা বাচন-বৰ্তন তথা মানুহৰ সৃষ্ট সা-সামগ্ৰী উদ্ধাৰ হৈছে।

কেশৱ চৰণ আতাৰ দেহাৱসানৰ পিছ্ত ভাটৌকুছি গাওঁ খনলৈ দফলা সকল কৰ সংগ্ৰহৰ বাবে আহিছিল। দফলা সকল অহাৰ উমান পাই

এই গাঁৱৰ লোক সকলে আগতীয়াকৈ মুৰি ভাজি থোৱাৰ কথা স্থ্নীয় লোক শ্ৰী যুত ভোগেশ্বৰ বৰা দেৱে জানিবলৈ দিয়ে।

স্থানীয় লোক শ্ৰী যুত কণেশ্বৰ বৰা দেৱে জনোৱা মতে, কেশৱ চৰণ আতাৰ দিনত খন্দোৱা পুখুৰীটোৰ অদ্‌ভুত মহিমা আছে। ভাটৌকুছি থানত যেতিয়া ভাওনাৰ আখৰা কৰা বা গায়ন–বায়ন বজোৱা হয় ঠিক একেই শব্দ পুখুৰীটোৰ ভিতৰৰ পৰা অনুৰণিত হোৱা শুনা যায়। যদি কোনো লোকে অসৎ উপায়েৰে এই পুখুৰীৰ পৰা পানী ব্যৱহাৰ কৰে তেন্তে তেওঁৰ অপায় অমংগল হোৱাটো নিশ্চিতঃ। প্ৰবাদ আছে যে, এই থানত বনৰীয়া হাতীয়ে আহি ক’লৰ থোক শুৰেৰে আগবঢ়াই আঠু কাঢ়ি সেৱা কৰি পুনৰ গুছি যায়। গতিকে এই থানৰ মহিমা অপাৰ আছিল বুলি ঐতিহাসে সাক্ষ্য বহন কৰে।

শ্ৰী শ্ৰী কেশৱ চৰণ সত্ৰই সমাজ জীৱনলৈ যথেষ্ট বৰংণি আগবঢ়াই আহিছে। ২০০৪ চনত ভাটৌকুছি সত্ৰই নিজা ববীয়াকৈ অসম ভিত্তিত তিনিদিনীয়া (১৯,২০,২১ মাৰ্চ) কাৰ্য্য সূচীৰে ভাওনা সমাৰোহৰ আয়োজন কৰে। এই সমাৰোহৰ পিছতে পুনৰ এই সত্ৰ খনিৰ লগতে এই ঠাই খিনি মানুহৰ দৃষ্টিগোচৰ হৈছে।

১৯৮৫–১৯৮৮ চনলৈ ভাটৌকুছি সত্ৰত ৰাস মহোৎসৱ, ভাওনা, একাংক নাট প্ৰতিযোগিতা, দিহা নামৰ প্ৰতিযোগিতা, ৰংঙালী বিহুৰ সন্মিলন আদি অনুষ্ঠান অনুষ্ঠিত হয় বুলি স্থানীয় লো্ক শ্ৰী নিপন বৰাই জানিবলৈ জানিবলৈ দিয়ে।

বৰ্তমান এই সত্ৰ খনত গায়ন বায়নৰ এটা দল আছে আৰু ই সাংস্কৃতিক জগতত যথেষ্ট গুৰুত্ব পূৰ্ণ ভূমিকা পালন কৰিছে।

### ০.১৩ কেশৱ চৰণ সত্ৰত পালন কৰা উৎসৱ অনুষ্ঠানঃ

'কেশৱ চৰণ সত্ৰ' ত নাম প্ৰসংগৰ প্ৰচলন আতা পুৰুষৰ সময়তে আছিল। কিন্ত্তু বৰ্তমান সময়ৰ পাক চক্ৰত পৰি নাম প্ৰসংগ লুপ্ত প্ৰায় হোৱা দেখা যায়। কেশৱ চৰণ সত্ৰত বৰ্তমান শ্ৰী শ্ৰী শংকৰ দেৱ, শ্ৰী শ্ৰী মাধৱ দেৱ আৰু শ্ৰী শ্ৰী কেশৱ আতাৰ তিৰোভাৱ তিথি সততে পালন কৰা দেখা যায়। নতুন বৰ্ষৰ আগমণত এই সত্ৰত ৰাইজৰ কুশল মংগলাৰ্থে শৰাই দিয়া, জন্মাষ্টমী, ভাগৱত পাঠ, গীতা পাঠ, ভাওনা উদযাপণ কৰাও দেখা যায়।

### ০.১৪ কেশৱ চৰণ সত্ৰৰ স্থাৱৰ-অস্থাৱৰ সম্পত্তি আৰু সত্ৰ খনলৈ চৰকাৰী অৱদান আৰু সত্ৰ খনত সংৰক্ষিত বস্ত্তুৰ পৰিমানঃ

কেশৱ চৰণ সত্ৰত বৰ্তমান স্থাৱৰ সম্পত্তি অৰ্থাৎ সত্ৰ খনত থকা মাটিৰ পৰিমাণ নাৰায়ণপুৰ ৰাজহ চক্ৰৰ তথ্য মতে ১৮ বিঘা। স্থানীয় লোকৰ মতে বৰ্তমান ১৪ বিঘা মাটিহে এই সত্ৰত থকাৰ প্ৰমাণ আছে। প্ৰবাদ আছে যে, এই সত্ৰ খনত পূৰ্বতে ১২৫ বিঘা মাটি আছিল কিন্ত্তু সেই মাটিৰ ১০৭ বিঘা সত্ৰৰ পৰা কোনো দুষ্ট চক্ৰই কাঢ়ি নিলে।

আতা পুৰুষৰ দিনৰ এটা পুখুৰী এই সত্ৰত থকাৰ প্ৰমান আছে। ইয়াত মৎস্য পালন কৰি স্থানীয় লোক সকলে মৎস্য উৎপাদনৰ টকাৰে সত্ৰৰ কাম কাজ পৰিচালনা কৰে।

স্থানীয় লোক শ্ৰী যুত ভোগেশ্বৰ বৰাই জনাই যে, এই সত্ৰত প্ৰথমে বহুতো সাঁচিপাতৰ গছ আছিল। কোনো দুষ্ট ছক্ৰই এই গছ বোৰ চুৰি কৰি নিলে। ইয়াৰ ফলত বৰ্তমান এজোপা সাঁচি গছো এই সত্ৰত নাই। সত্ৰ খনৰ চৌহদত এজোপা বুঢ়া কৰ্দ্দৈ গছ এজোপা বৰ্তমানেও পোৱা গৈছে। এই কৰ্দ্দৈ জোপা কেশৱ আতাই নিজ হাতেৰে ৰোপন কৰিছিল বুলি স্থানীয় লোক জনে জানিবলৈ দিয়ে। এই গছ জোপা নিজ চক্ষুৰে প্ৰত্যক্ষ কৰাত দেখা গ'ল যে- ভিতৰ ভাগত একো নাই, ভিতৰ ভাগটো সম্পূৰ্ণ ফোপোলা। গা-গছ জোপাৰ অকণমান ছালত লাগি আছে কৰ্দ্দৈ জোপা। কিন্ত্তু আচৰ্য্য জনক ভাৱে ইয়াত কৰ্দ্দৈ লাগি থকা পৰিলক্ষিত হৈছে। মণিকূটৰ ভিতৰৰ প্ৰাচীন বন্তি গছি, প্ৰাচীন ঠগা, গুৰু আসনৰ ভগ্নাংশ, আতাৰ হস্তাখৰ যুক্ত ভাগৱতৰ সাঁচি পতীয়া পাত, আতাৰ কাঠৰ খৰম, কেশৱ আতা আৰু শ্ৰী শ্ৰী শংকৰ দেৱ গুৰু জনাৰ কেশ গুচ্ছ আজিও সত্ৰ খনত সংৰক্ষিত অৱস্থাত আছে বুলি স্থানীয় লোকে জানিবলৈ দিয়ে।

১৯৮৭ চনত "অসম গণ পৰিষদ" ৰ সময়ত অসম চৰকাৰে "ভাটৌকুছি সত্ৰলৈ" ১,৪০,০০০ টকাৰ বৰঙণি আগবঢ়ায়। এই টকাৰে কেশৱ চৰণ সত্ৰত এটি অতিথি শালা নিৰ্মাণ কৰা হয়। যাতে দুৰ দুৰণিৰ পৰা এই সত্ৰৰ শিষ্য সকল এই সত্ৰত অনুষ্ঠিত উৎসৱ পাৰ্ৱণত আহি ইয়াত থাকিব পাৰে।

২০০২ চনত ----বিভাগৰ পৰা সত্ৰ খনে ২,০০০০০ টকাৰ অবিহণা লাভ কৰে। এই টকাৰে সত্ৰৰ সংৰক্ষিত ভূমিত এটি স্থায়ী ৰংগমঞ্চ নিৰ্মাণ কৰে। এই ৰংগমঞ্চতে নাটক, ভাওনা আদি অনুষ্ঠিত হয়।

২০০৯ চনত অসম পৰ্যটন বিভাগৰ পৰা সত্ৰ খনে পুনৰ ১০,০০০০০ টকাৰ আৰ্থিক সাহাৰ্য্য লাভ কৰে। এই অৰ্থৰে সত্ৰৰ স্থায়ী কীৰ্তন ঘৰৰ প্ৰেক্ষাগৃহ নিৰ্মাণ কৰা হয়।

শ্ৰী যুত ভূপেন বৰাৰ তৰফৰ পৰা পোৱা অনুদানেৰে সত্ৰ খনৰ স্থায়ী শৌচাগাৰ, প্ৰচাৱ গাৰ আৰু কুঁৱা নিৰ্মাণ কৰা হয়।

## ০.১৫ বিষ্ণু-বালি-কুঞ্চি সত্ৰৰ ভৌগোলিক অৱস্থান, চাৰিসীমা, মাটিকালিঃ

শ্ৰী শ্ৰী বিষ্ণু বালিকুঞ্চি সত্ৰ খন ঢলপুৰ মৌজাৰ মাজ মজিয়াত অৰ্থাৎ দকুৱা গাঁৱত অৱস্থিত। ঢলপুৰৰ ভৌগোলিক স্থানাংক ২৬.৯১৫০১ উত্তৰ আৰু ৯৩.৭৬৮৫৫ পূব। ঢলপুৰ জিলা সদৰ উত্তৰ লখিমপুৰৰ পৰা প্ৰায় ৬০ কিঃ মিঃ পশ্চিমে অৱস্থিত। বিষ্ণু বালিকুঞ্চি সত্ৰ খন ১৫ নং ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা ২ কিঃ মিঃ দখিণ পূবত অৱস্থিত। এই

সত্ৰৰ পূব আৰু দক্ষিণে পিছলা নদী, উত্তৰে ঢলপুৰ, বৰ্তমান পশ্চিমে সোৱণশিৰি মুখ গৰকাপ্তানি পথ অৱস্থিত।

এই সত্ৰৰ বৰ্তমান মাটিকালি ৫ বিঘা, ৩ কঠা, ২ লেচা। লাখেৰাজ মাটি ৪০ বিঘা ঢলপুৰৰ নিদানচোৱাত অৱস্থিত। বৰ্তমান সত্ৰাধিকাৰৰ খেৰাজী মাটি ৪০ বিঘা।

## *০.১৬ বিষ্ণু- বালি-কুঞ্চি সত্ৰৰ চমু ইতিহাসঃ*

"বিষ্ণু-বালিকুঞ্চি সত্ৰ" খন উত্তৰ লখিমপুৰৰ ঢলপুৰ মৌজাৰ ভিতৰুৱা ঢলপুৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত দকুৱা গাঁৱত অৱস্থিত। খ্ৰীঃ ১৫০০-১৬০০ শতিকাৰ সময়ত কেউফালে শাক্ত ধৰ্মই আগুৰি থকা সত্বেও এই বৈষ্ণৱ সত্ৰ খনি বৰ্তি থকাৰ বাবেই "বিষ্ণু বালিকুঞ্চি" বা "বালিকুছি" নামে জনাজাত হয়। ১৪৭৫ শকৰ ১৫ ব'হাগ শুক্লা নৱমী তিথি বৃহস্পতি বাৰে নাৰায়ণপুৰ অঞ্চলৰ ঢলপুৰৰ বিষ্ণু বালিকুঞ্চি গাঁৱত গোন্দাগিৰি ঔৰষে আজলী আইৰ গৰ্ভত মায়ামৰা এক শৰণ মহাপুৰুষীয়া ভাগৱতী বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক, কবি, সাহিত্যিক সাম্যবাদী সমাজ সংগঠক শ্ৰী শ্ৰী অনিৰুদ্ধ দেৱৰ জন্ম হয়।

"পঞ্চম স্কন্ধ ভাগৱতৰ অষ্টম অধ্যায়ত" মায়ামৰা সম্প্ৰদায়ৰ প্ৰৱৰ্তক শ্ৰী শ্ৰী অনিৰুদ্ধ দেৱে সত্ৰ খনৰ আত্ম পৰিচয় দিছে এনেদৰে ---

"লোহিত উ্ত্তৰে কাষৰে প্ৰকাশে নাৰায়্ণপুৰ বন্ধ।

তাহাৰ মধ্যত যত লোক আছে নুগুছে সদা আনন্দ।।

তাৰ মধ্যভাগে ভাজৰ তালুক কহিবো কত মহত্ব।

পৰম সম্পূৰ্ণ বিতোপন স্থান অম্রাৱতী যেন মত।।
তাৰ অন্তৰ্গত বিষ্ণু বালিকুঞ্চি ভৈলেক গ্ৰাম বিশেষ।
শংকৰ মাধৱ উপাসা কৰিয়া আছিলা ভক্ত অশেষ।।”

মহাপুৰুষ শ্ৰী শ্ৰী অনিৰুদ্ধ দেৱৰ পূৰ্ব পুৰুষ সকল ভাৰতৰ পশ্চিমাংশৰ কান্য কুব্জৰ পৰা আহিছিল। তেখেত সকল ক্ষত্ৰিয় বংশৰ লোক আছিল। কনৌজত সঘনে যুদ্ধ বিগ্ৰহ হৈ থকাত "শ শ বিন্দু" কান্য কুব্জৰ পৰা নেপাললৈ আহে। এই নেপালতে তেওঁ ৰজা হৈ ৰাজ্য শাসন কৰিছিল। তেখেতৰ মৃত্যুৰ পিছত পুত্ৰ 'ভগদত্ত' ৰজা হয়। ভগদত্তৰ দুজন পুত্ৰ, এজন 'হৰিবৰ' আৰু আনজন 'ৰামবৰ'। ভগদত্তৰ মৃত্যুৰ পিছত প্ৰথম পুত্ৰ হৰিবৰ 'নেপালৰ' ৰজা হয়। ৰামবৰ যুৱৰাজে দেশ জয় কৰিবলৈ আহি 'সৌমাৰ পীঠ' পায়। এই অন্‌চলটো খেতিৰ উপযোগী মাটি, নৈ, বিল, আৰু না না গছ-গছনিৰে ভৰপুৰ ঠাই দেখি নাৰায়ণপুৰ অন্‌চলৰ 'পিচি' (পিছলা) নদীৰ সমীপত লোহিতৰ উত্তৰে বাৰী ঘৰ পাতি "বিষ্ণু-বালিকুঞ্চি" গ্ৰাম নাম দি বসতি কৰিছিল। অৰণ্যৰে আৱৰা ঠাই খিনি 'নিচি' আৰু 'ভূঞা' সকলৰ অধীনত আছিল। ৰামবৰে পূবে সোৱণশিৰি, পশ্চিমে বুৰৈ, উত্তৰে অৰুণাচল প্ৰদেশ আৰু দক্ষিণে লোহিতৰ মাজৰ এই ভূ-খণ্ড অধিকাৰ কৰি বাৰ ভূঞা নামে খ্যাত হৈ ৰাজ্য শাসন কৰিছিল। এই অঞ্চল সেই সময়ত শাক্ত ধৰ্মৰ তান্ত্ৰিক আচাৰ প্ৰচলিত লোকৰ বসতি স্থল আছিল। ৰামবৰৰ মৃত্যুৰ পিছত তেওঁৰ পুত্ৰ 'মহীপাল' বাৰ ভূঞা হৈ ৰাজ্য শাসন কৰে বুলি পোৱা যায়।

সেই সময়ত পঞ্চপুৰ অৰ্থাৎ ঢলপুৰ, বিহপুৰ, নাৰায়ণপুৰ, গহপুৰ আৰু কলংপুৰ -এই পাঁচ খন ঠাইৰ একছত্ৰী সম্ৰাট আছিল মহীপাল। মহীপালৰ পুত্ৰ 'গংগানৱা'। মহীপালক আহোম ৰজাই "গোমস্তা"

আৰু "গিৰি" উপাধিও প্ৰদান কৰিছিল। গংগানৱাৰ পুত্ৰ 'গোন্দাগিৰি'। শংকৰ দেৱৰ খুৰাকৰ জীয়েক 'আজলী দেৱী'ক গোন্দাগিৰিলৈ বিয়া দিছিল বুলি "অনিৰুদ্ধৰ চৰিত" পুথিত আছে। গোন্দাগিৰিৰ পুত্ৰৰ সংখ্যা পাঁচজন। এওঁলোক হ'ল ক্ৰমে – 'কৃষ্ণদেৱ', 'জগতানন্দ', 'ভৱানন্দ', 'হৃদয়ানন্দ', আৰু 'সৰ্বানন্দ'। অনিৰুদ্ধ দেৱৰ পিতৃ দত্ত নাম আছিল "হৰকণ্ঠ" আৰু শৰণ লওঁতে গুৰুৱে দিয়া নাম "অনিৰুদ্ধ"। তেখেতে 'অনুসূয়াক' বিয়া কৰাইছিল।

সৰু কালৰে পৰা ধৰ্মৰ প্ৰতি শ্ৰদ্ধাশীল আছিল শ্ৰী শ্ৰী অনিৰুদ্ধ দেৱ। সৰুৰে পৰাই পুৰাণ, উপনিষদ, গীতা, ভাগৱত আদিৰ দৰে তত্ব গধুৰ ধৰ্ম শাস্ত্ৰ তেখেতে অধ্যয়ণ কৰিছিল। ভৱানীপুৰীয়া গোপাল আতাৰ ওচৰত তেখেতে ১৫৯৭ খ্ৰীঃ তঃ শৰণ ল'বলৈ গৈছিল। হৰকণ্ঠ যোৱাৰ বাতৰি গোপাল আতাই অন্তৰাত্মাৰ দ্বাৰা লাভ কৰাৰ পিছত 'পোৰলা নৈ' ৰ ঘাটৰ পৰা তেখেতক আগবঢ়াই আনিবৰ বাবে বাট এটা চিকুনাই থোৱালে। হৰকণ্ঠৰ নাও গৈ ঘাটত উপস্থিত হোৱাত নাৰায়ণ ঠাকুৰে হৰকণ্ঠৰ গিৰিৰ পৰিচয় লৈ সম্ভাষণ জনাই ন বাটেৰে যাবলৈ অনুৰোধ জনালে। হৰকণ্ঠ গিৰিয়ে ধৰ্মৰ পৰী্ক্ষা মূলক তথ্যৰ সম্ভেদ বুজি ন বাটক প্ৰণাম কৰি সন্মান জনাই পুৰণা বাটেৰে বাট বুলিলে। গুৰু গৃহ পাই হৰকণ্ঠ গিৰিয়ে চ'ৰাত গোপাল দেৱক দেখা পাবৰ বাবে অপেক্ষা কৰি ৰ'ল। অনেক ক্ষণ অপে্ক্ষা কৰিও গোপাল দেৱক দেখা নোপোৱাত – "গিৰো কলাপী গগণে পয়োদা লক্ষন্তৰে ভানু জলে ই পদ্মং দ্বিলখ ইন্দু কুমুদস্য বন্ধু যোঘম্য মিত্ৰং নহিতস্য দুৰম।" – এই শ্লোকটি মাতি স্তুতি কৰা সত্বেও দেখা নিদিয়াত এই শ্লোকটিক গীত হিচাপে ৰচি বেলোৱাৰ ৰাগ দি

সুৰ লগাই গাব ধৰিলে। বিষ্ণু বালিকুঞ্চি সত্ৰৰ, লীলা ভূঞাৰ দ্বাৰা সম্পাদিত স্মৃতি গ্ৰন্থ খনিত ইয়াৰ উল্লেখ আছে ------------------

" গোপাল সোনাৰ প্ৰভু দেহু দৰিশন।
মহন্তক নেদেখিলে নৰহে জীৱন
খং মধ্যে বলাহক গৰ্জে যেতিখন।
শৈলাগ্ৰে বৰিহা নৃত্য কৰে তেতিখণ।।
লখ্য যোজনাৰ উৰ্দ্ধে মাৰ্তণ্ড উদয়।
নীৰত নিৰজ বিকশিত হুয়া ৰয়।।
যেবে অষ্টাংত সূৰ্য্য ভৈল যেতিখণ।
পুষ্ঠৰ গোষ্ঠীৰ মাৰি মিলে তেতিখণে।।
দুই লখ্য ওপৰত ইন্দ্ৰ প্ৰকাশয়।
অধত কুমুদ গোষ্ঠী প্ৰফুল্লিত হয়।।
ইন্দুৰ নিয়ানে কুমুদৰ প্ৰাণ হৰে।
কাবো কেৱে নেদেখিলে তিলকতে মৰে।।
নিকট বিদুৰ হোৱে বিদুৰ নিকট।
সুহৃদ ভৱনা উলে দেখে হৃদয়ত।।
এতেকে যিজন আতি হোৱে বিচখণ।
বিহীনে সুহৃদ সুখ নৰহে জীৱন।।
কহে কৰকণ্ঠ মূঢ় পৰম পামৰ।
দেখা দিয়া দামোদৰ কৰোহো কাতৰ।।"

এই গীত শুনি গোপাল দেৱৰ শৰীৰ ৰোমাঞ্চিত হৈ প্ৰেম তনু পুলকিতে উ্ঠলি উঠাত ওলাই আহি পৰিচয় লৈ সাৱটি ধৰি শিষ্য ৰূপে গ্ৰহণ কৰি 'কমাঘৰ' (বহা) দি তেওঁৰ ওচৰতে ৰাখিলে। হৰকণ্ঠ গিৰিয়ে সযত্নে ধৰ্ম শাস্ত্ৰ সমূহ অধ্যয়ন কৰি ধৰ্ম চৰ্চাত মনোনিৱেশ কৰিবলৈ ধৰিলে। আগৰ পৰাই পাণ্ডিত্য থকাৰ কাৰণে সকলো খেত্ৰতে পটুতা দেখুৱাত অতি কম সময়ৰ ভিতৰতে গোপাল আতাৰ প্ৰিয়পাত্ৰ হৈ উঠিল। গুৰুৰ পৰা পাৰমাৰ্থিক তত্ত্ব জ্ঞান নিৰলে আলোচনা কৰি আধ্যাত্মিক জ্ঞান লাভ কৰিলে। "সমুদ্ৰ ৰূপী সংসাৰত দেহা ৰূপী নৌকাত অমূল্য ৰাম নামৰ বোজা দিয়া নৌকাৰ কাণ্ডাৰী স্বৰূপ হৰি নামৰ অমূল্য বঠা বাই ভৱ সাগৰৰ পৰা নিবৰ্ত্তন কৰোঁতা গুৰু গোপাল আতাত দেহ, আত্মা, সমৰ্পি, গুৰুৱে পৰম ব্ৰহ্ম সাখ্যাৎ ভগৱান জ্নান কৰা হৰকণ্ঠৰ গুৰু ভক্তিৰ জ্নানৰ মহিমা বুজি গোপাল আতাই "অনিৰুদ্ধ" নাম দিয়ে"। (পূৰ্ণানন্দ ভূঞাৰ, "ভবানী পুৰীয়া গোপাল আতাৰ কৃতি আৰু কৃতিত্বত" উল্লেখ আছে)

শ্ৰী শ্ৰী শংকৰ দেৱ আৰু শ্ৰী শ্ৰী মাধৱ দেৱৰ দৰে গোপাল আতাই অনিৰুদ্ধ, নাৰায়ণ আতা, বৰ যদুমণি, সৰু যদুমণি, মুৰাৰী, সনাতন আৰু ব্ৰাহ্মণৰ শ্ৰী ৰাম, ৰামচন্দ্ৰ, পুৰুষোত্ত্ম আদিকে ধৰি মুঠ বাৰ জনক ধৰ্মাচাৰ্য্য পাতিছিল। এই বাৰজন ধৰ্মাচাৰ্য্যৰ অন্যতম "যদুমণি দেৱ" ক গুৰু গোপাল আতাই কৈছিল---

" মহাচিক্ষণ এন্তে ভূঞাৰ সন্ততি।
তানসংগে আমাৰ মনত বাঢ়ে প্ৰীতি।।
হেনজানি তো্মাসবে সংগ কৰা সাৰ।
ভকত সংগে মাত্ৰ মুকুতিৰ দ্বাৰ।।"

তেতিয়াৰ পৰা বাঁহবাৰীৰ যদুমণি আতাৰ অনিৰুদ্ধৰ সৈতে সুহৃদয়তা গঢ়ি উঠে। চাৰে তিনি বছৰ কাল গুৰু গৃহত থাকি শৰণ, ভজন, সৎ সংগ, ধৰ্ম শিক্ষা সাং কৰি নিজৰ গৃহলৈ প্ৰত্যাৱৰ্তন কৰিবৰ সময়ত গুৰু গোপাল আতাই অনিৰুদ্ধ দেৱক উজনি অসমত মহাপুৰুষীয়া ধৰ্ম প্ৰচাৰ কৰিবলৈ এখনি শাস্ত্ৰ অৰ্পণ কৰি বিদাই জনায়। অনিৰুদ্ধ দেৱে কথাৰ সাগৰ ভৱানী পুৰীয়া গোপাল আতাৰ পৰা ধৰ্ম শাস্ত্ৰ ভাগ গ্ৰহণ কৰি "কহে অনিৰুদ্ধ পৰম পণ্ডিত গোপালৰ পদ দাস" বুলি গোপাল আতালৈ শ্ৰদ্ধা জনাই গুৰু গৃহৰ পৰা প্ৰত্যাগমন কৰি "বিষ্ণু বালিকুঞ্চি" গাঁৱত সত্ৰ প্ৰতিষ্ঠা কৰি গুৰু গোপাল দেৱে দিয়া শাস্ত্ৰ ভাগ থাপনা কৰি ১৬০১ খ্ৰীঃ ৰ মাঘ মাহ্ত ধৰ্ম প্ৰচাৰ কৰি প্ৰথমে নিজ পিতৃ–মাতৃক শৰণ দিয়ে। ৫ বছৰ কাল ধৰ্ম প্ৰচাৰ কৰি নিচি উ্পদ্ৰৱত থাকিব নোৱাৰি বিহ্পুৰীয়া অঞ্চলৰ মৰণৈৰ কাষত ১৬০৬ খ্ৰীঃত "ন্াহৰ আটী" নামে সত্ৰ পাতি ২০ বছৰ কাল থাকে আৰু ১৬২৬ খ্ৰীঃত [১৫৪৮শক] ৰ ১১ পুহ সোমবাৰে শুক্লা দশমী তিথিত মহাপুৰুষ শ্ৰী শ্ৰী অনিৰুদ্ধ দেৱে "নাহৰ আটী" সত্ৰতে ই্হলীলা সম্বৰণ কৰে।

মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক শ্ৰী শ্ৰী শংকৰ দেৱ আৰু শ্ৰী শ্ৰী মাধৱ দেৱৰ পিছতে, গোপাল দেৱৰ আজ্নাপৰ অনিৰুদ্ধ দেৱে 'বিষ্ণু বালিকুঞ্চি' সত্ৰত থাকি এক শৰণ ভাগৱতী ধৰ্ম প্ৰচাৰ কৰিছিল আৰু তেওঁৰ পিছ্তেই তেওঁৰেই পুত্ৰ 'হৃদয়ানন্দ' দেৱ আৰু তাৰ পাছত তেওঁৰেই পুত্ৰ 'বৈষ্ণৱানন্দ' দেৱে ১৬ বছৰ কাল "বিষ্ণু বালিকুন্চি" ত ধৰ্ম প্ৰচাৰ কৰি ১৯৫১ খ্ৰীঃ ত শ্ৰী শ্ৰী মাধৱানন্দ দেৱ গোস্বামীক ধৰ্মাচাৰ্য্য পাতি বৈকুণ্ঠ প্ৰয়াণ কৰে। পূৰ্ব্াপৰ প্ৰচলিত নীতি মতে ভক্ত বৈষ্ণৱে ১৯৫৩ খ্ৰীঃত ফাগুণ মাহৰ ৭ তাৰিখে "শ্ৰী শ্ৰী মাধৱানন্দ দেৱ গোস্বামী" ক সত্ৰাধিকাৰ

পদত অধিস্থিত কৰে। মাধৱানন্দ দেৱ গোস্বামীৰ জেষ্ঠ্য পুত্ৰ "শ্ৰী ৰাম দেৱ গোস্বামী" এই সত্ৰৰ বৰ্তমান "সত্ৰাধিকাৰ" আৰু মাজু পুত্ৰ ''শ্ৰী বিষ্ণু দেৱ গোস্বামী" এই সত্ৰৰ বৰ্তমানৰ "ডেকা সত্ৰাধিকাৰ"। এনেদৰে অনিৰুদ্ধ দেৱৰ পিছৰে পৰাই বংশানুক্ৰমিক ভাৱে এই সত্ৰৰ সত্ৰাধিকাৰ সকলে সত্ৰাধিকাৰৰ আসন অলংকৃত কৰি আহিছে।

## *০.১৫ মায়ামৰা আখ্যা, জীৱক ব্ৰহ্মময় জ্ঞান আৰু বিষ্ণু-বালিকুঞ্চি সত্ৰৰ শিষ্য সকলৰ ব্যাপ্ত ঠাইঃ*

শ্ৰী শ্ৰী অনিৰুদ্ধ দেৱে সাম্যবাদী মনোভাবেৰে আৰু উদাৰ দৃষ্টিভংগীৰে মায়ামৰা সম্প্ৰদায়ৰ মাজত মহাপুৰুষীয়া ধৰ্ম প্ৰচাৰ কৰিছিল। শ্ৰী শ্ৰী অনিৰুদ্ধ দেৱৰ ধৰ্মৰ মাহাত্ম্য চৌদিশে বিয়পি পৰাত আহোম ৰজা স্বৰ্গদেউ চুখামফাই ১৬০২ চনত অনিৰুদ্ধ দেৱ্‌ক ধৰ্ম পৰীক্ষা কৰিবৰ নিমিত্তে মতাই নিয়ালে। ৰজাৰ আদেশ পালন কৰি অনিৰুদ্ধ দেৱ ৰজাৰ সমীপত উপস্থিত হোৱাত ৰজাই যথাযোগ্য সন্মান কৰি আসন দি বহুৱালে। এটা মাটিৰ পাত্ৰৰ ভিতৰত এটা পাগুৰি ভৰাই থৈ গুৰু জনাক তাৰ ভিতৰত কি আছে ক'বলৈ ক'লে? গুৰু জনাই পৰম ব্ৰহ্মৰ কৃপা লাভ কৰি গুৰু গহীন ভাবে মাটিৰ পাত্ৰটোৰ ভিতৰত এটা কাল সৰ্প আছে বুলি ক'লে। ৰজাই ঢাকোন খুলি চোৱাত লহ লহ জিভা মেলি এটা 'ফেটী' সাপ ওলাই অহাত ৰজাই ভয় কৰি গুৰুজনাক তুতি মিনতি জনোৱাত গুৰুবাক্যে মায়া সৰ্প ঘটত সোমাল আৰু সাপ গুছি পুনৰ পাগুৰি হ'ল। গুৰুজনাৰ ধৰ্মৰ অদ্‌ভুত মহিমা দেখি মায়াক মৰাৰ কাৰণে ৰজাই তেওঁ প্ৰচাৰ কৰা ধৰ্মক "মায়ামৰা" আখ্যা দিলে। সেয়েহে তেওঁৰ সম্প্ৰদায়ক 'মায়ামৰা' সম্প্ৰদায় বুলি কোৱা হয়।

মায়াই সত্যক অসত্য, অনিত্যক নিত্য দেখুৱায়। জগতত নামৰূপে দেখা পোৱা বিলাক অসত্য, মায়াই সাংসাৰিক যন্ত্ৰণা দিয়ে, জ্ঞান শূন্য কৰে। মায়াৰ পৰা মুক্ত হ’ব পৰা বিদ্যাৰ আৱশ্যক। সেই আত্ম জ্ঞান বা তত্ত্ব জ্নান লাভ কৰিলে জীৱই মুক্তি লাভ কৰে। যি সকল লোক এই মায়ামৰা ধৰ্মত প্ৰবৃত্ত হয়, ভক্তি জ্ঞানৰ দ্বাৰা মায়া দুৰ কৰি তেওঁলোকে মোক্ষ লাভ কৰে। এই কাৰণেই এই ধৰ্মাৱলম্বী লোক সকলক "মায়ামৰা" আখ্যা দিয়া হয়। অনিৰুদ্ধ দেৱ গুৰু জনাই ভক্তি-প্ৰেম সুত্ৰে বান্ধি, হৃদয়ত উচ্চ-নীচ ভাব নাৰাখি, এ্কেজন ভগৱানৰে সৃষ্ট মানৱ ভাবি, সকলোৰে মাজত ভাতৃত্ব বোধৰ চানেকি দাঙি ধৰি, সকলো লোককে সমদৃষ্টিৰে চাই, যোগ্যতানুসাৰে পদ মৰ্য্যাদা দি, মায়া মোহ আঁতৰ কৰি, ভেদ বিহীন একোখন সমাজ গঠন কৰাৰ কাৰণেও তেওঁৰ দ্বাৰা প্ৰচাৰিত ধৰ্মক "মায়ামৰা" আখ্যা দিব পাৰি। মানুহ মাত্ৰে ঈশ্বৰ জ্ঞান কৰিবৰ বাবে আৰু সকলোকে আত্ম সম দেখিবৰ বাবে শৰণ দিওঁতে গুৰুৱে শিষ্যক ঈশ্বৰৰ সহস্ৰ নামৰ এটি নাম প্ৰ্দান কৰে। ফলত এজন ভক্তই আন এজন ভক্তক "গুৰু প্ৰদত্ত" নামেৰেই অভিহিত কৰিব লাগে। অৰ্থাত ভক্ত জনৰ নাম লওঁতে 'ভগৱন্তৰ' নাম উচ্চাৰণ কৰা হয় আৰু 'মানুহৰ মাজত দেৱত্বৰ সন্ধান' কৰা হয়।

মায়ামৰা সম্প্ৰদায়ৰ লোক সকলৰ এটি স্বকীয় বৈশিষ্ট্য আছে। গুৰু, শিষ্য, ভক্ত, বৈষ্ণৱ একলগ হৈ ৰাজহুৱা বা ঘৰুৱা সকাম, সবাহ, নাম কীৰ্তন, আদিত গুৱা খনৰ পৰা আৰম্ভ কৰি সাজ পিঠা, প্ৰসাদলৈকে যিজনে বিতৰণ কৰে, তেওঁ সকলোকে প্ৰসাদ ৱিলাই দি আঠু লৈ সেৱা জনোৱাৰ পিছত সমাজৰ মুৰব্বী জনে সকলোৱে পোৱা নোপোৱাৰ

বুজ লৈ একেলগে অ' ৰাম বুলি খায়। এই ৰীতিয়ে "সৰ্ব্বজীৱ ব্ৰহ্মময়তা" কে বুজায়।

বিষ্ণু বালিকুঞ্চি সত্ৰৰ শিষ্য সমূহ বহুদুৰ বিয়পি আছে। মাজুলি, নগাওঁ, যোৰহাট, গোলাঘাট, লখিমপুৰ, শোণিতপুৰ ইত্যাদি বিভিন্ন স্থানত এই সত্ৰৰ শিষ্য সমূহ ব্যাপ্ত হৈ আছে। 'নাহৰ আটী' থানলৈ বৰ্তমানেও বছৰেকত এবাৰ হ'লেও দূৰ-দূৰণিৰ পৰা এই সত্ৰৰ শিষ্য সমূহ আহে আৰু ইয়াতে সবাহ পাতি ভোজ-ভাত খাই যায়।

## ***০.১৬ মায়ামৰা সত্ৰ খনৰ উপাসনা পদ্ধতিঃ***

"বিষ্ণু বালিকুঞ্চি" সত্ৰ খন কাল সংহতিৰ সত্ৰ। এই সত্ৰত দিনত চাকি জ্বলোৱা নহয়। ইয়াত ত্ৰি-সন্ধ্যা প্ৰসংগ কৰা হয়। প্ৰথম প্ৰসংগ কৰা হয় ৰাতিপুৱা ৬ বজাত। দ্বিতীয় বাৰ প্ৰসংগ কৰা হয় ৰাতিপুৱা ১০ বজাত। আকৌ তৃতীয় প্ৰসংগ কৰা হয় সন্ধ্যা ৬ বজাত। তৃতীয় প্ৰসংগ কৰি হোৱাৰ লগে লগে সত্ৰাধিকাৰ তথা ভকত সকলে আহাৰ গ্ৰহণ কৰে। এই তিনি প্ৰসংগৰ ভিতৰতে চৈধ্য প্ৰসংগ কৰা নিয়ম প্ৰচলিত। এই প্ৰসংগ সমূহত ডবা, জোৰ তাল, মৃদং ব্যৱহাৰ কৰা নিয়ম প্ৰচলিত। এই সত্ৰত কোনো মূৰ্ত্তিক পুজা কৰা নহয়। শংকৰ দেৱৰ দ্বাৰা ৰচিত এখন পুথিক থাপনাত থাপি উপাসনা কৰাৰ পদ্ধতিহে এই সত্ৰত প্ৰচলিত।

## ***০.১৭ মায়ামৰা সত্ৰৰ ধৰ্মীয় ৰীতি- নীতিঃ***

অনিৰুদ্ধ দেৱৰ প্ৰচাৰিত ধৰ্মৰ ৰীতি মতে শৰণৰ আগদিনা শৰণ প্ৰাৰ্থীয়ে যোগত বহিব লাগে। "যোগ" মানে হৈছে

"পৰমাত্মাৰ লগত জীৱাত্মাৰ মিলন"। যোগৰ জৰিয়তে গুৰু মুখৰ অমৃত বাণী শ্ৰৱণ কৰি ইন্দ্ৰিয়ক দমন কৰি চিত্ত নিয়ন্ত্ৰিত কৰিব পাৰি। যোগৰ পিছৰ দিনাক 'শৰণ' বুলি কোৱা হয়। এক ঈশ্বৰৰ চৰণত মন প্ৰাণ সমৰ্পন কৰাকে "শৰণ" লোৱা বুলি কোৱা হয়। শৰণৰ পিছৰ দিনা সৎ সংগ অৰ্থাত সাধু সংগ লোৱা হয়। এনে দৰেই সত্ৰ খনৰ ধৰ্মীয় ৰীতি-নীতি বৰ্তমান চলি আছে। শ্ৰী ৰাম গোস্বামী দেৱে দূৰ দূৰণিলৈ গৈ শিষ্য সকলক শৰণ দিয়ে। নাইবা দূৰ দূৰণিৰ শিষ্য সকল তেওঁৰ ওচৰলৈ শৰণ লোৱা মানসিকতাৰে আহে।

## *০.১৮ মহাপুৰুষীয়া ধৰ্মলৈ বিষ্ণু বালিকুঞ্চি সত্ৰৰ অৱদানঃ*

ধলপুৰ মৌজাৰ অন্তৰ্গত দকুৱা অন্চলত অৱস্থিত "বিষ্ণু বালিকুঞ্চি" মায়ামৰা সম্প্ৰদায়ৰ প্ৰৱৰ্তক শ্ৰী শ্ৰী অনিৰুদ্ধ দেৱৰ জন্মস্থান। খ্ৰীষ্ট্ৰীয় পঞ্চদশ-ষোৰশ শতিকাত কেওফালে শাক্ত ধৰ্মই আগুৰি থকা সত্ত্বেও এই বৈষ্ণৱ সত্ৰ খনি বৰ্তি আছিল। 'মায়ামৰা' বৈষ্ণৱ সম্প্ৰদায়ৰ প্ৰৱৰ্তক অনিৰুদ্ধ দেৱে "চতুৰ্থ স্কন্ধ ভাগৱতৰ 'পুৰঞ্জণ' উপাখ্যান" আৰু "পঞ্চম স্কন্ধ ভাগৱতৰ" অসমীয়া অনুবাদ কৰে। "দ্বাদশ স্কন্ধ ভাগৱতৰ" সম্পাদক কেশৱানন্দ দেৱ গোস্বামী দেৱে অৱতৰণিকাত লিখিছে---- "মহীপালৰ তিনি পুত্ৰ বৃহৎদলপতি, নদীদলৈ আৰু গংগানৱগিৰি। গংগানৱগিৰিয়ে নাৰায়্ণপুৰতে বসবাস কৰি প্ৰধান কাৰ্যালয় পাতে। তেওঁৰ পুত্ৰ গোন্দাগিৰি। প্ৰসিদ্ধ এই ভূঞা বংশৰ গোন্দাগিৰিলৈ মহাপুৰুষ শংকৰ দেৱৰ খুৰাকৰ কন্যা আজলী আইক বিয়া দিয়া হয়। গোন্দাগিৰিৰ পাঁচজন পুত্ৰৰ এজনে 'চুপহা সত্ৰ', জেষ্ঠ্য মুৰাৰীয়ে "বেঙেনা আটি" সত্ৰ পাতে। ১৪৭৫ শকৰ ১৫ ব'হাগ ইং ১৫৫৩ খৃঃ বৃহস্পতি বাৰে

শুক্লা নৱমী তিথিত 'অনিৰুদ্ধ দেৱ' ৰ জন্ম হয়। ১৫৪৮ শকৰ ১১ পুহ সোমবাৰে শুক্লা দশমী তিথিত এই গৰাকী গুৰুৱে বৈকুণ্ঠ প্ৰয়াণ কৰে।

মহাপুৰুষ শংকৰদেৱৰ আদৰ্শ শিৰোগত কৰি এই অনিৰুদ্ধ দেৱেই 'ধেলি' নামে এজন মুছলমান দৰ্জীক শৰণ দি 'ধ্যানপতি' নাম ৰাখি তেৰাৰ বাৰ গৰাকী বৈষ্ণৱৰ ভিতৰতে এগৰাকী পাতে বুলি 'অনিৰুদ্ধ দেৱৰ চৰিতত' পোৱা যায়। শংকৰ দেৱৰ পাছত এনে উদাহৰণ সঁচাই বি্ৰল।

শ্ৰী শ্ৰী অনিৰুদ্ধ দেৱৰ ৰচনা সমূহৰ ভিতৰত "ভাগৱতৰ চতুৰ্থ স্কন্ধৰ 'পুৰঞ্জণ' উপাখ্যান", "পঞ্চম স্কন্ধ ভাগৱত", "ভক্তিমংগল নামৰ ৮০৫ টি ঘোষা" আৰু "নকুৰি দুটি গীত", "ভটিমা" আদিয়েই প্ৰধান। কথাৰ সাগৰ ভৱানী পুৰীয়া গোপাল আতাৰ পৰা ধৰ্মবস্ত্তু গ্ৰহন কৰি 'কহে অনিৰুদ্ধ পৰম পণ্ডিত গোপালৰ পদ দাস' বুলি গোপাল আতালৈ শ্ৰৰ্দ্ধা জনাই গৈছে। চিদানন্দ দেৱৰ অনিৰুদ্ধ চৰিতত বিষ্ণু বালিকুঞ্চি সত্ৰৰ বিশেষ বিৱৰণ আছে।"

"বিষ্ণু বালিকুঞ্চিৰ" পৰৱৰ্তী সত্ৰাধিকাৰ শ্ৰী শ্ৰী মাধৱানন্দ দেৱ গোস্বামী এগৰাকী বিদগ্ধ পণ্ডিত আ্ছিল। তেখেতৰ দ্বাৰা ৰচিত গীতাশাস্ত্ৰ, আৰ্শীবাদক আৰু গুৰুশিষ্য পুথি প্ৰকাশিত হৈছে। তেখেতৰ এটি মুৰ্ত্তি কলিকতাৰ শিল্পীৰ হতুৱাই গঢ়াই আনি এই সত্ৰত বৰ্তমান সংৰক্ষিত কৰি ৰখা হৈছে। বৰ্তমান তেখেতৰেই জেষ্ঠ্য পুত্ৰ শ্ৰী শ্ৰী ৰাম দেৱ গোস্বামী এই সত্ৰৰ সত্ৰাধিকাৰ পদত অধিষ্ঠিত হৈ আছে। বৰ্তমানৰ সত্ৰাধিকাৰ জন প্ৰথমে চৰকাৰী চাকৰিয়াল আছিল। পিছত বংশানু ক্ৰমিক ভাৱে চলি অহা সত্ৰাধিকাৰ পদ ৰখাৰ্থে চাকৰি ত্যা্গ কৰিলে।

অসমীয়া বৈষ্ণৱ সাহিত্যলৈ বিষ্ণু বালিকুঞ্চি সত্ৰৰ অৱদান অতুলনীয় আৰু এই দানে বৈষ্ণৱ সাহিত্যৰ ভঁৰাল চহকী কৰি তুলিছে। নৱবৈষ্ণৱ ধৰ্মৰ গুৰি বঠা ধৰা ধৰ্মাচাৰ্য্য সকলৰ ভিতৰত অনিৰুদ্ধ দেৱৰ নাম 'সোনালী' আখৰেৰে লিপিবদ্ধ হৈ ৰ'ব।

## *০.১৯বিষ্ণু বালিকুঞ্চি সত্ৰ খনৰ আচাৰ পদ্ধতিঃ*

বিষ্ণু বালিকুঞ্চি সত্ৰ খন কাল সংহতিৰ অন্তৰ্গত আৰু গৃহস্থী সত্ৰ। এই সত্ৰ খনিত প্ৰতিষ্ঠা কালৰে পৰা ভাগৱতক থাপনাত থাপি উপাসনা কৰা নিয়ম প্ৰচলিত। এই সত্ৰ খনিত অম্বুবাচী আৰু জন্ম-মৃত্যুৰ কৰণীয় কাম বেদ বিহিত নীতি নিয়মৰ মাজেদি পালন কৰা হয়। নামঘৰত মাহ-প্ৰসাদ আৰু সাঁজ পিঠা দ্ৰব্যৰ দ্বাৰা নৈবেদ্য স্থাপন কৰা হয়। নামঘৰত সিদ্ধান্ন ব্যৱস্থা কৰা নহয়। সত্ৰত মাংস ভক্ষণ নিসিদ্ধ। এই সত্ৰ খন গৃহস্থী সত্ৰ হোৱাৰ ফলস্বৰূপে ইয়াৰ শিষ্য সকলে বিবাহ পাশত আৱদ্ধ হৈ সংসাৰী হ'ব পাৰে। এই সত্ৰ খন বাকী বোৰ সত্ৰৰ দৰে 'উদাসীন সত্ৰ' নহয়।

এই সত্ৰ খনত বৰবায়ণ আৰু গায়ণৰ দায়িত্বত ভাগৱত চৰ্চা, গায়ণ-বায়ণ, দশাৱতাৰ নৃত্য আদি শিষ্য সকলক শিকোৱা হয়। শৰণ, ভজন, ধৰ্মালোচনা আদি সত্ৰাধিকাৰ জনৰ দায়িত্বত পৰিচালিত হয়। সত্ৰৰ ভকত সকল পঢ়িবৰ বাবে বিদ্যালয়ৰ ব্যৱস্থাও আছে। কিন্তু বৰ্তমান কোনো বাল্য শিষ্য নথকাত শিষ্য সকলৰ ল'ৰা-ছোৱালী সকলে ইয়াত পঢ়ে।

## *০.২০ বিষ্ণু বালিকুঞ্চি সত্ৰৰ সামাজিক সাংস্কৃতিক জীৱনৰ ৰূপৰেখাঃ*

অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ সাংস্কৃতিক ইতিহাস সমূহৰ অৱদানৰ অপৰিসীম গুৰুত্ব আছে। পাৰহৈ যোৱা চাৰিশৰো অধিক বছৰ সময়ত অসমৰ সামাজিক সাংস্কৃতিক ইতিহাসত সকলো দিশ সামৰি 'সত্ৰ' অনুষ্ঠানে বিশেষ বৰঙণি যোগাই আহিছে। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ গাঁৱে-ভূঞে নানান সত্ৰ গঢ়ি উঠিছিল। এই সত্ৰ সমূহে ভক্তি ধৰ্মৰ অনুসৰণ কাৰী বহল সমাজ খনক একত্ৰিত কৰি অসমৰ ঐক্য আৰু সংহতি প্ৰতিষ্ঠাৰ বিশেষ বৰঙণি আগবঢ়াই আহিছে। এই সত্ৰ সমূহৰ যোগেদি অসমৰ সমাজখনত শংকৰদেৱ প্ৰমূখ্যে মহাপুৰুষ সকলৰ আৰু অন্যান্য বৈষ্ণৱ কবি সকলৰ ৰচনাৱলীৰ ধাৰাবাহিকতাৰ মাজেদি গাঁৱে-ভূঞে, সাহিত্যৰ চৰ্চা চলি আহিছে। ইয়াৰ যোগেদি চহা নিৰক্ষৰ মানুহৰ মাজতো সাহিত্য-স্ংস্কৃতিৰ প্ৰতি সজাগতা সৃষ্টি হোৱা দেখা গৈছে।

অনিৰুদ্ধ দেৱৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ তেওঁৰ পিছৰ ধৰ্মাচাৰ্য্য সকলে তেওঁৰ বাটেৰেই বাট বুলি "বিষ্ণুবালিকুঞ্চি সত্ৰত" বহুতো গীত, নাট, পদ, পয়াৰ ৰচনা কৰি অসমীয়া সাহিত্যক চহকী কৰি তুলিছিল লগতে মহাপুৰুষীয়া ধৰ্মলৈ অনবদ্য অৱদানো আগবঢ়াইছিল। শংকৰদেৱ, মাধৱদেৱৰ আদৰ্শ শিৰোগত কৰি গীত, নাট, ভাওনাৰ মাজেদি অনিৰুদ্ধ গুৰুৱে যি সংগীত, নৃত্য ধাৰাৰ প্ৰৱৰ্তন কৰি গ'ল। এই ধাৰা সমূহ মৰ্য্যাদা সহকাৰে ধাৰাবাহিক চৰ্চাৰ মাজেদি 'বিষ্ণু বালিকুঞ্চি সত্ৰ' খনে সংৰক্ষণ কৰি ৰাখিছে, এই ধাৰা সমূহক স্বতন্ত্ৰ সাধনাৰ আধাৰ স্বৰুপে গ্ৰহণ কৰি সংগীত, নৃত্য, চাৰুকলা পৰম্পৰাৰ প্ৰকৃত প্ৰসাৰ সাধন কৰিলে।

'বিষ্ণু বালিকুঞ্চি সত্ৰ' ই সমূহ জন সাধাৰণক নৈতিক আৰু আধ্যাত্মিক জ্যোতি প্ৰদানেৰে উন্নত জীৱন যাপনৰ আৰ্হি দাঙি ধৰি আহিছে। পৰিষ্কাৰ, পৰিচ্ছন্নতা, সদাচাৰ বিনয়, মাৰ্জিত ব্যৱহাৰ, আৰু ৰুচিবোধ, কলাৰ মাজেদি ধৰ্ম আচৰণৰ সাধনা আদি আৰ্হিৰে সত্ৰখনে সামাজিক নৈতিকতা আৰু আধ্যাত্মিক কৈল্যাণ সাধনত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। আনহাতে, বৰ্ণাশ্ৰম ধৰ্মৰ কবলত যুগ যুগ ধৰি অৱহেলিত নিম্ন বৰ্গৰ জাতি–জনজাতিক শংকৰদেৱে দি যোৱা উদাৰ আদৰ্শেৰে এই সত্ৰখনে ভক্তি ধৰ্মত দী্ক্ষিত হৈ বহল অসমীয়া সমাজ আৰু সংস্কৃতিৰ পাতনি মেলাত বৰঙণি যোগাই আহিছে।

সত্ৰ খনৰ অধিকাৰকে প্ৰমূখ্য কৰি জেষ্ঠ্য ভক্ত সকলে আলোচনাৰ মাধ্যমেৰে বিভিন্ন সামাজিক সমস্যা মীমাংসা কৰি সামাজিক সাম্য প্ৰতিষ্ঠাত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে।

## 0.21 ***বিষ্ণু বালিকুঞ্চি সত্ৰত পালন কৰা উৎসৱ অনুষ্ঠানঃ***

"বিষ্ণু বালিকুঞ্চি সত্ৰ" ত বিভিন্ন ধৰণৰ উৎসৱ অনুষ্ঠান আয়োজিত কৰা হয়। এই উৎসৱ অনুষ্ঠানবোৰে সত্ৰ খনৰ পৰম্পৰাগত ঐতিহ্যক বহন কৰি ৰাখিছে। শ্ৰী শ্ৰী শংকৰ দেৱ আৰু মাধৱ দেৱৰ তিৰোভাৱ তিথি পতাৰ উপৰিও শ্ৰী শ্ৰী গোপাল দেৱ আৰু শ্ৰী শ্ৰী অনিৰুদ্ধ দেৱৰ জন্ম আৰু তিৰোভাৱ তিথিও পালন কৰা হয়। শ্ৰী শ্ৰী শংকৰ দেৱৰ তিৰোভাৱ তিথিক ম্লান কৰি বৰ্তমান জন্মোৎসৱে প্ৰাধান্য লাভ কৰিছে। এই

উৎসৱ সমূহত ভাগৱত পাঠ আৰু গায়ন–বায়ন উচ্চ কীৰ্তনৰ দ্বাৰা কৰা হয়। শ্ৰী শ্ৰী কৃষ্ণৰ জন্মাষ্টমী আৰু ৰাসোৎসৱ এই সত্ৰত প্ৰতি বছৰে পালন কৰি অহা হৈছে। আঘোণী পূৰ্ণিমাৰ লগত ৰাস উৎসৱ অতি প্ৰাচীন কালৰ পৰাই জৰিত হৈ আছে। আৰ্য্য হিন্দু সমাজত এই যমুনা বৃন্দাবনৰ স্মৃতি ৰূপে শ্ৰী কৃষ্ণ ৰাসলীলা বা ৰাস উৎসৱ যুগে যুগে পালন কৰা হৈছে। প্ৰতিখন সত্ৰৰ লগতে এই ৰাস উৎসৱ ওতঃপ্ৰোত ভাৱে জৰিত হৈ আছে। এই সত্ৰত অসমীয়াৰ বাপতি সাহোন তিনিতি বিহু [ব'হাগ বিহু, কাতি বিহু, আৰু মাঘ বিহু] উলহ মালহেৰে পালন কৰা দেখা যায়। ফাকুৱা বা দৌল উৎসৱ এই সত্ৰত পালন কৰা দেখা যায়। "বিষ্ণু বালিকুঞ্চি সত্ৰ" খনত ভাওনাৰো সমপৰিমাণে প্ৰয়োভৰ দেখা যায়। ভাওনাত অভিনয়ৰ যোগেদি বহুতো স্থানীয় লোকে নিজকে শিল্পী ৰূপেও পৰিচয় দাঙি ধৰিছে। সত্ৰ খনৰ নিজা এখন ৰংগমঞ্চও আছে। এই ৰংগমঞ্চত ভাওনা, থিয়েটাৰ, শিল্পী দিৱস, ৰাভা দিৱস, আদি সুচাৰু ৰূপে পালন কৰা হয়।

## ০.২২ সত্ৰ খনৰ স্থাৱৰ-অস্থাৱৰ সম্পত্তি আৰু সত্ৰ খনলৈ চৰকাৰী অৱদান আৰু সত্ৰ খনত সংৰক্ষিত বস্তুতৰ পৰিমাণঃ

"বিষ্ণু বালিকুঞ্চি" সত্ৰ খনৰ স্থাৱৰ-অস্থাৱৰ সম্পত্তিৰ পৰিমাণ বাকী দুখন সত্ৰৰ তুলনাত যথেষ্ট কম। স্থাৱৰ সম্পত্তি বুলি ক'লে সাধাৰণতে সত্ৰ খনত থকা মাটিৰ পৰিমাণক বুজায়। সত্ৰ খনৰ মাটিৰ পৰিমাণ ৫ বিঘা ,৩ কঠা , আৰু ২ লেচা । এই মাটি খিনিত খেতি-বাতি কৰি সত্ৰৰ সত্ৰাধিকাৰ আৰু ভক্ত সমাজে সত্ৰখন পৰিচালনা কৰি আহিছে। খেতিৰ মাটিৰ পৰিমাণ কম কিন্তু সত্ৰ খন থকা মাটিৰ পৰিমাণ বেছি।

এই সত্ৰ খনৰ অস্থাৱৰ সম্পত্তি বুলি ক'লে সাধাৰণতে ডবা, তাল, শৰাই, কাঁহী,-বাতি, ঘটি, লোটা আদিক বুজায়। এই সত্ৰত পিতলৰ বৰ ডবা দুটা, ঘোৰ তাল পাঁচ যোৰ, মৃদং পাঁচটা, বৰ শৰাই পাঁচ খন, দৌল শৰাই পাঁচ খন, সৰু শৰাই চাৰি খন, বান কাঁহী তিনি খন, বাণ বাটি ছয়্টা(ডাংঅৰ), বৰ বাটি তিনিটা (হাতী্খুজীয়া), কিংখাপৰ মেখেলা, মুগাৰ ৰিহা ২ খন(ৰজা দিনীয়া), অষ্ট ধাতুৰ ঘটি, লোটা ২ টা, সত্ৰৰ নামত ১ টা নলী(ইংলেণ্ডত তৈয়াৰী ডগডগী), পৌৰাণিক কিছু আ-অলংকাৰ আছে।

বৰ্তমান এই সত্ৰ খনে চৰকাৰৰ পৰা একো অনুদান পোৱা নাই যদিও ১৯৮৩ চনত প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ দিনত ৪০,০০০ হাজাৰ টকাৰ অনুদান লাভ কৰিছিল।

এই সত্ৰ খনত সাঁচী গছৰ পৰা তৈয়াৰী সাঁচী পাতত লিখা ৰামায়ণ, ভাগৱত, ৪ খন পুৰাণ( ব্ৰহ্ম, বৈৱৰ্ত্ত্য পুৰাণ, নাৰদীয়, বিষ্ণুপুৰাণ), অনিৰুদ্ধ দেৱৰ ন-ঘোষা ভাগৱত, নিজা শাস্ত্ৰ আদিও সংৰক্ষিত হৈ আছে।

## ***তিনিওখন সত্ৰৰে এটি তুলনামূলক আলোচনাঃ***

অসম ৰাজ্যৰ লখিমপুৰ জিলাৰ নাৰায়ণপুৰৰ অন্তৰ্গত তিনিও খন সত্ৰই ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা ভিতৰ অঞ্চলত অৱস্থিত। এই সত্ৰ তিনি খন 'নিকা', 'কাল' আৰু 'ব্ৰহ্ম' সংহতিৰ অন্তৰ্গত। ইয়াৰে 'বদলা সত্ৰ' আৰু 'কেশৱ চৰণ আতা সত্ৰ' দুয়োখন "নিকা সংহতি" ৰ ভিতৰুৱা আৰু

বিষ্ণুবালিকুঞ্চি সত্ৰ খন 'কাল সংহতি'ৰ অন্তৰ্গত। তিনিও খন সত্ৰই নিজস্ব বৈশিষ্ট্যৰে মহীয়ান। বদলা আতা আৰু কেশৱ চৰণ আতা মহাপুৰুষ মাধৱদেৱৰ শিষ্য আছিল। গতিকে এই সত্ৰ দুখনত মাধৱ দেৱ আৰু শংকৰ দেৱৰ আদৰ্শ শিৰোগত কৰা হয়। আনহাতে, অনিৰুদ্ধ দেৱ ভৱানী পুৰীয়া গোপাল আতাৰ শিষ্য। গতিকে, বিষ্ণুবালিকুঞ্চি সত্ৰত গোপাল আতাৰ আদৰ্শ মানি চলা হয়। প্ৰবাদ আছে, গোপাল আতাই এদিন নাঁৱেৰে গৈ থাকোতে হঠাৎ কলীয়া মেঘে আকাশ ছানি ধৰিছিল। গোপাল আতাই এডাল লাখুঁটিৰে সেই মেঘ আঁতৰ কৰি পুনৰ লুইতৰ বিশাল বুকুত নাঁও এৰি দিছিল। গোপাল আতাৰ মাহাত্ম্য কম নাছিল। জনশ্ৰুতি অনুসৰি, বদলা পদ্ম আতাক এবাৰ দফলাই ধৰি নি দা'ৰে কাটিবলৈ লওঁতেই দফলাৰ হাতৰ দা' ওফৰি পৰিছিল। তেতিয়া দফলাই পদ্ম আতাক "দেও" লগা মানুহ বুলি এৰি থৈ গৈছিল। এই ফালৰ পৰা চাবলৈ গ'লে বদলা পদ্ম আতাৰো মাহাত্ম্য গোপাল আতাৰ সমপৰ্য্যায়ৰ আছিল। যদিও তিনিও খন সত্ৰৰে সংহতি ভিন্ন তথাপিও উদ্দেশ্য একে। এক শৰণ মহাপুৰুষীয়া ধৰ্ম প্ৰচাৰেই তিনিও খন সত্ৰৰে মূল উদ্দেশ্য আছিল। তিনিও খন সত্ৰৰে ৰীতি নীতি, উপাসনা পদ্ধতি, ইয়াত পালন কৰা উৎসৱ অনুষ্ঠান সমূহ ভিন্ন। বদলা আতা, কেশৱ আতা, অনিৰুদ্ধ দেৱ এই তিনিও জনেই একোজন মহাপুৰুষ আছিল। যি সময়ত এওঁলোকৰ আৰ্বিভাৱ হৈছিল সেই সময় ছোৱাত নাৰায়নপুৰ আৰু ধলপুৰ অঞ্চল দুটাত শাক্ত ধৰ্মই আগুৰি আছিল। শাক্ত ধৰ্মৰ প্ৰভাৱত সেই সময়ত বলি-বিধান প্ৰথা বহুদুৰ শিপাই গৈছিল। তিনিও জন মহাপুৰুষে নিজৰ নিজৰ সংহতিক আশ্ৰয় কৰি মহাপুৰুষীয়া ধৰ্মক নতুন ৰহনেৰে সাজি-কাচি ন বাটেৰে বাট বোলাইছিল। তেতিয়াৰে পৰা শাক্ত ধৰ্মক ম্লান পেলাই পুনৰ মহাপুৰুষীয়া ধৰ্মই গা কৰি উঠিছিল।

নাৰায়ণপুৰ অঞ্চলটোত যি সময়ত মোৱামৰীয়া আক্ৰমণ, দফলা উপদ্ৰৱ, মানৰ আক্ৰমণ হৈছিল সেই সময়ত বদলা আতা আৰু কেশৱ চৰণ আতা ইয়াত থাকিব নোৱাৰি পলাই ফুৰিছিল। অনিৰুদ্ধ দেৱৰ এওঁলোকৰ অলপ দিন পিছতহে আৰ্বিভাৱ হৈছিল। শ্ংকৰ দেৱৰ প্ৰচাৰিত ধৰ্মৰ আদৰ্শ আগত ৰাখি তিনিও জন গুৰুৱে সকলো প্ৰাণীৰ প্ৰতি সমভাৱ জ্ঞান কৰি, বিশেষকৈ মনুষ্য সকলৰ মাজত কোনো ধৰণৰ উচ্চ-নীচ, ভাল-বেয়া, জ্ঞান নকৰি সকলোকে একতাৰ ডোলেৰে এডাল মালাৰ দৰে গাঁঠি ৰাখিছিল। তেওঁলোকৰ মতে, যদি প্ৰত্যেক জন মানুহেই একেজন ঈশ্বৰৰে অংশ হয়, তেন্তে সেই ঈশ্বৰৰ এটা অংশ 'উচ্চ' আৰু আনটো অংশ 'নীচ' কেনেকৈ হ'ব পাৰে? আধ্যাত্মিক ভাৱত কিছু লোক পিছ পৰা আৰু কিছু লোক আগবঢ়া, কাৰণ প্ৰত্যেক জন মানুহৰ অন্তৰত ভগৱানে কাম, ক্ৰোধ, লোভ, মোহ, মদ্, আৰু মাৎসয্য আদি ছয় ৰিপু দিছে। এই ৰিপু বোৰে কোনো লোকক বেছিকৈ প্ৰভাৱিত কৰিছে আৰু কোনো লোকক কমকৈ প্ৰভাৱিত কৰিছে। যি লোকে লোভ মোহ ত্যাগী, অন্তৰৰ সকলো কু প্ৰবৃত্তি দমন কৰি অহিংসা, পৰোপকাৰ, দয়া, ক্ষমা আদি মানৱীয় প্ৰবৃত্তি গঢ়ি তুলিব পাৰে, তেঁৱেই আধ্যাত্মিক ভাৱত আগবঢ়া। যি সকল লোকে লোভ মোহক ত্যাগ কৰিব নোৱাৰে আৰু অন্তৰৰ হিংসা, খিয়াল আদি পাশৱিক প্ৰবৃত্তি বোৰ আঁতৰ কৰিব নোৱাৰে, তেঁও আধ্যাত্মিক ভাৱত সদায় পিছপৰা। তিনিও জন আতা পুৰুষেই মানৱীয় প্ৰবৃত্তিৰ সুন্দৰ নিদৰ্শন দাঙি গৈছে। তেওঁলোকে অন্যান্য জাতি ধৰ্মৰ লোকক শৰণ ভজন দি মহাপুৰুষীয়া ধৰ্মত দীক্ষিত কৰিছিল। মহাপুৰুষ শংকৰ দেৱৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ তেওঁৰ উত্তৰ সূৰী ধৰ্মাচাৰ্য্য সকলে তেখেতে দেখুৱাই যোৱা সুন্দৰৰ বাটেৰেই বাট বুলিছিল।

শ্ৰী শ্ৰী শংকৰ দেৱৰ প্ৰথম আৰু প্ৰধান শিষ্য আছিল ভকত সকল। এই ভকত শব্দটোৰ বিষয়ে স্বামী বিবেকানন্দই তেওঁৰ "My Idea of Education'',swami Vivekananda. Page no-42 গ্ৰন্থ খনত লিখিছিল–"পুথি অধ্যয়ণ আৰু পণ্ডিত্বৰ বক্তৃতাই মানুহৰ মানসিক বুদ্ধি বৃত্তিত প্ৰসাৰতা সাধন কৰে কিন্তু হৃদয়ত পোহৰ পেলাব নোৱাৰে। হৃদয়ত পোহৰ পেলাবলৈ অন্য এখন পোহৰ থকা হৃদয়ৰ আৱশ্যক। এই পোহৰ থকা হৃদয়ৰ লোক জনকেই শংকৰ দেৱে ভকত বুলিছে।"

জন জীৱনৰ হিতৰ কাৰণে নিজৰ জীৱন উচৰ্গা কৰাকে মহাপুৰুষে শৰণ লোৱা বুলিছে। যি জন লোকে নিজক ঐশ্বৰ্য্য–বিভূতি সহ ভগৱন্তৰ চৰণত তথা জন সাধাৰণৰ সেৱাৰ স্বাৰ্থত উচৰ্গা নকৰে তেওঁকেই অ–শৰণীয়া বোলা হয়। উক্ত তিনিও খন সত্ৰতে প্ৰথমে শৰণ লৈ মানৱীয় গুণ সমূহ শৰীৰত ধাৰণ কৰিব পৰা অৱস্থা কৰি লোৱা হয়। ইয়াৰ পিছত গুৰুৰ তত্ত্ব কথা শিকি নিজক মানুহৰ শ্ৰেণীলৈ উন্নীত কৰা হয়। ধৰ্ম গুৰু্ সকলে শৰণ, ভজন, আৰু তত্ত্ব কথা শিক্ষা দিয়া লোক সকলৰ ভিতৰত যি সকলৰ শৰীৰত অন্যৰ অন্তৰত পোহৰ পেলাব পৰা শক্তি দেখে তেখেত সকলকহে ধৰ্মাচাৰ্য্য নিয়োগ কৰে। মাধৱ দেৱে বংশীগোপাল দেৱ, যদুমণি দেৱ, ভৱানীপুৰীয়া গোপাল মথুৰা আতা, বদলা আতা, কেশৱ চৰণ আতা আৰু পুৰুষোত্তম ঠাকুৰকে আদি কৰি বাৰ জনক শৰণ দিছিল। ঠিক তেনেকৈ গোপাল আতাই অনিৰুদ্ধ দেৱ, নাৰায়ণ আতা, বৰ যদুমণি, সৰু যদুমণি, মুৰাৰী সনাতন আৰু ব্ৰাহ্মণ শ্ৰী ৰামচন্দ্ৰ, পুৰুষোত্তম আদিকে ধৰি মুঠ বাৰ জনক ধৰ্মাচাৰ্য্য নিয়োগ কৰিছিল। বদলা পদ্ম আতা মাধৱ দেৱ গুৰুজনাৰ ওচৰত সাত দিন আছিল আৰু বদলা সত্ৰত সাত বছৰ ছয়মাহ আছিল। কেশৱ আতাও জীৱনৰ শেষ সময়ছোৱালৈ বদলা আতাৰ লগতে

আছিল। অনিৰুদ্ধ দেৱে প্ৰায় তিনি বছৰ ছয় মাহ কাল ভৱানী পুৰীয়া গোপাল আতাৰ ওচৰত ধৰ্ম শিক্ষা সাং কৰি আহি বিষ্ণু বালিকুঞ্চি সত্ৰত অলপ দিন কটাই নাহৰ আটী সত্ৰলৈ গৈ তাতে জীৱন নাটৰ সামৰণি মাৰিলে। তিনিও জন আতা পুৰুষেই সমাজৰ অনাদৃত, অৱহেলিত, জাতি সমূহৰ মাজত ভক্তি ধৰ্ম প্ৰচাৰ কৰি এখন সুস্থ আৰু বৃহৎ অসমীয়া সমাজ গঠন কৰাৰ চেষ্টা কৰিছিল। গোপাল আতাৰ আজ্ঞাপৰ  ধৰ্মাচাৰ্য্য সকলে শংকৰ দেৱ আৰু মাধৱ দেৱৰ আদৰ্শ শিৰোগত কৰি জাতি-ধৰ্ম-বৰ্ণৰ প্ৰতি উদাৰ ভাৱ গ্ৰহণ কৰি সমাজৰ পিছপৰা সম্প্ৰদায় সমূহৰ মাজত ধৰ্ম প্ৰচাৰ কৰি সেই সকলক সমপৰ্য্যায়লৈ অনাত অধিক মনোযোগ দি্ছিল। ইয়াৰ ফলত ৰক্ষণশীল কিছুমান সত্ৰৰ লগত সংঘাটৰ সূত্ৰ্পাত আৰম্ভ হৈছিল। গোপাল আতাৰ শিষ্য বৰ যদুমণিৰ আ্জ্ঞাপৰ "বাৰেঘৰ চলিহা সত্ৰ" ৰ শ্ৰী ৰামে নগা পাহাৰলৈ গৈ নগা সকলৰ মাজত ধৰ্ম প্ৰচাৰ কৰি তাতে নামঘৰ পাতি তেওঁলোকৰ লগত একেলগে খোৱা বোৱা কৰি পৰ্বত আৰু ভৈয়ামৰ মাজত সমন্বয় সাধনৰ চেষ্টা কৰিছিল। পৰ্বতীয়া নগা সকলৰ লগত একেলগে খোৱা লোৱা কৰাৰ ফলত 'বাৰেঘৰ চলিহা' সত্ৰৰ উপৰিও চেঁচা, বুদবাৰি, কাটনি সত্ৰ সমূহ অস্পৃশ্য হোৱাৰ উপৰিও এই সত্ৰ সমূহৰ লগত একেলগে খোৱা-বোৱা কৰাৰ ফলত গোপাল আতাৰ আজ্ঞাপৰ সকলো সত্ৰ বাকী সমূহ সত্ৰৰ পৰা আঁতৰি পৰিল আৰু কালক্ৰমত দুই দলৰ মাজত এখন বৃহৎ দেৱালয়ৰ সৃষ্টি হৈছিল। ইয়াৰ ফলশ্ৰুতিত মোৱামৰীয়া বিদ্ৰোহ গঢ়ি উঠিল আৰু দেশৰ অৱস্থা শোচনীয় হৈ পৰিল। ৰক্ষণশীল সত্ৰ সমূহ ৰজাঘৰীয়া পৃষ্ঠ পোষকতাত মাটী বাৰীয়ে নদন-বদন হোৱাৰ ফলত সকলোৰে সন্মানৰ পাত্ৰ হৈ পৰিল। আনহাতে গোপাল আতাৰ আজ্নাপৰ সত্ৰ সমূহৰ অৱস্থা নিঃকিন হৈ পৰিল। তথাপিও গোপাল আতাৰ আ্জ্ঞাপৰ সত্ৰ সমূহে নিজৰ আদৰ্শ আৰু উদ্দেশ্যৰ পৰা বিচ্যুত নহৈ সমাজৰ

অৱহেলিত আৰু অনাদৃত সম্প্ৰদায় সমূহৰ মাজত ধৰ্মপ্ৰচাৰ কৰা কাৰ্য্যত একচিত্তে লাগিয়েই থাকিল। অনিৰুদ্ধ দেৱ আৰু তেওঁৰ পুত্ৰ নাতি সকলে সমাজৰ অস্পৃশ্য মৰাণ, কৈৱৰ্ত্য আদি লোক সকলৰ মাজত ধৰ্ম প্ৰচাৰ কৰি গাঁৱে গাঁৱে নামঘৰ নিৰ্মাণ কৰি বৃহৎ অসমীয়া জাতি গঠনৰ স্বাৰ্থত আত্মনিয়োগ কৰিছিল। বাৰেঘৰ চলিহা সত্ৰৰ শ্ৰী ৰামে যেনেকৈ নগাৰ 'খুনবাওক' "নৰোত্তম" নাম দি সমগ্ৰ নগা জাতিটোৰ মাজত মহাপুৰুষীয়া ধৰ্ম প্ৰচাৰৰ দ্বায়িত্ব অৰ্পণ কৰিছিল, ঠিক তেনেকৈ অনিৰুদ্ধ দেৱৰ নাতিয়েও মৰাণৰ 'কাচিনলীয়াক' "কৃষ্ণভুজ" নাম দি বৃহত্তৰ মৰাণ সমাজৰ মাজত মহাপুৰুষীয়া ধৰ্ম প্ৰচাৰ কৰাৰ দায়িত্ব অৰ্পণ কৰিছিল। এনেদৰেই অনিৰুদ্ধৰ আজ্ঞাপৰ সকলো সত্ৰই অসমৰ ইমূৰৰ পৰা সিমূৰলৈ জাতি-অজাতি ভেদে মহাপুৰুষীয়া ধৰ্ম প্ৰচাৰ কৰিছিল। এই সত্ৰ সমূহৰ আৰ্হিৰেই যদি অসমৰ সকলো বোৰ সত্ৰই ধৰ্ম প্ৰচাৰ কৰিলে হেঁতেন তেন্তে অসমত ধৰ্মৰ নামত ইমান অৰাজকতাৰ সৃষ্টি নহ' লহেঁতেন।

তিনিও খন সত্ৰত পালন কৰা উৎসৱ অনুষ্ঠান সমূহ বেলেগ বেলেগ। তিনিও খন সত্ৰতে শ্ৰী শ্ৰী কৃষ্ণৰ দৌল উৎসৱ মহাপয়োভৰেৰে পালন কৰাৰ উপৰিও পূৰ্বজ সকলৰ তিথি পাৰ্বণ আদিও যথাৰীতিৰে পালন কৰা হয়। তিনিও খন সত্ৰতে পালন কৰা ৰীতি-নীতি, আচাৰ ব্যৱহাৰ, ধৰ্মীয় কাম-কাজৰ মাজত কিছু সংখ্যক পাৰ্থক্য থাকিলেও এওঁলোকৰ উদ্দেশ্য আৰু লক্ষ্য প্ৰায় একে। তিনিও খন সত্ৰৰ সত্ৰাধিকাৰ আৰু ভকত সকলে পৰিধান কৰা বস্ত্ৰ প্ৰায় সমপৰ্যায়ৰ কিন্ত্তু বিষ্ণু বালিকুঞ্চি সত্ৰৰ সত্ৰাধিকাৰ তথা ভকতে শিৰত পৰিধান কৰা পাগুৰিটো আন দুখন সত্ৰতকৈ অলপ বেলেগ। বদলা সত্ৰৰ বুঢ়া ভকত জনে শৰীৰত তিনি খন বস্ত্ৰ পৰিধান কৰে-ধুতি, চেলেং কাপোৰ, গামোচা। বিষ্ণু বালিকুঞ্চি সত্ৰ খন

যদিও গৃহস্থী সত্ৰ তথাপি সত্ৰাধিকাৰ জনে বেলেগৰ হাতেৰে খোৱা-বোৱা নকৰে। সত্ৰাধিকাৰ ৰ অধিকাৰিণী অৰ্থাত বুঢ়া অধিকাৰিণী আৰু ডেকা অধিকাৰিণীৰ হাতেৰেহে খোৱা-লোৱা কৰে। বদুলা সত্ৰ যিহেতু গৃহস্থী সত্ৰ নহয়, সেয়েহে এই সত্ৰৰ অধিকাৰে বুঢ়া ভকত আৰু হৰি আতৈৰ হাতেৰে খোৱা-বোৱা কৰে। কেশৱ চৰণ সত্ৰত বৰ্তমান কোনো সত্ৰাধিকাৰ নাই সেয়েহে এই সত্ৰৰ চোৱা-চিতা কৰে নিৰ্মল বৰা নামৰ গাঁৱৰে এজন লোকে। বদুলা সত্ৰৰ বংশাৱলী বৰ্তমান সত্ৰত নাই কিন্তু মাজুলীৰ কমলাবাৰী সত্ৰৰ বংশাৱলীৰ পৰিচয় পোৱা যায়। কেশৱ আতাৰ পিছত কেশৱ চৰণ সত্ৰৰ কোনো বংশ পৰিচয় পোৱা নাযায়। অনিৰুদ্ধ দেৱৰ পিছতো বিষ্ণু বালিকুঞ্চি সত্ৰৰ বংশাৱলীৰ পৰিচয় পোৱা গৈছে। বিষ্ণু বালিকুঞ্চি সত্ৰত শংকৰ মাধৱৰ ৰচিত পুথিক আসনত থৈ উপাসনা কৰা হয়। তিনিও খন শংকৰ দেৱ আৰু মাধৱ দেৱৰ প্ৰচাৰিত ধৰ্মৰ বাণী সমূহ সত্ৰৰ নামঘৰত চাৰিওফালে লিখি ৰখা হয়। বিষ্ণু বালিকুঞ্চি সত্ৰত মূৰ্তিক উপাসনা কৰা নহয়। আন দুখন সত্ৰত মূৰ্ত্তি উপাসনা কৰা দেখা যায়। তিনিও খন সত্ৰত শংকৰ মাধৱৰ দ্বাৰা ৰচিত সাঁচিপতীয়া পুথি আৰু বদলা সত্ৰত বদলা আতাৰ ৰচিত সাঁচিপতীয়া পুথি, কেশৱ চৰণ আতাৰ দ্বাৰা ৰচিত সাঁচিপতীয়া পুথি আৰু বিষ্ণু বালিকুঞ্চি সত্ৰত অনিৰুদ্ধ দেৱৰ দ্বাৰা ৰচিত সাঁচিপতীয়া পুথি পোৱা যায়। আটাইকেইখন সত্ৰই যেন নিজ নিজ বৈশিষ্ট্যৰে উজ্জ্বলি উঠি নিজকে শ্ৰেষ্ঠ প্ৰতিপন্ন কৰিছে।

উপস্ংহাৰঃ

অসমীয়া 'সত্ৰ' শব্দটো সংস্কৃত ভাষাৰ পৰা আহিছে। সংস্কৃতত 'সত্ৰ' শব্দৰ অৰ্থ হ'ল-'দীৰ্ঘকালীন যজ্ঞ'। অসমত নৱবৈষ্ণৱ ধৰ্ম বা একশৰণ নামধৰ্ম প্ৰ্চাৰ কৰে শংকৰ দেৱে। এই ধৰ্মৰ মূল মন্ত্ৰ আছিল এক দেৱ 'এক সেৱ এক বিনে নাই কেৱ' অৰ্থাৎ কেৱল নামৰ দ্বাৰাই পৰম ভগৱানক লাভ কৰি ইহ স্ংসাৰৰ পৰা উদ্ধাৰ হোৱাৰ উপায় তেওঁ ৰচনা কৰিছিল। শংকৰ দেৱে যেনেদৰে সকলো জাতি জন জাতিক একলগ কৰি ধৰ্ম, জাতি, সমাজ, সাহিত্য আৰু সংস্কৃতিৰ মাজত যি বিশাল একতাৰ ডোল তৈয়াৰ কৰি, এই ডোলেৰে সকলোকে মেৰিয়াই বান্ধি

বৃহত্তৰ অসমীয়া জাতি গঠন কৰি সমাজ সংস্কাৰ কৰিব খুজিছিল। এই একেই আদৰ্শৰে অনুপ্ৰাণিত হৈ তিনিওজনা সত্ৰাধিকাৰে শাক্ত ধৰ্মক চেৰ পেলাই বিশাল মহাপুৰুষীয়া ধৰ্মক আগুৱাই নিছিল। ৰাজ অনুগ্ৰহ প্ৰাৰ্থী কিছুমান সত্ৰই শাক্ত ঢৌ ভেঁটিবলৈ সক্ষম নহ’ল, সেয়েহে পুনৰ শাক্ত শক্তিয়ে জাতি চেতনা জগাই তুলি সমাজ খন ছানি ধৰিলে। অসমৰ বিভিন্ন ঠাইত শংকৰ গুৰুৱে সত্ৰ, নামঘৰ আদি পাতি নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল। সেই সময়ত অসমত চলি থকা বলিবিধান আৰু দেৱ দেৱীৰ পূজাৰ পৰা মানুহৰ মন আঁতৰাই এক মাত্ৰ ভগৱান বিষ্ণুক সমৰ্পন কৰিছিল। মানুহক ভগৱান শ্ৰী কৃষ্ণৰ প্ৰতি আকৰ্ষিত কৰিবলৈ তেওঁ বিভিন্ন শাস্ত্ৰৰ অৱতাৰণা কৰিছিল। এই শাস্ত্ৰ সমূহকেই পৰৱৰ্তী সময়ত সত্ৰৰ সত্ৰাধিকাৰ সকলে চৰ্চা কৰিছিল আৰু লগতে জনসা্ধাৰণেও চৰ্চা কৰিছিল। নিকা স্ংহতিৰ বদলা সত্ৰ আৰু কেশৱ চৰণ সত্ৰ, কাল স্ংহতিৰ বিষ্ণু বালিকুঞ্চি সত্ৰ শংকৰদেৱৰ এই আদৰ্শৰেই জীয়াই আছে আৰু সদায় জী্য়াই থাকিব। ধৰ্ম প্ৰসাৰতকৈ ধন সম্পত্তিৰ প্ৰসাৰত অধিক মনোনিৱেশ কৰাত পাৰমা্ৰ্থিক আৰু আধ্যাত্মিক দিশত যিমান গুৰুত্ব আৰোপ কৰিব লাগিছিল এই সত্ৰ কেইখনত সিমান গুৰুত্ব দিয়া হোৱা নাই। এনেদৰেই থাকিলে সত্ৰ কেইখনৰ আগৰ গৌৰৱ ম্লান পোৱাটো স্বাভাৱিক। এই গৌৰৱ পুনৰ উদ্ধাৰ কৰিবলৈ হ’লে সত্ৰ কেইখনৰ মধ্যযুগীয়া দৃষ্টিভংগী পৰিহাৰ কৰি ধৰ্মৰ লগত মানৱ সেৱাত প্ৰবৃত্ত হ’ব পাৰিলে আৰু এই সত্ৰকেইখনৰ ধৰ্মীয় পৰম্পৰাক ভক্ত সকলৰ হিতৰ বাবে ব্যৱহাৰ কৰিব পাৰিলে সত্ৰ কেইখনৰ নুমাই যাব খোজা চাকি গছি পুনৰ প্ৰজ্জ্বোলিত হৈ উঠিব। এই সত্ৰ কেইখনক যদি একোখন সাংস্কৃতিক ক্ষেত্ৰলৈ ৰুপান্তৰ কৰিব পৰা যায় তেন্তে নিশ্চিতঃ ভাৱে তিনিও খন সত্ৰই নিজ্স্ব মহীমাৰে মহিমামণ্ডিত হৈ উ্ঠিব। মাধৱ দেৱ কলাক্ষেত্ৰৰ কাম সম্পূৰ্ন হৈ উঠিলে নাৰায়ণপুৰ আৰু

ধলপুৰত অৱস্থিত এই সত্ৰ কেইখনৰ নাম অসমৰ প্ৰতিজন মানুহৰ চিনাকী হৈ উঠিব। এয়ে মোৰ একান্ত কাম্য।

পৰিশিষ্টঃ